● গুৱাহাটী, যোৰহাট আৰু তেজপুৰৰ পৰা প্ৰকাশিত

গুৱাহাটী (০৩৬১) ২২৬১৯২৩
চাৰ্কুলেচন ঃ ম'বাইল ঃ ৮৪৮৬৯৮০২৮১
বিজ্ঞাপন ঃ ম'বাইল ঃ ৯৮৬৪৮৯৭১৭৫
যোৰহাট ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯
হোৱাটছএপ ঃ ৭৬৩৮০৫৮০৫৪ (সম্পাদনা)
agradoot@gmail.com
editor.agradoot@gmail.com
■ কাকত নাপালে ফোন কৰক ঃ ৯১০১২-৩৮০০৩
www.dainikagradoot.in


# দৈনিক অগ্ৰদূত

সামাজিক দায়বদ্ধতাত অবিচল

## দিগ্‌দৰ্শন

সত্য সদায়ে সুন্দৰ নহয়, তেনেদৰেই সুন্দৰ শব্দ মানেই সত্য নহয়।

লাও যি
*চীনা দাৰ্শনিক*




৫ পাঁচ বছৰত দেশত হ্ৰাস পালে সঞ্চয়ৰ পৰিমাণ
১৫ গুৱাহাটীত উপস্থিত ভাৰত-দক্ষিণ আফ্ৰিকা
৪ পিএফআইক নিষিদ্ধ ঃ দমন নে সময়ৰ প্ৰয়োজন?



RNI-Regd No. 62953/96 ■ সপ্তবিংশতিতম বছৰ ● ৩৫০ তম সংখ্যা ● গুৱাহাটী ● শুকুৰবাৰ ১৩ আহিন ১৪২৯ ভাস্কৰাব্দ ৩০ ছেপ্টেম্বৰ ২০২২ চন ■ DAINIK AGRADOOT ● Guwahati ● Friday 30 September 2022 মূল্য ঃ ৯.০০ টকা


■ গৰ্ভপাত আৰু বৈবাহিক ধৰ্ষণ সন্দৰ্ভত উচ্চতম ন্যায়ালয়ৰ যুগান্তকাৰী ৰায়দান ■ গৰ্ভপাত কৰাবলৈ বিচৰা মহিলাগৰাকী বিবাহিতা নে অবিবাহিতা সেয়া ভেদাভেদ কৰাটো অসাংবিধানিক

# যিকোনো নাৰীকে গৰ্ভপাতৰ অধিকাৰ

■ ২৫ বছৰীয়া অবিবাহিতা মহিলাৰ আবেদনৰ ৰায় ■ বৈবাহিক ধৰ্ষণৰ গোচৰক স্বীকৃতি

■ নিউজ ব্যুৰ'
নতুন দিল্লী, ২৯ ছেপ্টেম্বৰ ঃ গৰ্ভপাত কৰিবলৈ বিচৰা মহিলা এগৰাকী বিবাহিত নে অবিবাহিতা সেই বিষয়ে ভেদাভেদ কৰাটো অসাংবিধানিক। দেশৰ সকলো মহিলাই সুৰক্ষিত আৰু বৈধ গৰ্ভপাতৰ প্ৰক্ৰিয়া গ্ৰহণৰ অধিকাৰ আছে। দেশৰ উচ্চতম ন্যায়ালয়ে আজি এই যুগান্তকাৰী ৰায়দান কৰে। ন্যায়াধীশ ডি ৱাই চন্দ্ৰচূড়, ন্যায়াধীশ এ এছ বোপান্না আৰু ন্যায়াধীশ পাড়িৱালাৰ বিচাৰপীঠে সম্পূৰ্ণৰূপে গৰ্ভপাতৰ পৰিসীমাৰ ভিতৰত বৈবাহিক ধৰ্ষণৰ বিষয়টোক স্বীকৃতি দিয়ে। আদালতে ৰায় দিয়ে যে 'মেডিকেল টাৰ্মিনেচন অৱ প্ৰেগনেন্সী' অৰ্থাৎ গৰ্ভাৱস্থাৰ চিকিৎসা প্ৰক্ৰিয়াৰে পৰিসমাপ্তি ঘটোৱাৰ আইনৰ অধীনত বৈবাহিক ধৰ্ষণো সন্নিবিষ্ট হ'ব লাগিব। আদালতৰ এই মতামতে পৰৱৰ্তী সময়ত বৈবাহিক ধৰ্ষণৰ গোচৰৰ ৰায়দানসমূহৰ পথ মুকলি কৰিলে বুলি ক'ব পাৰি। উল্লেখ্য যে দীৰ্ঘদিন ধৰি এই বিষয়টো দেশজুৰি গভীৰ বিতৰ্কৰ বিষয় হৈ আহিছে। আদালতে কয়, 'বিবাহিতা মহিলাসকলো যৌন নিৰ্যাতন অথবা ধৰ্ষণৰ ভুক্তভোগীসকলৰ এটা অংশ হ'ব পাৰে।' আদালতে কয় যে ধৰ্ষণৰ সাধাৰণ অৰ্থ হৈছে এজন মানুহৰ স'তে তেওঁৰ সন্মতি নোহোৱাকৈ অথবা ১০ পৃষ্ঠাত চাওক



■ লাখ লাখ টকা ব্যয়ৰে সাজু পূজাস্থলী ■ ক'ৰবাত প্ৰতিমা-ক'ৰবাত মণ্ডপ-ক'ৰবাত আলোকসজ্জাৰ চমক ■ মণ্ডপৰ ভিতৰত অনুভূত হ'ব সপোনৰ মায়াময় পৃথিৱী-প্ৰতিভা হ'ব ক'ভিডৰ দুৰ্দশা-বহিঃৰাজ্যৰ মন্দিৰ ■ কামাখ্যাত ম'হ বলি আৰম্ভ-উগ্ৰতাৰাও বলিৰ বাবে সাজু

# ক'ভিডৰ পাছত পূজাৰ ব্যাপক উৎসাহ

স্টাফ ৰিপ'ৰ্টাৰ
গুৱাহাটী, ২৯ ছেপ্টেম্বৰ ঃ ক'ভিড মহামাৰীৰ বাবে কাৰ্যতঃ বিগত দুটা বছৰৰ মূৰত পূৰ্বৰ দৰে সম্পূৰ্ণ মুকলি পৰিৱেশৰ মাজত দেশৰ অন্যান্য প্ৰান্তৰ লগতে অসমতো পূজা উদ্‌যাপনৰ বাবে সকলো সাজু হৈছে। যোৱা বছৰ ক'ভিডৰ নীতি-নিয়ম কিছু শিথিল কৰি সীমাবদ্ধতাৰ মাজেৰে পূজা উদ্‌যাপনৰ অনুমতি দিয়া হৈছিল যদিও তাৰ বিশেষ প্ৰভাৱ পূজাস্থলীসমূহত নপৰিল। গতিকে এইবাৰহে সম্পূৰ্ণ মুকলিমূৰীয়া পৰিৱেশ পুনৰ ১০ পৃষ্ঠাত চাওক



### কলকাতাৰ পৰিৱৰ্তে অসমৰ শিল্পীয়ে দিয়ে কাৰিকৰী চমক

## সন্ত্ৰাসবাদ

দেশ-কাল-সমাজ
ড° দীনেশ বৈশ্য



কিছুমান কথা ভাবি বৰ আচৰিত লাগে। ১৮৬০ত আলফ্ৰেড ন'বেলে ডিনামাইট উদ্ভাৱন কৰে। তাৰ আগলৈকে মানুহ মৰাটো সিমান সহজ নাছিল। ডিনামাইট ব্যৱহাৰ কৰি অতি সহজে একেলগে বহুত মানুহ মাৰিব পৰা হ'ল। ভাবিলে আচৰিত লাগে, প্ৰথম বিশ্ব যুদ্ধৰ সময়ত ডিনামাইট বিক্ৰী কৰি আলফ্ৰেড ন'বেলে ইমান ধন ঘটিলে যে সেই ধন খৰচ কৰি শেষ কৰিব নোৱাৰা ধৰণৰ। আলফ্ৰেড ন'বেলে ডিনামাইট বিক্ৰী ১০ পৃষ্ঠাত চাওক

## পূজাৰ নামত চান্দা সংগ্ৰহ নকৰিবলৈ আহ্বান শৰ্মাৰ

স্টাফ ৰিপ'ৰ্টাৰ
গুৱাহাটী, ২৯ ছেপ্টেম্বৰ ঃ আধ্যাত্মিক উৎসাহ-উদ্দীপনাৰে উদ্‌যাপিত হ'বলগীয়া দুৰ্গা পূজাৰ বতৰত চান্দা সংগ্ৰহৰ অপসংস্কৃতি সম্পূৰ্ণৰূপে পৰিহাৰ কৰিবলৈ মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি আহ্বান জনাইছে।

এই আহ্বান জনাই মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে ভাৰতীয় আধ্যাত্মিক জীৱনত দেৱী দুৰ্গাৰ উপাসনাৰ গভীৰ মহত্ত্ব ছয় পৃষ্ঠাত চাওক

## গোসাঁইগাঁৱত দুৰ্বৃত্তৰ গুলিত আহত যুৱক, গুলি উদ্ধাৰ

অগ্ৰদূত বাৰ্তা
গোসাঁইগাঁও, ২৯ ছেপ্টেম্বৰ ঃ শাৰদীয় দুৰ্গোৎসৱৰ প্ৰাক্‌ক্ষণত আজি কোকৰাঝাৰ জিলাৰ গোসাঁইগাঁৱত দুৰ্বৃত্তই নিচেই ওচৰৰ পৰা এজন যুৱকক দুৰ্বৃত্তই গুলীয়াই আহত কৰে। আজি সন্ধিয়া প্ৰায় ৬.৩০ বজাত গোসাঁইগাঁৱৰ তেলিপাৰা বজাৰৰ পৰা চাইকেলেৰে ছয় পৃষ্ঠাত চাওক








| তাপমাত্ৰা | সৰ্বোচ্চ | সৰ্বনিম্ন |
|---|---|---|
| গুৱাহাটী | ৩৩° | ২৫° |
| ডিব্ৰুগড় | ৩২° | ২৪° |
| দিল্লী | ৩৩° | ২৪° |
| কলকাতা | ৩৩° | ২৬° |
| মুম্বাই | ২৮° | ২৫° |
| চেন্নাই | ৩২° | ২৭° |
| বাংগালুৰু | ২৬° | ১৯° |
| শ্বিলং | ২৪° | ১৭° |

২৯ ছেপ্টেম্বৰ, ২০২২

## চেঙা তেল



*কবিতা আৰু কিমান লিখে? পাচলিৰ যিহে দাম বাঢ়িছে, চোতালতে অলপ খেতিকে কৰক!*



নীলাবাৰী বিমানকোঠৰ সমীপত কঁহুৱাই সৃষ্টি কৰা দৃষ্টিনন্দন পৰিৱেশ, বৃহস্পতিবাৰে।

'সময়মতে বিদ্যুৎ বিল দিয়ক, অন্যথা অবাঞ্চিত পৰিস্থিতি' ঃ এপিডিচিএলৰ সকীয়নিত প্ৰতিক্ৰিয়া ঃ অভিযোগৰ পাছতো নিৰ্বিকাৰ

## প্ৰমাণ হ'লেহে বৰ্ধিত বিলৰ অতিৰিক্ত ধন পাছৰ মাহবোৰত 'এডজাষ্ট' কৰিব

স্টাফ ৰিপ'ৰ্টাৰ
গুৱাহাটী, ২৯ ছেপ্টেম্বৰ ঃ আঁসোৱাহযুক্ত মিটাৰ আৰু গোপনে মাচুল বঢ়াই উপভোক্তাক মাধমাৰ শোধোৱাৰ পাছত এইবাৰ বৰ্ধিত বিদ্যুৎ বিল সময় মতে পৰিশোধ কৰিবলৈ ৰাইজক নিৰ্দেশ দিছে এপিডিচিএলে। কেৱল সেয়াই নহয়, সময় মতে বিল পৰিশোধ নকৰিলে অবাঞ্চিত পৰিস্থিতিৰ মুখামুখি হ'ব লাগিব বুলিও গ্ৰাহকক সকীয়াই দিছে বিদ্যুৎ কোম্পানীটোৱে। নিয়মীয়া নিৰিখৰ তুলনাত কে'বাগুণে অধিক হাৰৰ বিদ্যুতৰ বিল প্ৰেৰণ কৰি সৃষ্টি কৰা সমস্যা সমাধানত ব্যৰ্থ এপিডিচিএলে এতিয়া বিল যিমানেই নহওক, গ্ৰাহকে সমুদায় ধন পৰিশোধ কৰিব লাগিব বুলি দিয়া নিৰ্দেশ স্বাভাৱিকতে বিব্ৰত কৰি তুলিছে সৰ্বসাধাৰণ উপভোক্তা ৰাইজক। লক্ষ্যণীয় যে মিটাৰৰ বিসংগতিৰ বাবে যদি বিদ্যুতৰ বিল বৃদ্ধি পাইছে তেন্তে উপভোক্তাৰ অভিযোগৰ ভিত্তিত সংগৃহীত মাচুল ওভতাই দিয়া হ'ব বুলি চৰকাৰে ঘোষণা কৰিছিল যদিও বাস্তৱ ক্ষেত্ৰত কোনো এজন গ্ৰাহকে অভিযোগ ছয় পৃষ্ঠাত চাওক

■ সৰিয়হৰ ডুলিতে ভূত ওলাল ■ গুৱাহাটী কাৰ্যালয়ত চিবিআইৰ মাৰাথন অভিযান

## উৎকোচৰ বিনিময়ত ঠিকাদাৰক জিএছটি ৰেহাই দি গ্ৰেপ্তাৰ আয়ুক্ত



স্টাফ ৰিপ'ৰ্টাৰ
গুৱাহাটী, ২৯ ছেপ্টেম্বৰ ঃ ভাৰতীয় ৰাজহ সেৱাৰ বিষয়া হৈও কৰ ফাকি দিয়াত সহযোগিতা কৰি অৱশেষত কেন্দ্ৰীয় অনুসন্ধান সংস্থা (চিবিআই)ৰ হাতত গ্ৰেপ্তাৰ হ'ল কেন্দ্ৰীয় জিএছটি গুৱাহাটীস্থ কাৰ্যালয়ৰ আপীল শাখাৰ আয়ুক্ত ড° ৰাজু শক্তিভেল। তেওঁৰ লগতে মহাবীৰ জৈন নামৰ আন এজন লোককো গ্ৰেপ্তাৰ ছয় পৃষ্ঠাত চাওক

## বিটিআৰৰ সচিবালয়ৰ প্ৰৱেশদ্বাৰত এবছুৰ প্ৰতীকক লৈ প্ৰতিক্ৰিয়া

অগ্ৰদূত বাৰ্তা
কোকৰাঝাৰ, ২৯ ছেপ্টেম্বৰ ঃ বিটিচিৰ সচিবালয়ৰ নৱনিৰ্মিত মুখ্য প্ৰৱেশ দ্বাৰত এবছুৰ প্ৰতীক চিহ্ন খোদিত কৰাক লৈ বিপিএফে তীব্ৰ প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। আজি বিপিএফৰ কেন্দ্ৰীয় কাৰ্যালয়ত এক সংবাদমেলত বিপিএফৰ বিৰোধী দলপতি দেৰহাছাং বসুমতাৰীয়ে প্ৰশ্ন কৰে যে ছয় পৃষ্ঠাত চাওক

## বৃহৎ নদীবান্ধ বন্ধ-সম্পত্তি কৰ-মূল্যবৃদ্ধিৰ প্ৰতিবাদত আন্দোলন ঘোষণা আছুৰ

স্টাফ ৰিপ'ৰ্টাৰ
গুৱাহাটী, ২৯ ছেপ্টেম্বৰ ঃ নামনি সোৱণশিৰি জলবিদ্যুৎ প্ৰকল্পত শেহতীয়াকৈ সৃষ্টি হোৱা নিৰাপত্তাহীনতাৰ বাবে প্ৰকল্পটোৰ কাম বন্ধ কৰা, সম্পত্তি কৰ আৰু মূল্যবৃদ্ধিৰ প্ৰতিবাদত আন্দোলনৰ কাৰ্যসূচী ঘোষণা কৰিছে সদৌ অসম ছাত্ৰ সন্থাই। ১০ পৃষ্ঠাত চাওক

## মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালত অস্থায়ীভাৱে স্থানান্তৰৰ বিৰোধিতা

আদালত চৌহদত উকীল সন্থাৰ অৱস্থান ধৰ্মঘট

স্টাফ ৰিপ'ৰ্টাৰ
গুৱাহাটী, ২৯ ছেপ্টেম্বৰ ঃ কামৰূপ মহানগৰ জিলাৰ মুখ্য ন্যায়িক দণ্ডাধীশৰ আদালত অস্থায়ীভাৱে ১০ পৃষ্ঠাত চাওক

নিৰ্মীয়মান ধুবুৰী-ফুলবাৰী দলঙৰ খুঁটাত খুন্দা মাৰি তলি ফুটিল ইঞ্জিনচালিত টুলুঙা নাৱৰ ঃ ২৭ যাত্ৰীৰ অধিকাংশকে উদ্ধাৰ

## ধুবুৰীত ব্ৰহ্মপুত্ৰৰ বুকুত নাও দুৰ্ঘটনা, চক্ৰ বিষয়া নিৰুদ্দেশ-পাঁচজন আহত



ৰাজহ চক্ৰ বিষয়া



...ম্বৰ ঃ একক নাৱৰে ব্ৰহ্মপুত্ৰ পাৰ হোৱাৰ সময়তে আজি ধুবুৰীত সংঘটিত হয় এক নাও দুৰ্ঘটনা। দিনৰ প্ৰায় ১১ বজাত ধুবুৰীৰ ভাষানীচৰ পঞ্চায়তৰ অন্তৰ্গত আইৰনজংলাৰ প্ৰথম খণ্ডত সংঘটিত হোৱা এই নাও দুৰ্ঘটনাত ধুবুৰীৰ ৰাজহ চক্ৰ বিষয়া সঞ্জু দাস নিৰুদ্দেশ হৈ আছে। লক্ষ্যণীয় যে ধুবুৰী, ফুলবাৰী সংযোগী ব্ৰহ্মপুত্ৰৰ ওপৰত নিৰ্মীয়মান ১০ পৃষ্ঠাত চাওক

## উন্নয়নৰ ক্ষেত্ৰত আমি ৰাজনীতিৰ ভিতৰলৈ নাযাওঁ ঃ ক'লে মুখ্যমন্ত্ৰীয়ে



■ কয়াকুছিত পৰিদৰ্শন বঙলা উদ্বোধন ■ জগন্নাথ মন্দিৰৰ আধাৰশিলা স্থাপন ■ আশিস ল'লে নসত্ৰৰ কৃষ্ণগুৰু সেৱাশ্ৰমত

বিশেষ সংবাদদাতা/অগ্ৰদূত বাৰ্তা
বৰপেটা/কয়াকুছি/সৰ্থেবাৰী, ২৯ ছেপ্টেম্বৰ ঃ 'ৰাজনীতি আমি সদায় নকৰো। এনেকুৱা নহয় যে এটা সমষ্টিত কেৱল এটা দলকে ভোট দিয়া মানুহ থাকে। ইয়াত বহুত ভোট আমিও পাইছো। এই সমষ্টিটোত কাম ১০ পৃষ্ঠাত চাওক

■ নামচাই ঘোষণাৰ পাছত দুই ৰাজ্যৰ প্ৰতিনিধিৰ পুনৰ আলোচনা

## সীমা বিবাদক লৈ ১৫ অক্টোবৰত প্ৰতিবেদন দিব অসম-অৰুণাচলে

বিশেষ সংবাদদাতা
ডিব্ৰুগড়, ২৯ ছেপ্টেম্বৰ ঃ অসম আৰু অৰুণাচলৰ সীমা বিবাদ নিষ্পত্তিৰ উদ্দেশ্যে স্বাক্ষৰিত নামচাই ঘোষণা পত্ৰৰ পাছৰ পৰিক্ৰমা আগবঢ়াই নিয়াৰ উদ্দেশ্যে ডিব্ৰুগড়ৰ মোহনবাৰীৰ অৰুণাচল ভৱনত আজি এক গুৰুত্বপূৰ্ণ বৈঠক অনুষ্ঠিত হয়। অৰুণাচলৰ উপ-মুখ্যমন্ত্ৰী চৌনা মেইন আৰু অসমৰ সীমান্ত অঞ্চল উন্নয়ন মন্ত্ৰী অতুল বৰাৰ উপস্থিতিত অনুষ্ঠিত এই বৈঠকত দুয়োখন ৰাজ্যৰ তিনিচুকীয়া, নামচাই, নামনি দিবাং ভেলী আৰু লোহিত জিলাৰ বিবদমান অঞ্চলৰ সম্পৰ্কত আলোচনা কৰা হয়। তিনিচুকীয়া ১০ পৃষ্ঠাত চাওক



## ৰণক্ষেত্ৰৰ পৰা ছত্ৰভংগ গেহলটৰ, দিল্লীলৈ আহি ছোনিয়াৰ ক্ষমাপ্ৰাৰ্থী হ'ল

■ কংগ্ৰেছৰ সভাপতি পদত প্ৰতিদ্বন্দ্বিতা নকৰে ■ মুখ্যমন্ত্ৰিত্বক লৈও অনিশ্চয়তা



■ নিউজ ব্যুৰ'
নতুন দিল্লী, ২৯ ছেপ্টেম্বৰ ঃ বিগত দিনকেইটাত বিতৰ্ক অব্যাহত থকাৰ পাছত আজি ৰণক্ষেত্ৰৰ পৰা ছত্ৰভংগ দিলে ৰাজস্থানৰ মুখ্যমন্ত্ৰী অশোক গেহলটে। দিল্লীত আজি কংগ্ৰেছৰ অন্তৰ্বৰ্তীকালীন সভাপতি ছোনিয়া গান্ধীক সাক্ষাতৰ পাছত গেহলটে সংবাদ মাধ্যমক কয় যে তেওঁ দলৰ সভাপতি পদৰ ১০ পৃষ্ঠাত চাওক

■ আৰক্ষীৰ 'ভুৱা সংঘৰ্ষ'ক লৈ দিল্লীৰ পৰা শুনানিত অংশ ল'লে অধিবক্তা প্ৰশান্ত ভূষণে

## 'এনকাউণ্টাৰ'ৰ তদন্ত প্ৰতিবেদন দাখিলত ব্যৰ্থ গৃহ বিভাগ, সময়সীমা বৃদ্ধি

স্টাফ ৰিপ'ৰ্টাৰ
গুৱাহাটী, ২৯ ছেপ্টেম্বৰ ঃ ড° হিমন্ত বিশ্ব শৰ্মা চৰকাৰৰ প্ৰথম ১৩ মহীয়া কাৰ্যকালত ৰাজ্যত সংঘটিত হৈছে ১৬১ টাকৈ আৰক্ষীৰ 'এনকাউণ্টাৰ' ঘটনা। যোৱা ২১ মে' পৰ্যন্ত অসম আৰক্ষীৰ এই 'সংঘৰ্ষ'ৰ ঘটনাত ৫১ জন লোক নিহত আৰু ১৩৯ জন আহত হয়। অৱশ্যে ২০ জুন পৰ্যন্ত নিহতৰ সংখ্য ৫৪ জনলৈ বৃদ্ধি পায়। অতি কম সময়তে সংঘটিত এইসমূহ 'সংঘৰ্ষ'ৰ ঘটনাৰ তদন্ত প্ৰতিবেদন দাখিল কৰিবলৈ ছয় সপ্তাহৰ সময়সীমা লৈও গুৱাহাটী উচ্চ ন্যায়ালয়ত আজি প্ৰতিবেদন দাখিলত ব্যৰ্থ হ'ল ৰাজ্যৰ গৃহ বিভাগ। আৰক্ষীৰ সংঘৰ্ষৰ প্ৰসংগত গুৱাহাটী ১০ পৃষ্ঠাত চাওক




দৈনিক অগ্ৰদূত
গুৱাহাটী, ৩০ ছেপ্টেম্বৰ, ২০২২ শুকুৰবাৰ পৃষ্ঠা তিনি

## ম'বাইল ফোনযোগে সাংবাদিকক ভাবুকি

**খণ্ডীয়া গ্ৰামীণ বিকাশ বেংকৰ মহিলা কৰ্মচাৰীৰ বিৰুদ্ধে এজাহাৰ দাখিল**

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**যোৰহাট, ২৯ ছেপ্টেম্বৰ ঃ** প্ৰকাশিত এটা বাতৰিৰ সন্দৰ্ভত ম'বাইল ফোনযোগে ভাবুকি দিয়াৰ অভিযোগ তুলি যোৰহাটৰ এগৰাকী জ্যেষ্ঠ সাংবাদিকে আজি পশ্চিম যোৰহাটৰ পানীচকুৱাস্থিত গ্ৰামীণ বিকাশ বেংকৰ এগৰাকী মহিলা কৰ্মচাৰীৰ বিৰুদ্ধে পুলিবৰ আৰক্ষী থানাত এক এজাহাৰ দাখিল কৰিছে। জানিব পৰা মতে আজি এখন কাকতত এগৰাকী চিএছপিৰ অভিযোগৰ ভিত্তিত গ্ৰামীণ বিকাশ বেংকটোৰ ছয় পৃষ্ঠাত চাওক

## হোজাই-তামুলপুৰত নতুন উপায়ুক্ত নিযুক্তি

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**গুৱাহাটী, ২৯ ছেপ্টেম্বৰ ঃ** সুৰামত্ত অৱস্থাত এজন বয়সস্থ ব্যক্তিক অপমান কৰাৰ অভিযোগত কালি এচিএছ বিষয়া অনুপম চৌধুৰীক নিলম্বন কৰাৰ পাছত আজি হোজাই জিলাৰ নতুন উপায়ুক্তৰূপে নিযুক্তি দিয়া হৈছে সীমান্ত কুমাৰ দাসক। ৰাজ্য চৰকাৰৰ কৰ্মী প্ৰশাসন (এ) বিভাগে আজি এক নিৰ্দেশযোগে তামুলপুৰৰ উপায়ুক্ত দাসক হোজাইৰ উপায়ুক্ত পদলৈ বদলি কৰে। ইফালে, কৃষি বিভাগৰ যুটীয়া সচিব তথা অসম ৰাজ্যিক কৃষি বিপণন পৰিষদৰ মুখ্য কাৰ্যবাহী বিষয়া আৰু অসম বীজ নিগমৰ পৰিচালন সঞ্চালক বিদ্যুৎ বিকাশ ভাগৱতীক তামুলপুৰৰ উপায়ুক্ত পদলৈ বদলি কৰা হৈছে। ভাগৱতীক বদলি কৰাৰ পাছত তেওঁ কাৰ্যনিৰ্বাহ কৰি থকা পদকেইটাত অৱশ্যে কাকো স্থলাভিষিক্ত কৰা হোৱা নাই।

■ অমৃত সৰোবৰ আঁচনিৰ খনন কাৰ্য বন্ধ কৰিলে নগালেণ্ড প্ৰশাসনে

# পুখুৰী খননক লৈ উত্তপ্ত পানীখেতি সীমান্ত



পুতুলী কায়স্থ সম্পাদিত 'কাতি বিহুৰ ৰূপৰেখা' বৃহস্পতিবাৰে উন্মোচন কৰে কনকসেন ডেকাই, দিছপুৰ প্ৰেছ ক্লাবৰ সভাগৃহত।

**বিশেষ সংবাদদাতা**

**নগাবাট, ২৯ ছেপ্টেম্বৰ ঃ** কেন্দ্ৰীয় চৰকাৰৰ অমৃত সৰোবৰ আঁচনিৰ অধীনত তিতাবৰ মহকুমাৰ অসম-নগালেণ্ড সীমান্তত পুখুৰী খননৰ কাম অব্যাহত ৰখাৰ মাজতে আজি এক হুলস্থূলীয়া পৰিৱেশৰ সৃষ্টি হয়। অসমৰ প্ৰশাসনৰ নিৰ্দেশ মৰ্মে ঠিকাদাৰৰ নেতৃত্বত এই খনন কাৰ্য আৰম্ভ হোৱাৰ লগে লগে নগালেণ্ডৰ বৃহৎ সংখ্যক আৰক্ষী বাহিনী উপস্থিত হৈ খনন কাৰ্য বন্ধ কৰি দিয়ে। খবৰ পাই ঘটনাস্থলীত লগে লগে তিতাবৰৰ ছয় পৃষ্ঠাত চাওক



## পাটাছাৰকুছিৰ ১১৪ সংখ্যক দুৰ্গা পূজা উদ্‌যাপনৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**পাটাছাৰকুছি, ২৯ ছেপ্টেম্বৰ ঃ** এইবেলি নৱগঠিত বজালী জিলাৰ পাটাছাৰকুছিৰ ঐতিহ্যমণ্ডিত শিৱ দুৰ্গা প্ৰাংগণত ১১৪ সংখ্যক পাটাছাৰকুছিৰ সাৰ্বজনীন শ্ৰীশ্ৰী দুৰ্গা পূজা উদ্‌যাপনৰ ব্যাপক আয়োজন কৰা হৈছে। বিগত বছৰৰ দৰে এইবেলিও শাৰদীয় দুৰ্গা পূজা অহা পহিলা অক্টোবৰৰ পৰা পাঁচ অক্টোবৰলৈ উদ্‌যাপনৰ বাবে ব্যাপক প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ হৈছে। অঞ্চলটোৰ এক আকৰ্ষণীয় পূজা হিচাপে পৰিগণিত এই দুৰ্গা পূজা মহোৎসৱ পৰিচালনাৰ্থে ইতিমধ্যে অৱসৰপ্ৰাপ্ত শিক্ষক তথা বিশিষ্ট সমাজ কৰ্মী মাণিক চৌধুৰীক সভাপতি আৰু যুৱ সমাজকৰ্মী তথা প্ৰাক্তন আছু নেতা দিগন্ত গোস্বামীক সম্পাদক হিচাপে লৈ এখন ৩১ জনীয়া এখন বিশেষ শক্তিশালী পৰিচালনা সমিতি গঠন কৰা হৈছে। তদুপৰি কে'বাখনো উপ-সমিতি গঠন কৰা হৈছে। পহিলা অক্টোবৰৰ সন্ধিয়া বেলবৰণৰ স্থায়ী বেদী উদ্বোধন কৰিব বিশিষ্ট সাহিত্যিক ফণীন্দ্ৰ কুমাৰ দেৱচৌধুৰীয়ে। তাৰ পাছতে ক্ৰমে দুৰ্গাদেৱীৰ ষষ্ঠাদি কল্পাৰম্ভ আৰু ষষ্ঠী বিহিত পূজা, দেৱীৰ বোধন, আমন্ত্ৰণ আৰু অধিবাস। ওজাপালিৰ দ্বাৰা দেৱী বন্দনা, নাম-প্ৰসংগ, নিৰ্মালি প্ৰদান আৰু প্ৰসাদ বিতৰণ। পূজাৰ আন আন দিনৰ কাৰ্যসূচীৰ ভিতৰত আছে দেৱী পূজা, নাম-প্ৰসংগ, ঢুলীয়া প্ৰদৰ্শন, ওজাপালি প্ৰদৰ্শন, আৰতি, নাট্যাভিনয় আদি। বৈদিক প্ৰথাৰে অনুষ্ঠিত কৰাৰ সমান্তৰালভাৱে প্ৰতিদিনে নানা মাংগলিক অনুষ্ঠান অনুষ্ঠিত কৰা হ'ব। উল্লেখ্য যে বিজয়া দশমীৰ দিনা প্ৰতিমা বিসৰ্জনৰ সময়ত কালদিয়া নদীত বন্তি প্ৰজ্বলিত কলভেল প্ৰতিযোগিতা আৰু বিশেষ ধৰণৰ আতচবাজী প্ৰদৰ্শন আৰু ৰাৱণ দাহন বিশেষ আকৰ্ষণীয় কাৰ্যসূচী অনুষ্ঠিত হ'ব। শাৰদীয় দুৰ্গা পূজাৰ লগত সংগতি ৰাখি পাটাছাৰকুছিৰ কালদিয়া নৈৰ পাৰত ৪০৪০ ফুট উচ্চতাৰ এটি প্ৰকাণ্ড ৰাৱণ নিৰ্মাণ কৰা হৈছে। বিগত ২০-২৫ দিন ধৰি প্ৰকাণ্ড ৰাৱণটো নিৰ্মাণত ব্যস্ত হৈ আছে বজালীৰ দেনাটাৰী যুৱ শিল্পী প্ৰদীপ পাল। আয়োজক সমিতিয়ে পূজা ভাগ সাফল্যমণ্ডিত কৰাৰ বাবে সমূহ ৰাইজৰ উপস্থিতিত আৰু আন্তৰিকতাৰে কামনা কৰিছে।

**ত্যাগ, সেৱা, সাধনা তথা সৃষ্টিক একাকিত্ব কৰিব নোৱাৰিলে শিক্ষাৰ্থীৰ জীৱন সেন্দূৰীয়া নহয় ঃ বাবুল বৰা**

## মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ নৱাগত আদৰণি অনুষ্ঠান



**বিশেষ সংবাদদাতা**

**নগাঁও, ২৯ ছেপ্টেম্বৰ ঃ** মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ বিশ্ববিদ্যালয়ৰ নৱাগত আদৰণি অনুষ্ঠান আজি সফলতাৰে সামৰণি পৰে। খগেন মহন্ত প্ৰেক্ষাগৃহত দিনজোৰাকৈ গীত-মাত-কথাৰে এই অনুষ্ঠান সম্পন্ন হয়। পুৱা ন বজাৰ পৰা ন-পুৰণি ছাত্ৰ-ছাত্ৰীসকলৰ চিনাকি পৰ্বৰ পাছতে অনুষ্ঠান দিনৰ ১১ বজাৰ পৰা অনুষ্ঠিত হয়। বিশ্ববিদ্যালয়খনৰ শিক্ষাৰ্থীসকলৰ দ্বাৰা পৰিৱেশিত বিশ্ববিদ্যালয় সংগীতেৰে আৰম্ভ হোৱা অনুষ্ঠানলৈ অতিথি, অভিভাৱক, সংবাদকৰ্মী আৰু নৱাগত শিক্ষাৰ্থীসকলক আদৰণি জনাই শপত বাক্য পাঠ কৰোৱায় পঞ্জীয়ক অধ্যাপক মৃণাল কুমাৰ বৰাই। ইয়াৰ পাছতে ভাষণ আগবঢ়ায় বিশ্ববিদ্যালয়খনৰ আচাৰ্য তথা শ্ৰীমন্ত শংকৰদেৱ সংঘৰ পদাধিকাৰ কমলাকান্ত গগৈয়ে ন-পুৰণি শিক্ষাৰ্থীক আশিস বচন প্ৰদান কৰি একো একোজন সৎ চৰিত্ৰবান ব্যক্তি হৈ সমাজৰ এজন সফল ব্যক্তি হ'বলৈ আহ্বান জনায়। আনহাতে, ছয় পৃষ্ঠাত চাওক

## লীলাবাৰী বিমানকোঠৰ সমীপত ফুলা কঁহুৱা ফুলৰ দৃষ্টিনন্দন দৃশ্যই মোহিত কৰিছে পথচাৰীক

**অগ্ৰদূত বাৰ্তা**

**লখিমপুৰ, ২৯ ছেপ্টেম্বৰ ঃ** চৌদিশে দুৰ্গোৎসৱক আদৰাৰ ব্যাপক প্ৰস্তুতিৰ এই শুভ লগনত বিভিন্ন ঠাইৰ লগতে লীলাবাৰী বিমানকোঠৰ সমীপৰ এটি সৰু পুখুৰীৰ পাৰত নীৰৱে-নিৰলে ফুলি ৰোৱা কঁহুৱা ফুলৰ দৃষ্টিনন্দন দৃশ্যই মোহিত কৰিছে অনুভৱী অনেকজনৰ হৃদয়। হঠাৎ ক'ৰবাৰ পৰা অহা ধীৰে ধীৰে বলা এছাটি মৃদু মলয়া বাত কঁহুৱা ফুলবোৰ নাচি উঠিছে। কঁহুৱাৰ কোমল শুকুলা পাহিবোৰে এক ছন্দোময় তালত নৃত্য কৰি শৰতৰ পৰিস্কাৰ, নিৰ্মল স্নিগ্ধতাৰ শুভ্ৰ প্ৰতীক হৈ মূৰ্তমান হৈ উঠিছে। শুদ্ধতাৰ পৰিচয় লৈ ফুলা কঁহুৱা ফুলবোৰে শৰত ঋতুৰ পবিত্ৰ আৰু ছয় পৃষ্ঠাত চাওক

■ ১৭ জন শিক্ষক থকাৰ পাছতো চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীয়ে অনুষ্ঠিত কৰিছে নৱম শ্ৰেণীৰ পৰীক্ষা ■ প্ৰধান শিক্ষকসহ সকলো শিক্ষকক কাৰণ দৰ্শোৱা জাননী বিদ্যালয়সমূহৰ পৰিদৰ্শকৰ

# দলগাঁৱৰ চৰকাৰী বিদ্যালয়ত নজিৰবিহীন কাণ্ড




**অগ্ৰদূত বাৰ্তা**

**দলগাঁও, ২৯ ছেপ্টেম্বৰ ঃ** ৰাজ্যখনত চৰকাৰী বিদ্যালয়সমূহৰ শৈক্ষিক পৰিৱেশ, বিদ্যালয়ৰ ফলাফল উন্নত কৰাৰ লক্ষ্যৰে চৰকাৰে কঠোৰৰ পৰা কঠোৰতম পদ্ধতি গ্ৰহণ কৰিছে। বহুত বিদ্যালয় বন্ধ কৰি দিছে, বহুত বিদ্যালয় একলগ কৰি দিছে। তাৰ পাছতো যেন গা লৰা নাই একাংশ শিক্ষকৰ। তেনে এক ঘটনা সংঘটিত হৈছে দৰঙৰ দলগাঁৱত। দলগাঁও বিধানসভা সমষ্টিৰ অন্তৰ্গত কোণাকাটাপাৰা উচ্চ মাধ্যমিক বিদ্যালয়ত চতুৰ্থ শ্ৰেণীৰ কৰ্মচাৰীয়ে কালি নৱম শ্ৰেণীৰ ছমহীয়া পৰীক্ষা অনুষ্ঠিত কৰাক লৈ ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়া হোৱাত কঠোৰ হৈ পৰিছে শিক্ষা বিভাগ। জিলাৰ বিদ্যালয়সমূহৰ পৰিদৰ্শকে কালি বিদ্যালয়খনৰ প্ৰধান শিক্ষকসহ ১৭ জন শিক্ষক-শিক্ষয়িত্ৰীক কাৰণ দৰ্শোৱাৰ জাননী প্ৰেৰণ কৰিছে। উল্লেখ্য যে যোৱা ২২ ছেপ্টেম্বৰৰ পৰা আৰম্ভ হৈছে ছেবাৰ অধীনত নৱম শ্ৰেণীৰ ছমহীয়া পৰীক্ষা। এই পৰীক্ষাৰ বাবে সংশ্লিষ্ট বিদ্যালয়ৰ প্ৰধানে নিৰ্দিষ্ট সময়ত পৰীক্ষা কেন্দ্ৰৰ পৰা প্ৰশ্নকাকত সংগ্ৰহ কৰি বিদ্যালয়লৈ আহি পৰীক্ষা অনুষ্ঠিত কৰিব লাগে। সেই অনুসৰি কালি দ্বিতীয়াৰ্ধত নৱম শ্ৰেণীৰ সমাজ বিজ্ঞানৰ ছয় পৃষ্ঠাত চাওক

## প্ৰাক্তন বাস্কেটবল খেলুৱৈ, প্ৰশিক্ষক পুতু দাসৰ মৃত্যু



**বিশেষ সংবাদদাতা**

**নগাঁও, ২৯ ছেপ্টেম্বৰ ঃ** নগাঁও চহৰৰ আমোলাপট্টি নিবাসী প্ৰবীণ বাস্কেটবল খেলুৱৈ, প্ৰশিক্ষক তথা ৰেফাৰী পুতু দাসৰ আজি পুৱা নিজ বাসগৃহত পৰলোকপ্ৰাপ্তি ঘটে। মৃত্যুৰ সময়ত তেওঁৰ বয়স হৈছিল ৬৫ বছৰ। বিগত কিছুদিন ধৰি ক্ৰীড়াবিদজন অসুস্থতাত ভুগি আছিল। সহজ সৰল, অমায়িক স্বভাৱৰ দাসে ১৯৭১ৰ পৰা নগাঁৱত আৰম্ভ হোৱা বাস্কেটবল খেলিবলৈ লয় আৰু জিলা দলকে ধৰি অসম দলকো প্ৰতিনিধিত্ব কৰিছিল। আনহাতে, ৯০ দশকত খেলুৱৈজনে নগাঁও ক্ৰীড়া সংস্থাৰ বাস্কেটবল সম্পাদকৰূপে কাৰ্যনিৰ্বাহ কৰে। পৰৱৰ্তী সময়ত বাস্কেটবল প্ৰশিক্ষক আৰু ভাৰতীয় বাস্কেটবল সন্থাৰ স্বীকৃত ৰাষ্ট্ৰীয় ৰেফাৰীৰ দায়িত্ব পালন কৰিছিল। তেওঁ অসম বাস্কেটবল সন্থাৰ টেকনিকেল সদস্যৰ উপৰি বাছনি সমিতিৰো সদস্য নিৰ্বাচিত হৈছিল। ছয় পৃষ্ঠাত চাওক

## তেজপুৰ সাহিত্য চ'ৰাৰ প্ৰাক্তন সভাপতি প্ৰয়াত বলিন চন্দ্ৰ ভৰালীক স্মৰণ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ২৯ ছেপ্টেম্বৰ ঃ** দেশে স্বাধীনতা লাভ কৰাৰ ৭৫ বছৰৰ পিছত আমি অমৃত মহোৎসৱ উদ্‌যাপন কৰি আহিছো যদিও দেশে স্বাধীনতাহে লাভ কৰিলে কিন্তু আমি বহু ক্ষেত্ৰত আজিও স্বতন্ত্ৰ হ'ব নোৱাৰিলো। এতিয়াও আমি ব্ৰিটিছ উপনিৱেশবাদৰ দাসত্বৰ মাজতেই নিত্য নৈমিত্তিক জীৱন অতিবাহিত কৰি আহিছো বুলি আজি তাৎপৰ্যপূৰ্ণভাৱে মন্তব্য কৰে ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘ, অসমৰ বৌদ্ধিক প্ৰমুখ তথা বিশিষ্ট লেখক শংকৰ দাসে। উল্লেখ্য যে ২০২০ৰ ২১ জুলাইত পৰলোকপ্ৰাপ্তি ঘটা অৱসৰপ্ৰাপ্ত শিক্ষক, তেজপুৰ সাহিত্য চ'ৰাৰ প্ৰাক্তন সভাপতি, গল্পকাৰ, প্ৰবন্ধকাৰ তথা জিলাখনৰ ৰাষ্ট্ৰীয় স্বয়ং সেৱক সংঘৰ এজন বিশিষ্ট সংগঠক বলিন চন্দ্ৰ ভৰালীৰ সোঁৱৰণত অনুষ্ঠিত এক বক্তৃতানুষ্ঠানত 'স্বৰাজৰ পৰা স্বতন্ত্ৰলৈ' শীৰ্ষক বিষয়ত বক্তৃতা প্ৰদান কৰি দাসে আজিও দেশবাসীয়ে অতি দুৰ্ভাগ্যজনকভাৱে ব্ৰিটিছে তৈয়াৰ কৰা আইন-কানুনৰ জৰিয়তেই ব্ৰিটিছৰ দাসত্ব ছয় পৃষ্ঠাত চাওক

## গোৱালপাৰাৰ শ্ৰীশ্ৰী শ্যামৰায় সত্ৰৰ বুঢ়া বাপ ডম্বৰুধৰ দাসৰ মৃত্যু

**অগ্ৰদূত বাৰ্তা**

**মাটিয়া, ২৯ ছেপ্টেম্বৰ ঃ** গোৱালপাৰা চহৰৰ দুই নম্বৰ কল'নীৰ বিষ্ণুনগৰৰ বাসিন্দা তথা শ্ৰীশ্ৰী শ্যামৰায় সত্ৰৰ বুঢ়া বাপ ডম্বৰুধৰ দাসে (৮৮) কালি সন্ধিয়া প্ৰায় ছয় বজাত হৃদৰোগত আক্ৰান্ত হৈ শেষ নিশ্বাস ত্যাগ কৰে। জলসিঞ্চন বিভাগৰ বিষয়াৰূপে অৱসৰৰ পাছতে গোৱালপাৰা চহৰৰ শ্ৰীশ্ৰী শ্যামৰায় সত্ৰৰ বুঢ়া বাপ, পূৰ্বৰ ধনভড়ালী, অসম সত্ৰ মহাসভাৰ আজীৱন সদস্য আৰু গোৱালপাৰা জিলাৰ সভাপতি, বৰপেটা সত্ৰ আৰু শাখা সত্ৰ সমাজ, অসমৰ উপ-সভাপতি, কলিতা জনগোষ্ঠী উন্নয়ন সমিতিৰ কেন্দ্ৰীয় উপ-সভাপতি আৰু জিলা সমিতিৰ উপদেষ্টা, গোৱালপাৰা জিলা চৰকাৰী পেঞ্চনাৰ সন্থাৰ সম্পাদক আৰু সভাপতিকে ধৰি বিভিন্ন পদত থাকি আন্তৰিকতা, সততা আৰু দক্ষতাৰে সকলো দায়িত্ব পালন কৰিছিল। চহৰৰ বিভিন্ন সামাজিক তথা উন্নয়নমূলক কামত জড়িত থকা দাস এজন ধৰ্মপ্ৰাণ, উদাৰমনা, পৰোপকাৰী আৰু সৎ চৰিত্ৰৰ লোক আছিল। মৃত্যুৰ সময়ত তেওঁ দুই পুত্ৰ, বোৱাৰী, জী-জোঁৱাই, নাতি-নাতিনীক এৰি থৈ যায়। তেওঁৰ মৃত্যুৰ বাতৰিয়ে আত্মীয়-স্বজনৰ লগতে সমগ্ৰ গোৱালপাৰাবাসী শোকস্তব্ধ হৈ পৰে।

## ৰঙাপৰাত ৪২খন পূজা সমিতিয়ে দুৰ্গা পূজা উদ্‌যাপনৰ প্ৰস্তুতি চলাইছে

**বিশেষ সংবাদদাতা**

**ৰঙাপৰা, ২৯ ছেপ্টেম্বৰ ঃ** শৰৎ মানে শেৱালি। শৰতে আনে জীৱনলৈ অনাবিল সপোনৰ সম্ভাৱনা, সুখ, শান্তি, আনন্দৰ, বতৰা। শৰতে মানুহক দিয়ে জীয়াই থকাৰ প্ৰেৰণা আৰু হেঁপাহৰ উন্মাদনা। ধৰালৈ শৰততে দেৱীৰ আগমন ঘটে আৰু এই সময় চোৱাত ভাৰতবৰ্ষৰ বিভিন্ন ঠাইত অনুষ্ঠিত হয় দুৰ্গতিনাশিনী দুৰ্গা পূজা। ইপিনে, ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ লগতে বিভিন্ন জাতি জনগোষ্ঠীৰ মিলন ভূমি ৰঙাপৰা সমষ্টিতো এই শাৰদীয় উৎসৱৰ বতৰাই অঞ্চলটোত এক উখল-মাখল পৰিৱেশৰ সৃষ্টি কৰিছে। ৰেল নগৰী, ভাৰতীয় সেনা, আৰু প্ৰায় ২০ ৰো অধিক সেউজীয়া চাহ বাগিচাসমূহৰে পৰিবেষ্টিত হৈ থকা ৰঙাপৰা নগৰখন এই দুৰ্গা পূজাৰ সময়ত এক উৎসৱমুখৰ পৰিৱেশে বিৰাজ কৰে। ইপিনে, প্ৰশাসনৰ যাৱতীয় নিয়ম অনুসৰি পূজা সমিতি সমূহে নিজ নিজ পূজাৰ প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰি তুলিবলৈ চেষ্টা অব্যাহত ৰাখিছে। এই বেলি ৰঙাপৰা থানা অধীনৰ পূজা অনুষ্ঠিত কৰিবলৈ লোৱা সমিতিসমূহ হ'ল ৰেলৱে লক ক'লনী, ভাৰতীয় সংঘ, হিন্দু গাঁও, নিউ ক'লনী, ৰেলৱে বজাৰ দুৰ্গা পূজা সমিতি, জ্যোতি নগৰ, নেপালী পট্টি নীল বস্তি, আমাৰ দুৰ্গা পূজা বেজবৰুৱা সংঘ, ডিপোটা পূজা সমিতি, বিষ্ণুপুৰ পূজা সমিতি, সনাতন ধৰ্ম ছয় পৃষ্ঠাত চাওক

**দেৰগাঁৱত শোকাবহ পথ দুৰ্ঘটনা**

## দ্ৰুতবেগী ৱাগনআৰে প্ৰাণ কাঢ়িলে শিল্পী, যুৱ সমাজকৰ্মী বিপ্লৱৰ

**অগ্ৰদূত বাৰ্তা**

**দেৰগাঁও, ২৯ ছেপ্টেম্বৰ ঃ** দেৰগাঁৱত ৩৭ নম্বৰ ঘাইপথৰ শান্তিপুৰত আজি পুৱাই সংঘটিত এক পথ দুৰ্ঘটনাত এজন শিল্পী সমাজকৰ্মী যুৱকে অকাল মৃত্যুক সাবটিব লগা এক ঘটনাই দেৰগাঁও শোকস্তব্ধ কৰি তোলে। তথ্য মতে, ৰাষ্ট্ৰীয় পথেৰে দেৰগাঁও নগৰ দিশৰ পৰা ৰঙামাটি দিশে গৈ থকা এখন ৱেগনাৰ বাহন আৰু আপাচি মটৰ চাইকেলৰ সংঘৰ্ষৰ ফলত সংঘটিত হয় এই দুৰ্ঘটনাটো। দেৰগাঁৱৰ নিৰ্মীয়মাণ ৰাষ্ট্ৰীয়পথত সংঘটিত হোৱা এই দুৰ্ঘটনাটোত মটৰ চাইকেল আৰোহী বিপ্লৱজ্যোতি বৰা অতি গুৰুতৰভাৱে আঘাতপ্ৰাপ্ত হয়। সংকটজনক অৱস্থাত তৎকালে তেওঁক চিৎসালয়লৈ প্ৰেৰণ কৰা হয় যদিও দেৰগাঁও সামূহিক চিকিৎসালয়তে যুৱকজনৰ মৃত্যু হয়। নিহত বিপ্লৱৰ ঘৰ আছিল দেৰগাঁৱৰ ব্ৰহ্মপুত্ৰ অঞ্চলৰ বগৰীয়নিত। শ্ৰীমন্ত শংকৰদেৱ সংঘৰ গোলাঘাট জিলা শাখাৰ কাৰ্যালয় সম্পাদকৰ দায়িত্বত থকা বিপ্লৱ বিভিন্ন সামাজিক, সাংস্কৃতিক অনুষ্ঠান-প্ৰতিষ্ঠানৰ লগত জড়িত থকাৰ লগতে এজন দক্ষ অভিনেতা তথা ছয় পৃষ্ঠাত চাওক

## তেজপুৰত সেনা বিষয়া-জোৱানৰে বাৰ্তালাপ প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙৰ

**ষ্টাফ ৰিপ'ৰ্টাৰ**

**তেজপুৰ, ২৯ ছেপ্টেম্বৰ ঃ** অসম-অৰুণাচলৰ তিনিদিনীয়া ভ্ৰমণসূচীলৈ কালি ৰাজ্যত উপস্থিত হোৱা দেশৰ প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিং আজি দিনত তেজপুৰত উপস্থিত হয়হি। ভাৰত-চীন আন্তঃৰাষ্ট্ৰীয় সীমান্তৰ সমীপৱৰ্তী তথা দেশৰ নিৰাপত্তাৰ ক্ষেত্ৰত অতি গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰি অহা সেনাৰ চতুৰ্থ ক'ৰ পৰিদৰ্শন কৰি প্ৰতিৰক্ষা মন্ত্ৰী সিঙে সেনা জোৱানসকলৰ স'তে মতবিনিময় কৰাৰ লগতে একেলগে আহাৰ গ্ৰহণ কৰে। মন্ত্ৰীজনৰ লগত জেনেৰেল মনোজ পাণ্ডে আৰু লেফটেনেণ্ট জেনেৰেল আৰ পি কলিতাও উপস্থিত থাকে। ইয়াত মন্ত্ৰীজনক সাম্প্ৰতিক পৰিস্থিতিৰ লগতে সেনাই গ্ৰহণ কৰা সকলো ব্যৱস্থাৱলীৰ বিষয়ে অৱগত কৰা হয়। চতুৰ্থ তথা গজৰাজ ক'ৰৰ



মুৰব্বী লেফটেনেণ্ট জেনেৰেল ডি এছ ৰাণাই মন্ত্ৰী সিঙক কাৰ্যকৰী পৰিস্থিতিৰ বিষয়ে অৱগত কৰাৰ বিপৰীতে প্ৰতিৰক্ষা মন্ত্ৰীজনে সেনাৰ উচ্চ মানৰ পেছাদাৰিত্ব আৰু কৰ্তব্যৰ প্ৰতি সমৰ্পণৰ বাবে তেওঁলোকক প্ৰশংসা কৰে। দেশৰ ভূখণ্ডৰ অখণ্ডতা আৰু সাৰ্বভৌমত্বক নিৰাপদে ৰক্ষা কৰাৰ ক্ষেত্ৰত অতি কঠিন পৰিস্থিতিৰ মাজতো অদম্য সাহস আৰু কৰ্তব্য নিষ্ঠাৰে চতুৰ্থ ক'ৰৰ সেনা বিষয়া জোৱানসকলে পালন কৰি অহা দায়িত্বক তেওঁ প্ৰশংসা কৰে।

**পকী দোকান গৃহৰ ওপৰত চলিল জেচিবি**

## ইটাখোলাত পুৱাই প্ৰশাসনৰ উচ্ছেদ

**অগ্ৰদূত বাৰ্তা**

**নদুৱাৰ, ২৯ ছেপ্টেম্বৰ ঃ** ইটাখোলাত বিশ্বনাথ জিলা প্ৰশাসনে আজি পুৱাৰ পৰাই চলায় উচ্ছেদ অভিযান। ইটাখোলা ব্যৱসায়িক কেন্দ্ৰস্থলৰ মাজমজিয়াত একাংশ পকী দোকান গৃহৰ ওপৰত চলিছে এই উচ্ছেদ অভিযান। চৰকাৰী ভূমি বেদখল কৰি একাংশ বেপাৰীয়ে পকী দোকান গৃহ নিৰ্মাণ কৰি ব্যৱসায় কৰি অহাৰ পাছত অঞ্চলটোত দিকৰাই সাপ্তাহিক বজাৰত সমস্যাৰ সৃষ্টি হোৱাৰ লগতে ছয় পৃষ্ঠাত চাওক



**শুকনাথ, ভায়া, আগনুহঁতৰ বাবে পূজাৰ জেলেপী, নতুন কাপোৰ এক বিলাসিতাৰ নামান্তৰ**

## পূজাৰ আনন্দ-উল্লাসে চুব নোৱাৰে কলিয়াবৰৰ একাংশ জনতাক

অগ্ৰদূত বাৰ্তা

কলিয়াবৰ, ২৯ ছেপ্টেম্বৰ ঃ শুকনাথ, ভায়া, আগনু, মহেন্দ্ৰহঁতৰ বাবে পূজাৰ জেলেপী, নতুন কাপোৰ যেন এক বিলাসিতাৰ নামান্তৰ। পুৱাৰ পৰা শোৱালৈকে জীৱন যুঁজৰ তাড়নাত ছট্‌ফটাই ৰোৱা কৰিয়াবৰৰ হাটবৰ গাঁও পঞ্চায়তৰ নিজৰি নামৰ অতি অনগ্ৰসৰ অঞ্চলটোৰ অন্তৰ্গত এইসকল জনতাৰ আজি আহৰি নাই পূজাৰ বাবে বিশেষ যোগাৰৰ। ধনৰ বাবেই পূজাৰ প্ৰস্তুতিৰ বাবে মনৰ অভাৱ ঘটিছে এইসকল লোকৰ। পুৱাই দিন হাজিৰাৰ বাবে নিজ জুপুৰিটোৰ পৰা ওলাই গৈ নিশা ঘৰলৈ উভতি অহা এইসকল লোকৰ বাবে যেন আজি পূজাৰ আনন্দ এক অব্যক্ত বেদনাহে। উল্লেখ্য যে হাটবৰ পঞ্চায়তৰ এইসকল মানুহ এক উদাহৰণহে। এনে বহু লোকেই আজি কলিয়াবৰত বঞ্চিত পূজাৰ আনন্দ-উল্লাসৰ পৰা। কাৰণ তেওঁলোকৰ থাকিবৰ বাবে নাই এখন ভাল ঘৰ, খাবৰ বাবে নাই এসাঁজ ভাত। ছয় পৃষ্ঠাত চাওক

**নগাঁও-মৰিগাঁও জিলাত প্ৰতি পদে পদে উলংঘন জল পৰিবহণ আইন**



## চুলিৰ আগত জীউটো লৈ দুৰ্বল পুৰণা ভটভটীৰে ব্ৰহ্মপুত্ৰৰ বুকুৰেদি যাত্ৰা

বিশেষ সংবাদদাতা

নগাঁও, ২৯ ছেপ্টেম্বৰ ঃ ব্ৰহ্মপুত্ৰৰ বুকুত ইটোৰ পাছত সিটোকৈ ভয়ংকৰ নাও দুৰ্ঘটনা সংঘটিত হোৱাৰ পাছতো নগাঁও আৰু মৰিগাঁও জিলাত ব্ৰহ্মপুত্ৰৰ বুকুত সকলো ধৰণৰ চৰকাৰী নীতি-নিৰ্দেশনাক উলংঘা কৰি আজিও চলাচল কৰি আছে শতাধিক সৰু-ডাঙৰ আওপুৰণি যন্ত্ৰ চালিত নাও (ভটভটী)। এই আওপুৰণি যন্ত্ৰ চালিত নাওসমূহতেই নিতৌ জিলা দুখনৰ বিভিন্ন চৰ-চাপৰি, নৈ পৰীয়া অঞ্চলৰ শ শ লোকে, গৰু, ম'হ, কৃষিজাত সামগ্ৰী, বিভিন্ন বয়-বস্তু সহিত অতি বিপদসংকুল যাত্ৰা অব্যাহত ৰাখিছে। অথচ যিকোনো মুহূৰ্তত এই নাও যাত্ৰীসকলৰ জীৱনলৈ চৰম দুৰ্যোগ নামি আহিব পৰাৰ সম্ভাৱনা থাকে। কিন্তু ইয়াৰ প্ৰতি কোনো ভ্ৰুক্ষেপেই নাই সংশ্লিষ্ট জিলা কেইখনৰ প্ৰশাসন, জল পৰিবহণ বিভাগ, ছয় পৃষ্ঠাত চাওক

দৈনিক অগ্ৰদূত

গুৱাহাটী শুকুৰবাৰ ১৩ আহিন ১৪২৯ ভাস্কৰাব্দ ৩০ ছেপ্টেম্বৰ ২০২২



# সজাগতাৰ প্ৰয়োজন

শিশুসকলৰ মানসিক স্বাস্থ্যৰ সন্দৰ্ভত এক উদ্বেগজনক তথ্য প্ৰকাশ পাইছে ইউনিচেফৰ এক প্ৰতিবেদনত। আন্তৰ্জাতিক সংস্থাটোৰ এই প্ৰতিবেদনত উল্লেখ কৰা অনুসৰি সাম্প্ৰতিক বিশ্বৰ ১০ৰ পৰা ১৯ বছৰ বয়সীয়া প্ৰতি সাতটা শিশু-কিশোৰৰ এটাই নানা ধৰণৰ মানসিক সমস্যাৰ সন্মুখীন হৈছে। ইউনিচেফে লগতে কৈছে যে ক'ভিড মহামাৰীয়েও বিশ্বজুৰি শিশু আৰু কিশোৰৰ মানসিক স্বাস্থ্যক নেতিবাচকভাৱে প্ৰভাৱিত কৰিছে। একে প্ৰতিবেদনত সংস্থাটোৱে উল্লেখ কৰা অনুসৰি বিশ্বত প্ৰতি বছৰে প্ৰায় ৪৬ হেজাৰ শিশু আৰু কিশোৰে আত্মহত্যা কৰি আহিছে আৰু সৰহ সংখ্যকৰে আত্মহননৰ অন্যতম এক কাৰণ হৈছে মানসিক অৱসাদ বা সমস্যা। এই সম্পৰ্কত আন এটি অতি গুৰুত্বপূৰ্ণ কথা হ'ল, বিশ্বত বৃহৎ সংখ্যক শিশু আৰু কিশোৰ সাম্প্ৰতিক সময়ত নানা মানসিক সমস্যাত আক্ৰান্ত হৈ অৱসাদত ভুগিছে যদিও এওঁলোকক সমস্যামুক্ত কৰাৰ বাবে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰা হোৱা নাই। শিশু আৰু কিশোৰৰ মাজত মানসিক সমস্যা পূৰ্বৰে পৰাই আছিল; কিন্তু ক'ভিডৰ পাছত এই সমস্যাটোৱে গুৰুতৰ ৰূপ ধাৰণ কৰে। সমীক্ষাত বিশ্বৰ প্ৰতি পাঁচজন যুৱকৰ এজনে স্বীকাৰ কৰি লৈছে যে তেওঁ প্ৰায়ে মানসিক সমস্যাৰ সন্মুখীন হৈ আহিছে। ক'ভিড কালত শিশু-কিশোৰৰ দৈনন্দিন জীৱন যাপন প্ৰক্ৰিয়াটো বহু সলনি হয় আৰু এই সময়ছোৱাত শিশুসকল নিয়মীয়া খেলা-ধূলা, বিনোদন, বন্ধু-বান্ধৱৰ সংগৰ পৰা বঞ্চিত হোৱাৰ বিপৰীতে ম'বাইল ফোন, ইন্টাৰনেটক লৈ অধিক ব্যস্ত থকাত তেওঁলোকৰ আচৰণগত পৰিৱৰ্তনে দেখা দিয়ে। ইউনিচেফৰ এই অধ্যয়নত বিশ্বৰ ২১ খন দেশৰ শিশুৱে স্বীকাৰ কৰিছে যে তেওঁলোকে এতিয়া অধিক খং অনুভৱ কৰে আৰু ভৱিষ্যতক লৈ চিন্তিত হৈছে।

ইউনিচেফৰ এই প্ৰতিবেদন অতিশয় উদ্বেগজনক। কেৱল ইউনিচেফেই নহয়, ইয়াৰ পূৰ্বে চলোৱা আন কেতবোৰ ৰাষ্ট্ৰীয় তথা আন্তঃৰাষ্ট্ৰীয় অধ্যয়নতো ক'ভিড কালত শিশু আৰু কিশোৰসকল মানসিকভাৱে বাধাগ্ৰস্ত হোৱাৰ তথ্য পোহৰলৈ আহিছিল। বিশেষজ্ঞসকলৰ মতে, ক'ভিডে তৰুণ প্ৰজন্মৰ স্বাস্থ্যৰ যিমান ক্ষতি কৰিছে, তাতোকৈ বহুগুণ অধিক মানসিক ক্ষতিসাধন কৰিলে। ক'ভিড কালছোৱাত কেৱল শিক্ষানুষ্ঠানেই নহয়, খেলা-ধূলা আৰু অন্যান্য বিনোদনৰ মাধ্যমো বন্ধ হৈ থকাত তৰুণ প্ৰজন্মই এক নতুন পৰিৱেশ-পৰিস্থিতিৰ মাজত জীৱন অতিবাহিত কৰিব লগা হয়। শিশু আৰু কিশোৰৰ স্বভাৱ পৰিৱৰ্তনত সবাতোকৈ অধিক প্ৰভাৱ পেলায় ম'বাইল ফোন আৰু ইন্টাৰনেটে। কৰ'না কালত শিক্ষাৰ মাধ্যম 'অনলাইন' হোৱাত অভিভাৱকে উপায়হীন হৈ কণমানি সন্তানৰ হাতত স্মাৰ্টফোন তুলি দিবলৈ বাধ্য হৈ পৰে আৰু একাংশ শিশু-কিশোৰে 'অনলাইন' অধ্যয়নৰ নামত ম'বাইল ফোন আৰু ইন্টাৰনেটৰ প্ৰতি আসক্ত হয়। ইন্টাৰনেটৰ মাধ্যমেৰে অনলাইন গেম, সামাজিক মাধ্যম আদিৰ স'তে পৰিচয় হোৱাৰ পাছত এতিয়া বহু শিশু-কিশোৰে দিনে-নিশাই ম'বাইল ফোনতে ব্যস্ত থকা পৰিলক্ষিত হৈছে। এইসকল তৰুণ প্ৰজন্মই ক'ভিডৰ আগমনৰ পূৰ্বে গ্ৰন্থ অধ্যয়ন, খেলা-ধূলা, সংগীত চৰ্চাসহ নানা সৃষ্টিশীল কাম-কাজত নিজক নিয়োজিত কৰিছিল; কিন্তু ক'ভিডৰ আগমনে শিশু-কিশোৰক এই সৃষ্টিশীল জগতখনৰ পৰা আঁতৰাই আনি তথাকথিত 'অনলাইন' আৰু 'ভাৰ্চুৱেল' জগতখনৰ স'তে পৰিচিত কৰাই দিলে। এইদৰে শিশু আৰু কিশোৰে বিকাশৰ স্বাভাৱিক পথ ত্যাগ কৰি 'ভাৰ্চুৱেল' জগতত অধিক সময় কটোৱাৰ ফলত স্বাভাৱিকতে তেওঁলোকে মানসিকভাৱে সমস্যাগ্ৰস্ত হৈছে।

শিশু-কিশোৰৰ মাজত ভয়াৱহ হোৱা সমস্যাক চিনাক্ত কৰাৰ পাছত এতিয়া সকলোৰে দায়িত্ব হ'ব এই সমস্যাৰ পৰা আমাৰ তৰুণ প্ৰজন্মক মুক্ত কৰাটো। এই ক্ষেত্ৰত মূল দায়িত্ব পালন কৰিব লাগিব অভিভাৱক আৰু শিক্ষাগুৰুৱে। অভিভাৱকে নিজৰ শিশুৰ শাৰীৰিক-মানসিক সমস্যাৰ দিশটোলৈ লক্ষ্য ৰাখিব লাগিব। ম'বাইল বা ইন্টাৰনেট আজিৰ জীৱন-যাত্ৰাৰ এক অংগ; কিন্তু ইয়াৰ অত্যধিক ব্যৱহাৰ যে হানিকাৰক; সেই কথা অভিভাৱকেই সন্তানক মৰমেৰে বুজাব লাগিব। শিক্ষকসকলেও দীৰ্ঘদিন নিয়মীয়া শিক্ষা পদ্ধতিৰ পৰা বঞ্চিত ছাত্ৰ-ছাত্ৰীসকলৰ বাবে শিক্ষাদান প্ৰক্ৰিয়াটো আকৰ্ষণীয় কৰি তুলিব পাৰিব লাগিব। অভিভাৱকে প্ৰয়োজনত সন্তানৰ মানসিক সমস্যা বা ম'বাইল আসক্তিৰ সমাধানৰ বাবে মনো চিকিৎসকৰ পৰামৰ্শ ল'ব পাৰিব। ক'ভিড পৰৱৰ্তী বিশ্বত শিশু-কিশোৰে সন্মুখীন হোৱা সমস্যাৰ প্ৰতি জ্যেষ্ঠসকল সজাগ-সচেতন হ'লে নিশ্চিতভাৱে তৰুণ প্ৰজন্ম উপকৃত হ'ব।

## খোলা মঞ্চ

# এবাৰ মন্ত্ৰীৰ গাদীত বহিলে....



বহু আশা আৰু প্ৰত্যাশাৰে প্ৰতি পাঁচ বছৰৰ মূৰে মূৰে জনসাধাৰণে তেওঁলোকৰ মূলতঃ অভাৱ-অভিযোগ তথা জ্বলন্ত সমস্যাসমূহ বাস্তৱত ৰূপায়িত কৰাৰ মানসেৰে প্ৰতিটো বিধানসভা তথা সংসদীয় সমষ্টিৰ পৰা একো একোজন বিধায়ক তথা সাংসদ নিৰ্বাচন যোগে নিৰ্বাচিত কৰি বিধানসভা আৰু লোকসভালৈ পঠিয়ায়। নিৰ্বাচনৰ সময়ত প্ৰতিটো ৰাজনৈতিক দলৰ নেতাই কথাৰ ফুলজাৰি মাৰি ভোটাৰ ৰাইজক পতিয়ন নিয়াই ভোট আদায় কৰে; কিন্তু নিৰ্বাচনী বৈতৰণী পাৰ হোৱাৰ পাছত এইসকল জনপ্ৰতিনিধি তথা ৰাজনীতিকে ক্ষমতা লাভ কৰি শাসনত অধিষ্ঠিত হোৱাৰ পাছত প্ৰলোভন আৰু মিছা আশ্বাস, মিছা প্ৰতিশ্ৰুতিৰে গণতান্ত্ৰিক শাসন ব্যৱস্থাক ভেঙুচালি কৰি দশকৰ পাছত দশক ধৰি সাধাৰণ জনতাক কিদৰে ৰামঠগন দি আহিছে তাক নতুনকৈ ব্যাখ্যা কৰাৰ প্ৰয়োজন নাই। আজিৰ ৰাজনীতিকসকলে মূল্যবোধৰ ৰাজনীতি ধোঁৱাচাঙত তুলি থৈ নিজৰ অভিষ্ট সিদ্ধি কৰাতহে নিমগ্ন হৈ পৰে। ফলত ৰাজনীতিৰ ক্ষেত্ৰখন দুৰ্নীতি-ভ্ৰষ্টাচাৰৰ ভূস্বৰ্গ হৈ পৰিছে। গণতান্ত্ৰিক দেশ এখনৰ চৰকাৰৰ মন্ত্ৰী বা বিধায়ক এজন তেওঁৰ পাঁচ বছৰীয়া কাৰ্যকালত কিমান কোটি টকা সঞ্চয় কৰিলে অথবা কিমান কোটি টকাৰ সা-সম্পত্তিৰ গৰাকী হ'ল তাৰ জানো কোনোবাই হিচাপ ৰাখিছে? মহামানৱ মহাত্মা গান্ধীয়ে এটা অতি গুৰুত্বপূৰ্ণ কথা কৈছিল যে যিসকলে প্ৰয়োজনতকৈ অধিক ধন সম্পত্তি মজুত কৰি ৰাখে, তেওঁলোক প্ৰকৃততে চোৰ আৰু তেওঁলোকে শাস্তি পোৱা উচিত। আজিৰ ভাৰতবৰ্ষত খঁকুৱাৰ বৃদ্ধিয়ে এনেদৰে সৰ্বগ্ৰাসী ৰূপ লৈছে যে দেশৰ সকলো সম্পদ তেওঁলোকৰ মাজৰ এজনৰ বাবেও যথেষ্ট নহয়। অৱশ্যে তাৰ মাজতো মন্ত্ৰীৰ আসন শুৱনি কৰা কিছু সৎ. নিষ্ঠাবান তথা আদৰ্শবান লোকৰ সামগ্ৰিক জীৱন যাত্ৰা প্ৰণালী অনুধাৱন কৰি চালে আমাৰ মনলৈ আহে শৰৎ সিংহ, গোলাপ বৰবৰা, লক্ষ্যধৰ চৌধুৰী, বিমলা প্ৰসাদ চলিহা, সোণেশ্বৰ বৰা আদিৰ নাম। এইসকল মন্ত্ৰীয়ে তেওঁলোকৰ কাৰ্যকালৰ সময়ত বক্ৰপথেৰে ধন ঘটাৰ প্ৰতি লালায়িত নহৈ প্ৰকৃততে নিঃস্বাৰ্থভাৱে দেশ, সমাজ তথা জাতিৰ স্বাৰ্থত কাম কৰিছিল। সৰ্বসাধাৰণ ৰাইজৰ কল্যাণৰ বাবে আৱন্টিত চৰকাৰী আঁচনিৰ ধন আত্মসাৎ কৰি বেংক বেলেঞ্চ বঢ়োৱা, দেশ-বিদেশে মাটি সম্পত্তি ক্ৰয় কৰি অগাধ সম্পত্তিৰ গৰাকী হৈ বিলাসী জীৱন-যাপন কৰাৰ অসৎ উদ্দেশ্য নাছিল বাবেই এইসকল প্ৰয়াত মন্ত্ৰীৰ নাম আজিও দেশৰ সাধাৰণ জনতাই শ্ৰদ্ধাৰে সোঁৱৰে। কোৱা বাহুল্য যে আজিৰ ৰাজনীতিবিদ তথা মন্ত্ৰী-বিধায়কসকলৰ সম্পত্তিৰ পাহাৰ দেখিলে চকু কপালত উঠে। এজন মন্ত্ৰী বা বিধায়ক হ'ল ৰাইজৰ প্ৰতিনিধি। ৰাইজে তেওঁলোকক নিৰ্বাচনযোগে দেশ তথা সমাজৰ স্বাৰ্থৰ হকে কাম কৰিবলৈ নিৰ্বাচিত কৰে। গতিকে এক কথাত ক'বলৈ গ'লে তেওঁলোক ৰাইজৰ প্ৰতি সততে দায়বদ্ধ হোৱা উচিত। কিন্তু তাকে নকৰি ক্ষমতা লাভ কৰাৰ পাছত যদি তেওঁলোকে ৰাইজৰ পৰা বিচ্ছিন্ন হৈ ৰাইজৰ অভাৱ-অভিযোগৰ প্ৰতি আওকাণ কৰি একান্তই নিজৰ আৰ্থিক অৱস্থা টনকিয়াল কৰাত নিমগ্ন হৈ পৰে, তেনেহ'লে সেইটো কোনোপধ্যে গ্ৰহণযোগ্য নহয়; বৰঞ্চ তেওঁলোকক ৰাইজৰ প্ৰতিনিধি বুলি কোৱাৰ সলনি ৰাইজৰ শত্ৰু বুলি কোৱা উচিত হ'ব বুলিহে আমি ভাবো।

**কুলেন বৰ্মন**, *লেখক*

*ফোন ঃ ৯৪৩৫৩৩৮৪১৯*



ইতিহাসৰ প্ৰথমগৰাকী কুৰুক্ষেত্ৰ ৰণৰ ধাৰাভাষ্যকাৰ সঞ্জয়।

# সঞ্জয় উৱাচ

## কেন্দ্ৰৰ মোদী চৰকাৰে ইতিমধ্যে চৰকাৰী সম্পত্তি ব্যক্তিগত পুঁজিপতিক বিক্ৰী কৰি তহিলং কৰিছে



**দৃষ্টিপাত**

**ড° খৰ্গেশ্বৰ ভূঞা**

মহাভাৰতত কুৰুক্ষেত্ৰ যুদ্ধৰ ধাৰাবাহিক বিৱৰণী দিবলৈ মহাৰাজ ধৃতৰাষ্ট্ৰৰ ৰথৰ সাৰথি আৰু ৰজাৰ নিত্যসংগী হৈ থকা সূত সঞ্জয়ক ব্যাসে দায়িত্ব দিছিল। যুদ্ধৰ প্ৰাক্ ক্ষণত অৰ্জুনক কৃষ্ণই জ্ঞাতিবধৰ বাদে উচটনি দি কিছুমান উপদেশ দিছিল— যিখিনি 'কৃষ্ণগীতা' ৰূপে জনা যায়। যুদ্ধৰ বিৱৰণীৰ ক্ষেত্ৰতেই হওক বা গীতাৰ বচনবোৰতেই হওক দুটা শব্দ বৰকৈ উচ্চাৰিত হৈছিল— শব্দ দুটা হ'ল— 'সঞ্জয় উৱাচ'— সঞ্জয়ে ক'লে। অপ্ৰাসংগিক হ'লেও এটা কথা উল্লেখ কৰি থ'ব লাগিব। বহুতে ভাবে যে সঞ্জয়ে হস্তিনাপুৰৰ ৰাজসভাত বহিয়েই কুৰুক্ষেত্ৰত চলি থকা যুদ্ধৰ চলন্ত বিৱৰণী দিছিল ব্যাসে দিয়া 'দিব্যদৃষ্টি'ৰ সহায়ত। প্ৰাচীন কালত আধুনিক বিজ্ঞান প্ৰযুক্তিৰ দৰেই সেই কালৰ এচামে সেইবোৰ জানি উন্নত যন্ত্ৰপাতি আৱিষ্কাৰ কৰিছিল বুলি ভবাসকলৰ মতে সঞ্জয়ে দূৰদৰ্শনৰ দৰে এটা যন্ত্ৰত দূৰৰ পৰাই যুদ্ধৰ দৃশ্য চাইছিল, অৱশ্যে যন্ত্ৰটোত ছবি কেৱল সঞ্জয়েহে দেখিছিল, কাৰণ তেওঁৰ দৰে দিব্যদৃষ্টি হস্তিনাপুৰৰ ৰাজসভাত বহি থকা অন্যসকলৰ নাই। হস্তিনাপুৰৰ পৰা কুৰুক্ষেত্ৰলৈ দ্ৰতবেগী ৰথেৰে গ'লে এবেলাৰ বাট। আচলতে সঞ্জয়ে হস্তিনাপুৰতে বহি থকা নাছিল, দ্ৰুতবেগী ৰথেৰে যুদ্ধক্ষেত্ৰলৈ গৈ যুদ্ধৰ বাতৰি সংগ্ৰহ কৰিছিল আৰু সেইবোৰ সজাই-পৰাই ধৃতৰাষ্ট্ৰৰ আগত বিবৃত কৰিছিল মাজে মাজে আহি। গতিকে 'দিব্যদৃষ্টি', 'দূৰদৰ্শন' ধৰণৰ অলৌকিক কল্পনা কৰাৰ দৰকাৰ নাই। এই বিষয়ে পূৰ্বতেও দীঘলীয়া ব্যাখ্যা দিয়া হৈছিল।

সঞ্জয়ৰ যুদ্ধ বৰ্ণনাৰ লগত বেছি নিমিলিলেও আজি-কালি অসম মুলুকৰ যিকোনো বিষয়তে মুখ্যমন্ত্ৰীয়েই মাতষাৰ দিয়া বা ব্যাখ্যা আগবঢ়োৱালৈ চালে 'সঞ্জয় উৱাচ'ৰ দৰে 'মুখ্যমন্ত্ৰী উৱাচ' বুলিবলৈ মন যায়। সকলোতে মাত মতাৰ সাংবিধানিক অধিকাৰ মুখ্যমন্ত্ৰীজনাৰ অৱশ্যে আছে, পিছে পূৰ্বৰ চৰকাৰবোৰৰ দৰে মুখপাত্ৰৰ হতুৱাই বা সংশ্লিষ্ট বিভাগৰ মন্ত্ৰীসকলৰ যোগেদি বিষয়বোৰৰ স্পষ্টীকৰণ, ব্যাখ্যা আদি দিয়াৰ কামটো নোহোৱালৈ চাই বাকীসকল মন্ত্ৰী আছে নে নাই, ধৰিবই নোৱৰা হৈ পৰিছে। পূৰ্বতে বিভিন্ন চৰকাৰৰ মুৰব্বীসকলে ইচ্ছামতে মন্ত্ৰীৰ সংখ্যা বঢ়াইছিল। তাৰ পাছত মন্ত্ৰীৰ সংখ্যা শাসকীয় বিধায়কৰ সংখ্যাৰ ২৫ শতাংশলৈ কমোৱাত বিধায়কৰ অসন্তুষ্টিৰ বিপদ বাঢ়িছিল। কংগ্ৰেছৰ দিনত অসমত ৰাজ্যিক মন্ত্ৰীৰ ক্ষমতা বিশিষ্ট সংসদীয় সচিব ধৰণৰ পদৰ সৃষ্টি কৰি সমস্যাৰ সমাধান কৰিছিল। আশ্চৰ্যজনকভাৱে কম সংখ্যাৰ মন্ত্ৰীৰ পদবোৰো এতিয়া (অসমৰ ক্ষেত্ৰত ১৯ জন) চৰকাৰৰ মুৰব্বীয়ে পূৰণ নকৰা হ'ল। গগৈ, সোণোৱালৰ পাছত এতিয়া ড° শৰ্মাইও মন্ত্ৰীৰ পদ কিছুমান পূৰণ নকৰাকৈ থৈছে। মাজতে মন্ত্ৰীসভাৰ সম্প্ৰসাৰণ ঘটালেও সেইখন অসম্পূৰ্ণ হৈ থাকি গ'ল। মন্ত্ৰিত্ব প্ৰয়াসী বিধায়কক আশাত বন্দী কৰি ৰখাৰ কিটিপ বুলিয়েই এয়া সাধাৰণতে বিবেচিত হয়।

ৰাজ্য চলোৱাৰ ক্ষেত্ৰত চৰকাৰৰ কাম-কাজ বাঢ়িছে, যিবোৰ কাম মন্ত্ৰীসকলে চম্ভালিব লাগে। এফালেদি মন্ত্ৰীৰ সংখ্যা সীমিত কৰি দিয়াৰ বাবে সমস্যা, আনফালেদি দিব পৰা মন্ত্ৰী পদবোৰো খালী ৰখাত একোজন মন্ত্ৰীয়েই বহুতো বিভাগ চলাব লগা হৈছে। দেখদেখকৈ এনে ভাৰাধিক্যই মন্ত্ৰীৰ কাৰ্যক্ষমতা নিশ্চিতভাৱে হ্ৰাস কৰে। 'মুখ্যমন্ত্ৰী উৱাচ'ৰ যোগেদি সকলোবোৰ ঠিকে-ঠাকে চলাৰ ঘোষণা কৰি থাকিলেও অভিজ্ঞসকলে জানে যে ঈপ্সিতভাৱে বিভাগীয় কামবোৰ সম্পন্ন হোৱা নাই। কিছুমান ৰাস্তা-ঘাট সাজি, বিনামূলীয়া আঁচনিৰ আতিশয্য ঘটাই এচামক কৃত্ৰিম সন্তুষ্টি দি, নিবনুৱাৰ ১০ শতাংশ মানক চাকৰি দি, ঢাল-তৰোৱাল নোহোৱা নিধিৰাম চৰ্দাৰৰ দৰে উপযুক্ত সা-সৰঞ্জাম আৰু ডাক্তৰ নথকা মেডিকেল কলেজ সাজি উন্নতিৰ জয়ঢোল বজাব পাৰি, কিন্তু ইয়াৰ বিপৰীতে কৰৰ বোজাৰে মধ্যবিত্তসকলক কেঁকোৰা চেপা দি, সামগ্ৰীৰ আকাশলংঘী মূল্যবৃদ্ধিৰে সকলোকে কোঙা কৰি, সোপাসোপে ঋণ লৈ বৰচুৰিয়াৰ ফেৰ দেখুৱালে উন্নতি নেদেখুৱাই অৱনতিৰহে নিৰ্দেশ কৰে। এইবোৰৰ লগতে মুখ্যমন্ত্ৰীজনাই সকলো ক্ষমতা নিজৰ হাতত ৰাখি বেছিভাগ মন্ত্ৰীকে নিষ্ক্ৰিয়ৰ দৰে কৰি ৰাখিলে অদূৰ ভৱিষ্যতত বিষম ফল ভুগিবলৈ অসমৰ ৰাইজ সাজু থাকিব লাগিব।

সকলো বিষয়তে 'মুখ্যমন্ত্ৰী উৱাচ' হৈ থাকিলেও সমস্যা গহীন হ'লে দায়িত্ব অন্য মন্ত্ৰীলৈও হস্তান্তৰিত হয়। যেনে গুৱাহাটী পৌৰ নিগমৰ কৰ সংগ্ৰহৰ দায়িত্ব ছত্তিচগড়ৰ বহিৰাগত কোম্পানীক দিয়াৰ ব্যৱস্থা হ'ল। এই বিষয়ে কেবিনেটত সিদ্ধান্ত হ'ল। পিছে গুৱাহাটীৰ তিনিগৰাকী বিধায়ক— অতুল বৰা, সিদ্ধাৰ্থ ভট্টাচাৰ্য আৰু ৰমেন্দ্ৰ নাৰায়ণ কলিতা কেবিনেটত উপস্থিত থকাৰ কথা নাই যদিও বিষয়টো এইসকলৰ লগত আলোচনা কৰিহে সিদ্ধান্ত ল'ব লাগিছিল। সেইদৰে চেয়াৰমেনজনে জনা যেন লাগিলেও ধৰি ল'ব পাৰি যে বাকীসকল নিৰ্বাচিত সদস্যই সিদ্ধান্তটোৰ বিষয়ে আনুষ্ঠানিকভাৱে নাজানে। গুৱাহাটীৰ তিনি বিধায়কে কথাটোত আপত্তি দৰ্শালে, তেওঁলোকে এই বিষয়ে নজনা বুলি ক'লে, ঢেকিয়াজুলিৰ বিধায়কে মন্ত্ৰী হ'লেও গুৱাহাটীৰ বিষয়ে কি জানিব বুলিলে, এজনে লগতে ক'লে যে এতিয়া গুৱাহাটীবাসীয়ে কিড়নি বেছি হ'লেও পৌৰ কৰ দিব লগা হ'ব ইত্যাদি। মুঠতে কেবিনেট আৰু বিশেষকৈ মুখ্যমন্ত্ৰীৰ স্বেচ্ছাৰিতা নিজৰ বিধায়কেই উদঙাই দিয়াত বিষয়টোকেই মন্ত্ৰী অশোক সিংহললৈ ঠেলি দিয়া হ'ল উত্তৰ দিবলৈ। সিংহলে গুৱাহাটীৰ বিধায়কৰ লগত আলোচনা কৰিব বুলি কৈছে; কিন্তু তেনে কৰাটো ঘোঁৰাৰ আগত গাড়ী বান্ধি দিয়াৰ দৰে কথা।

পৌৰ কৰ আদায় কৰিবলৈ বহিৰাগত কোম্পানীক দায়িত্ব দিয়াটো সঁচাকৈয়ে আপত্তিজনক। বিভাগীয় মন্ত্ৰীয়ে সদুত্তৰ দিব নোৱাৰি বিষয়টো কেন্দ্ৰীয় চৰকাৰলৈ ঠেলিছে। কৰ সংগ্ৰহৰ লগত ব্যক্তিগত কোম্পানী জড়িত কৰাটো হেনো কেন্দ্ৰীয় চৰকাৰৰ সিদ্ধান্ত, কেইখনমান ৰাজ্যই হেনো ইতিমধ্যে তেনে কাম কৰি সুফল লাভ কৰিছে। কেন্দ্ৰৰ মোদী চৰকাৰে ইতিমধ্যে চৰকাৰী/ৰাজহুৱা সম্পত্তি ব্যক্তিগত পুঁজিপতিক বিক্ৰী কৰি তহিলং (ৰাইজৰ স্বাৰ্থক) কৰিছে। ২০২৪ৰ নিৰ্বাচনত এইখন চৰকাৰ তৃতীয়বাৰ ক্ষমতালৈ আহিলে চৰকাৰী মন্ত্ৰী দপ্তৰবোৰৰ প্ৰয়োজনেই নাইকিয়া হ'ব; কাৰণ চৰকাৰী বুলিবলৈ একো নাথাকিলে মন্ত্ৰীয়ে কাক চলাব? ৰাজহুৱা সম্পত্তি বেচা কেন্দ্ৰীয় চৰকাৰৰ নীতি অসমলৈকো ব্যাপকভাৱে প্ৰসাৰিত হৈছে বাবে অসমৰ মন্ত্ৰীৰো কাম নাইকিয়া হ'ব, যি সামান্য কাম থাকিব সেয়া মুখ্যমন্ত্ৰীজনাই অকলেই দক্ষতাৰে সম্পন্ন কৰিব।

সি যি কি নহওক, পৌৰ নিগমৰ চেয়াৰমেন, ডেপুটী চেয়াৰমেনকে ধৰি ৬০ জন সদস্য আছে, নিগমৰ কাৰ্যালয়ৰ কৰ্মচাৰী আছে, চৰকাৰী বিয়াগোম বিভাগ আছে— এইসকলে যদি নিয়মিতভাৱে কৰখিনিয়েই সংগ্ৰহ কৰিব নোৱাৰে, তেন্তে তেওঁলোকৰ কাম কি? সময় মতে কৰ নিদিলে নিগমৰ নিয়মত নিশ্চয় কিবা শাস্তিৰ ব্যৱস্থা আছে। তেনেবোৰ ব্যৱস্থা কৰ নিদিয়াসকলৰ বিপক্ষে ল'ব নোৱাৰি নেকি? এতিয়া বহিৰাগত কোম্পানীয়ে কৰ সংগ্ৰহৰ কিবা বেলেগ পদ্ধতি ল'ব নেকি নিগমৰ আইন নামানি? আগৰ দিনত খাজনা দিব নোৱাৰিলে ঘৰৰ সম্পত্তি ঘটি-বাটি, গৰু গাই আদি কোৰোক কৰি নিয়াৰ নিয়ম আছিল। আজি-কালি তেনে নকৰিলেও মাটি লৈ যোৱাৰো ব্যৱস্থা আছে। ব্যক্তিগত কোম্পানীক কৰ সংগ্ৰহৰ দায়িত্ব দিলে এটা মোটা অংশ তেওঁলোকে পাব। আনহাতে, নিগমে নিজে কৰ তুলিলে সেইখিনি ধন সম্পূৰ্ণভাৱে নগৰীৰ উন্নতিৰ কামত লগাব পাৰে। শেষ কথাটো হ'ল— যদি কৰ সংগ্ৰহৰ কাম নিগমৰ মানুহৰ বাহিৰে অন্যক দিবই লাগে, তেন্তে স্থানীয় নিবনুৱা যুৱক-যুৱতী, স্থানীয় গোট কিছুমানকো দিব পাৰে।

> **ব্যক্তিগত কোম্পানীক ক'ৰ সংগ্ৰহৰ দায়িত্ব দিলে এটা মোটা অংশ তেওঁলোকে পাব। আনহাতে, নিগমে নিজে কৰ তুলিলে সেইখিনি ধন সম্পূৰ্ণভাৱে নগৰীৰ উন্নতিৰ কামত লগাব পাৰে। শেষ কথাটো হ'ল— যদি কৰ সংগ্ৰহৰ কাম নিগমৰ মানুহৰ বাহিৰে অন্যক দিবই লাগে, তেন্তে স্থানীয় নিবনুৱা যুৱক-যুৱতী, স্থানীয় গোট কিছুমানকো দিব পাৰে।**

জনামতে সকলোবোৰ নগৰ-চহৰতে সম্পত্তি কৰ পুনৰ্নিৰ্ধাৰিত হ'ব। বহুকাল ধৰি পুৰণি কৰ ব্যৱস্থা চলি থকাৰ পাছত ইয়াৰ সংশোধনী হ'বই পাৰে। পিছে গুৱাহাটীৰ কৰ সংগ্ৰহৰ ব্যৱস্থাত বহিৰাগত ব্যক্তিগত খণ্ডৰ কোম্পানীক মূৰ সুমুৱাবলৈ দিয়াৰ পাছত ব্যৱস্থাটো অসমৰ পৌৰসভাবোৰ আৰু আনবোৰ নগৰ সমিতিলৈও প্ৰসাৰিত হ'ব পাৰে। বিৰোধী দলসমূহ, সংগঠনসমূহকে ধৰি অসমৰ ৰাইজে আপত্তি কৰিলেও ব্যক্তিগত খণ্ডক সম্পত্তি গতোৱা বা দায়িত্ব দিয়াৰ ব্যৱস্থাটো চৰকাৰে প্ৰত্যাহাৰ নকৰে বুলিয়েই অভিজ্ঞতাই কয়। অৱশ্যে নিজ দল তথা মৰ্চাৰ বিধায়কে কৰা আপত্তিয়ে হয়তো কিছু ফল দিব, যদিহে তেওঁলোকৰ আপত্তিবোৰ আন্তৰিক হয় আৰু দলনেতাই তেওঁলোকক সৈমান কৰি নেপেলায়।

যিবোৰ কামত এচামৰ হ'লেও অকুণ্ঠভাৱে প্ৰশংসা পোৱা যায়, সেইবোৰত 'মুখ্যমন্ত্ৰী উৱাচ' বেছিকৈ হয়, তাত অন্য মন্ত্ৰীয়ে বৰকৈ সুবিধা নাপায়। তেনে এটা বিষয় হ'ল সম্প্ৰতি 'দিলো' বুলি ঢোল কোবাই থকা নিযুক্তিৰ প্ৰসংগটো। বাতৰি মতে বিভিন্ন বিভাগত চাকৰিবোৰ দিয়া হৈছে যদিও বিভাগীয় মন্ত্ৰীসকলে ইয়াৰ কৃতিত্ব ল'বলৈ সুবিধা পোৱা নাই। মুখ্যমন্ত্ৰীৰ সোঁৰে-বাঁৰে থকা মন্ত্ৰী দুজনে মাজে মাজে মাতষাৰ দিয়ে, পিছে সেয়া বিৰোধীৰ মাত বন্ধ কৰিবলৈ দিয়া ভাষ্যহে। চাকৰিৰ সম্পৰ্কত পুৰণি কথা এটা মনত পৰিল। কেন্দ্ৰত কংগ্ৰেছৰ প্ৰধানমন্ত্ৰী ইন্দিৰা গান্ধী আৰু অসমত কংগ্ৰেছৰে মুখ্যমন্ত্ৰী শৰৎ চন্দ্ৰ সিংহ থকাৰ দিনত ১৯৭৫ত 'half a million job'ৰ এখন আঁচনিত পাঁচ লাখ নিবনুৱাক চাকৰি দিব খুজিছিল, তাৰে বোধহয় ২৫ হেজাৰমান অসমৰ ভাগতো পৰিছিল। চাকৰিবোৰৰ দৰমহা আছিল ১৫০ টকা। তেতিয়াৰ দিনত প্ৰাথমিক বিদ্যালয়ৰ শিক্ষক, নিম্নবৰ্গ সহায়ক আদিয়েই ৩০০ টকাতকৈ বেছি দৰমহা পাইছিল, গতিকে ডেৰশ টকা মুঠ দৰমহা পৰিমাণটো তেনেই কম আছিল। তথাপি নিবনুৱা সমস্যাৰ ৰাজ্য তথা দেশখনত সেইখিনি চাকৰি তৃষ্ণাতুৰে পানী এটোপা পোৱাৰ দৰে আছিল। আচলতে চাকৰিৰ নামত এইবোৰে নিবনুৱাক প্ৰবঞ্চনাহে কৰিছিল।

এতিয়া ২৩ নৱেম্বৰত দিয়া এঘাৰ হেজাৰ চাকৰিৰে হেনো চাৰি হেজাৰ মানৰেই দৰমহা মাত্ৰ দহ হেজাৰ টকা। তাৰো আগতে দিয়া ত্ৰিশ হেজাৰ চাকৰিও বুজন সংখ্যক আছিল টিউটৰ ধৰণৰ চাকৰি য'ত দৰমহাৰ পৰিমাণ দহৰ পৰা পোন্ধৰ হেজাৰমানহে। এইসকলৰ চাকৰিত মৰগীয়া বানচ, বছেৰেকীয়া বৃদ্ধি আৰু আন সুবিধাসমূহো নাথাকে। টিউটৰসকলৰ বহুতেই ভেঞ্চাৰৰ ৰূপত কমেও ১০ বছৰমান ধৰি ৩০০/৪০০ টকাত চাকৰি কৰি থকা লোক। চাকৰিবোৰৰ মাজত অৱশ্যেই উচ্চ বা যথোচিত দৰমহাবোৰো আছে। সেইবোৰ বাদ দিলে তেনেই কম দৰমহাৰে চাকৰিৰ সংখ্যা বঢ়োৱাবোৰক লৈ বৰকৈ চিঞৰ-বাখৰ কৰাৰ অৰ্থ নাই।

মুখ্যমন্ত্ৰী উৱাচত সাংবাদিকসকলক হেনস্থা কৰাৰো বিষয় অন্তৰ্ভুক্ত হয়। দুদিনমানৰ আগতে এচাম সাংবাদিকক মুখ্যমন্ত্ৰীয়ে তুলাধুনা (নিউজ লাইভৰ মতে— 'তুলাধূনা', তুলা ধুনেহে, আনহাতে, ধূনা এবিধ দ্ৰব্য যাক পুৰিলে সুগন্ধ ওলায়) দিলে বোলে আজি-কালি ৰাইজে সাংবাদিকসকলক বেয়া পায়, কাৰণ চৰকাৰৰ 'মহৎ' কাম অৰ্থাৎ এক লাখক চাকৰি দিয়াক লৈ তেওঁলোকে নানা বিৰূপ সমালোচনা কৰিছে। এজন বিজ্ঞ লোকে কৈছে যে ৰাইজে সাংবাদিকক বেয়া পাইছে সেয়া সঁচা, যিসকল সাংবাদিকে চৰকাৰ বিশেষকৈ মুখ্যমন্ত্ৰীৰ প্ৰচাৰক হিচাপে কাম কৰি আছে সেইসকল সাংবাদিককহে বেয়া পায়। সৎ, সাহসী, ৰাইজৰ পক্ষত থকা, চৰকাৰৰ দুৰ্নীতিক নিৰ্ভীকভাৱে উদঙাই দিয়া সাংবাদিকক ৰাইজে ভাল পায় আৰু তেনে সাংবাদিক অসমত এতিয়াও বহুত আছে।

সাংবাদিকৰ কথা আহিল যেতিয়া আৰম্ভণিতে উল্লেখনীয় কথা কুৰুক্ষেত্ৰ যুদ্ধৰ ধাৰা বিৱৰণী দিয়া সঞ্জয়ৰ প্ৰসংগৰে লিখনি সামৰা যাওক। যুদ্ধস্থলীত নিজে উপস্থিত থাকি সংবাদ সংগ্ৰহ কৰা আৰু সেই সংবাদ জুকিয়াই ধৃতৰাষ্ট্ৰ তথা হস্তিনাপুৰৰ ৰাজসভাত আনুপূৰ্বিক বৰ্ণনা কৰা সঞ্জয়ক পণ্ডিতসকলে প্ৰাচীন কালৰ পৃথিৱীৰ প্ৰথম সমৰ সাংবাদিক বুলি গণ্য কৰে। এওঁ কৌৰৱ পক্ষৰ ধৃতৰাষ্ট্ৰৰ নিত্য সংগী। আনহাতে, পাণ্ডৱ পক্ষৰ অৰ্জুনৰ বন্ধু; তথাপি তেওঁক নিৰপেক্ষ সাংবাদিক বুলি ধৰা হয়। নিশাৰ ভাগত সঞ্জয়ে দুয়োপক্ষৰ ছাউনিলৈ গৈ সংবাদ সংগ্ৰহ কৰিছিল।

বুধিয়ক কৃষ্ণই সঞ্জয়ৰ পৰা কৌৰৱ পক্ষৰ পিছদিনাৰ যুদ্ধ প্ৰস্তুতিৰ গোপন খবৰ লৈছিল সঞ্জয়ৰ জ্ঞাতে বা অজ্ঞাতে। পিছলৈ সঞ্জয়ে পাণ্ডৱ পক্ষৰ প্ৰতি পক্ষপাতিত্ব কৰিছিল বুলি সন্দেহ হয়। আনহাতে, যুদ্ধৰ শেহ দিনা নিশা সঞ্জয়ে কুৰুক্ষেত্ৰত ঘূৰি ফুৰোতে সাত্যকি আৰু পাণ্ডৱৰ সেনাপতি ধৃষ্টদ্যুম্নই তেওঁক ৰথত বান্ধি চোঁচৰাই লৈ ফুৰিছিল। শেষত সঞ্জয়ক হত্যা কৰিব খোজোতে ব্যাসে আহি বাধা দিলে। এয়া বিজয়ী পক্ষৰ বিশ্বৰ প্ৰথম সাংবাদিকক অত্যাচাৰ তথা হত্যা কৰিব খোজাৰ উদাহৰণ। এতিয়াৰ শাসকসকলেও চৰকাৰৰ বিপক্ষে কোৱা সাংবাদিকক নিগ্ৰহ কৰিব পাৰে। সেইসকলক বচাবলৈ এতিয়া কোনো ব্যাসদেৱ নাহে, গতিকে নিজেই নিজৰ গা বচাই ফুৰা ভাল।

*ফোন ঃ ৮১৩৫৮৩৫২১৯*

**নিবন্ধৰ অভিমত লিখকৰ নিজস্ব ঃ সম্পাদকীয় কলমতহে কেৱল কাকতৰ নীতি প্ৰতিফলিত হয়। — সম্পাদক**

# পিএফআইক নিষিদ্ধ ঃ দমন নে সময়ৰ প্ৰয়োজন?

## ইছলামিক দেশ গঠনৰ ক্ষেত্ৰত ধৰ্মনিৰপেক্ষ ভাৰতীয় ৰাষ্ট্ৰৰ মৌলিক বাধা

**চাহাবুদ্দিন আহমেদ**

**বিগত** কে'বাদিন ধৰি কেন্দ্ৰীয় চৰকাৰৰ নিৰ্দেশনাত সমগ্ৰ দেশজুৰি পপুলাৰ ফ্ৰন্ট অৱ ইণ্ডিয়া (পিএফআই) আৰু ইয়াৰ সহযোগী বা সংযুক্ত বা মৰ্চাসমূহৰ নেতা-সদস্যৰ বিৰুদ্ধে অভিযান চলাই আহিছে। অভিযান কালত পিএফআইৰ প্ৰায় আঢ়ৈশ নেতা-সদস্যক আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছে। কেন্দ্ৰীয় অনুসন্ধানকাৰী সংস্থা (নিয়া), ইডি আৰু স্থানীয় আৰক্ষীৰ এই যৌথ অভিযানৰ মাজতে কেন্দ্ৰীয় চৰকাৰে সংগঠনটোৰ লগতে ইয়াৰ সহযোগী সংগঠনসমূহক তাৎক্ষণিকভাৱে কাৰ্যকৰী হোৱাকৈ পাঁচ বছৰৰ বাবে নিষিদ্ধ ঘোষণা কৰিছে। চৰকাৰী অধিসূচনাত উল্লেখ কৰা হৈছে পিএফআই আৰু ইয়াৰ সহযোগী বা সংযুক্ত বা মৰ্চাসমূহে মুকলিকৈ এক আৰ্থ-সামাজিক, শৈক্ষিক আৰু ৰাজনৈতিক সংগঠনৰূপে কাম কৰি আহিছে, কিন্তু তেওঁলোকে গণতন্ত্ৰৰ ধাৰণাটোক ভেঙুচালি কৰাৰ দিশত কাম কৰা সমাজৰ এক বিশেষ শ্ৰেণীক উগ্ৰপন্থী কৰি তুলিবলৈ আৰু দেশৰ সাংবিধানিক কৰ্তৃত্ব আৰু সাংবিধানিক গঠনৰ প্ৰতি সম্পূৰ্ণ অসন্মান কৰিবলৈ এক গোপন কাৰ্যসূচী অনুসৰণ কৰি আহিছে। তদুপৰি অধিসূচনাত পিএফআই আৰু ইয়াৰ সহযোগী বা সংযুক্ত বা মৰ্চাসমূহে দেশৰ অখণ্ডতা, সাৰ্বভৌমত্ব আৰু নিৰাপত্তাৰ প্ৰতি ক্ষতিকাৰক আৰু দেশৰ শান্তি আৰু সাম্প্ৰদায়িক সম্প্ৰীতি বিঘ্নিত কৰাৰ সম্ভাৱনা থকা কামত লিপ্ত হৈ আহিছে বুলি উল্লেখ কৰা হৈছে। আনহাতে, পিএফআইৰ কিছুমান প্ৰতিষ্ঠাপক সদস্য ষ্টুডেণ্টছ ইছলামিক মুভমেণ্ট অৱ ইণ্ডিয়া (ছিমি)ৰ নেতা আৰু পিএফআইৰ জামাত-উল-মুজাহিদীন বাংলাদেশ (জেএমবি)ৰ স'তে সম্পৰ্ক আছে যি দুয়োটা সংগঠনক ইতিমধ্যে নিষিদ্ধ ঘোষণা কৰা হৈছে। তদুপৰি আইছিছৰ দৰে নৃশংস সন্ত্ৰাসবাদী সংগঠনৰ স'তে পিএফআইৰ আন্তঃৰাষ্ট্ৰীয় সম্পৰ্ক থকাৰ কে'বাটাও প্ৰমাণ আছে বুলি অধিসূচনাত প্ৰকাশ কৰা হৈছে। অধিসূচনাত আৰু উল্লেখ কৰা মতে, পিএফআই আৰু ইয়াৰ সহযোগী মৰ্চাসমূহে দেশত নিৰাপত্তাহীনতাৰ ভাৱনাক প্ৰসাৰিত কৰি এটা সম্প্ৰদায়ক সন্ত্ৰাসবাদী কাৰ্যকলাপত জড়িত কৰাৰ উদ্দেশ্যে গোপনে কাম কৰি আহিছে। ইয়াৰ অংশৰূপে পিএফআইৰ একাংশ সদস্যই আন্তঃৰাষ্ট্ৰীয় সন্ত্ৰাসবাদী সংগঠনত যোগদান কৰাৰ তথ্য প্ৰকাশ পাইছে। উল্লেখ্য যে ৰাষ্ট্ৰীয় তদন্তকাৰী সংস্থা (নিয়া), প্ৰৱৰ্তক সঞ্চালকালয় (ইডি) আৰু ৰাজ্যিক আৰক্ষীয়ে সমগ্ৰ দেশতে পিএফআইৰ নেতা-সদস্যসকলৰ ঘৰ আৰু কাৰ্যালয়ত তালাচী চলায়। দেশৰ ১৫খন ৰাজ্যৰ ৯৩টা স্থানত চলোৱা তালাচীত আঢ়ৈশ পিএফআইৰ সদস্যক গ্ৰেপ্তাৰ কৰা হৈছে। মন কৰিবলগীয়া যে পিএফআইৰ নেতা আৰু সদস্যসকলক সন্ত্ৰাসবাদ আৰু সন্ত্ৰাসবাদী কাৰ্যকলাপৰ বাবে পুঁজিৰ যোগান, সশস্ত্ৰ প্ৰশিক্ষণ প্ৰদান আৰু নিষিদ্ধ সংগঠনত যোগদান কৰিবলৈ মৌলবাদী তথা উগ্ৰপন্থীকৰণ কৰা আদিৰ স'তে জড়িত থকাৰ অভিযোগত নিয়া (এনআইই)ই ৰুজু কৰা পাঁচটা গোচৰৰ তদন্তৰ অন্তত কেন্দ্ৰীয় চৰকাৰে এই সিদ্ধান্ত গ্ৰহণ কৰে।

ইপিনে, কেন্দ্ৰীয় চৰকাৰৰ এনে কাৰ্যৰ বিৰুদ্ধে ৰাষ্ট্ৰজুৰি মিশ্ৰিত প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। বিজেপি নেতৃত্বাধীন কেন্দ্ৰীয় চৰকাৰে দেশৰ মুছলমানসকলক দমন আৰু চাপৰ মাজত ৰাখিবলৈ এই সিদ্ধান্ত গ্ৰহণ কৰা বুলি কেতবোৰ মহলে অভিযোগ কৰিছে। আনহাতে, সংগঠনটোৰ নিষিদ্ধ কৰাৰ সপক্ষে বহু মুছলমান নেতাই মতপোষণ কৰিছে। ইয়াৰ ভিতৰত ইছলামিক লেখক তথা ছুফী ইছলামিক ব'ৰ্ডৰ ৰাষ্ট্ৰীয় সভাপতি মনছুৰ খান অন্যতম। পিএফআইক নিষিদ্ধ ঘোষণাৰ সন্দৰ্ভত তেওঁ কৈছে, যেতিয়াৰ পৰা চৰকাৰে পিএফআইৰ ওপৰত নিষেধাজ্ঞা আৰোপ কৰিছে, তেতিয়া বহুলোকে বিশেষকৈ সংগঠনটোৰ প্ৰতি সহানুভূতিশীলসকলে ইয়াৰ বিৰুদ্ধে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিছে। একাংশই ইয়াক মুছলমানৰ বিৰুদ্ধে লক্ষ্য কৰি বৈষম্যমূলক আচৰণ বুলি অভিহিত কৰিছে। চৰকাৰৰ পদক্ষেপৰ বিচাৰ কৰাৰ আগতে সংগঠনটোৰ কাৰ্যকলাপ আৰু কাৰ্যপ্ৰণালীৰ ওপৰত চকু দিয়াৰ প্ৰয়োজন। উগ্ৰপন্থী আদৰ্শক সমৰ্থন কৰি পিএফআইয়ে গণতন্ত্ৰ আৰু ধৰ্মনিৰপেক্ষতাক ঘৃণা কৰে আৰু ধাৰণা কৰে যে ভাৰতৰ সংবিধান ইছলামৰ মৌলিক নীতিৰ স'তে অসংগত। পিএফআইয়ে সদায় গুৰুত্ব আৰোপ কৰি আহিছে যে এজন প্ৰকৃত মুছলমানে ভাৰতৰ সংবিধানৰ প্ৰতি বিশ্বাস বা আনুগত্য প্ৰকাশ কৰিব নোৱাৰে। ই ইছলামৰ প্ৰচাৰৰ বাবে বলপ্ৰয়োগক ন্যায়সংগত কৰে মুছলমানক আমূল শিক্ষা প্ৰদান কৰে আৰু ভাৰতীয় উপ-মহাদেশৰ খিলঞ্জীয়া (থলুৱা) সহযোগী ইছলামক এক আমূল বৰ্জনীয় সংস্কাৰৰ স'তে সলনি কৰিব বিচাৰে। ইছলামিক দেশ গঠনৰ ক্ষেত্ৰত ধৰ্মনিৰপেক্ষ ভাৰত ৰাষ্ট্ৰৰ মৌলিক বাধা। প্ৰতি বছৰে পিএফআইয়ে জাকাতৰ নামত কোটি কোটি টকা সংগ্ৰহ কৰে। দৰিদ্ৰ লোকসকলক তেওঁলোকৰ জাকাতৰ ধন পিএফআইৰ দৰে সংগঠনক দান কৰাত সহায় কৰাৰ আশাত নিৰীহ অজ্ঞ মুছলমানসকল বন্দী হৈ পৰে। অৱশ্যে তেওঁলোকৰ কেইজনমানেহে জানে যে পিএফআইয়ে শেহতীয়াকৈ ইডিৰ ওচৰত প্ৰকাশ কৰিছে যে তেওঁলোকে লাভ কৰা অনুদানৰ এটা ছাহিনবাগৰ মুখ্য কাৰ্যালয়ত নগদ ধন হিচাপত ৰখা হয়; কিন্তু ইয়াৰ কোনো সঠিক হিচাপ নাই। ইডিৰ অনুসন্ধানত সমগ্ৰ দেশতে 'কা' বিৰোধী আন্দোলনৰ বাবে ধনৰ এটা অংশ ব্যয় কৰা হৈছিল। পৱিত্ৰ কোৰান শ্বৰীফত আল্লাহে কৈছে 'ভিক্ষা কেৱল দৰিদ্ৰ-নিঃসহায় লোকসকলৰ বাবে, বন্দীসকলক মুক্ত কৰিবলৈ, ঋণত থকাসকলৰ বাবে, আল্লাৰ উদ্দেশ্যৰ বাবে, ইত্যাদি।' সেয়েহে সীমিত জ্ঞান থকা যিকোনো লোকেও সহজে বুজি পাব যে পিএফআই এই শ্ৰেণীবোৰৰ কোনো এটাত নপৰে।



'পিএফআইৰ এজন জ্যেষ্ঠ সদস্য আছে যাক সেই কাৰ্যত সদস্যসকলক অস্ত্ৰ, আশ্ৰয় আৰু বিত্ত যোগানৰ সময়ত প্ৰতিদ্বন্দ্বীসকলক আক্ৰমণৰ দায়িত্ব দিয়া হৈছে। ২০০৮ত বাংগালুৰুত অনুষ্ঠিত পিএফআইৰ পদযাত্ৰাৰ পতাকা বহনকাৰী ছাদিকে বিজেপিৰ জ্যেষ্ঠ নেতা প্ৰাক্তন উপ-প্ৰধানমন্ত্ৰী লালকৃষ্ণ আদৱানীৰ নিৰাপত্তা বিষয়ৰে জড়িত এজন এনএছজি কমাণ্ডোক হত্যা কৰিছিল বুলি প্ৰকাশ কৰিছিল পিএফআইয়ে উপসাগৰীয় দেশসমূহত কাম কৰা ভাৰতীয় মুছলমানসকলৰ পৰা ধন সংগ্ৰহ কৰি দেশলৈ প্ৰেৰণ কৰে।' এনে বহু গুৰুতৰ অভিযোগ কৰি ছুফী ইছলামিক ব'ৰ্ডৰ সভাপতিজনে শেষত তুৰ্কী লেখক হাৰুণ য়াহিয়াইৰ এটা বাক্য উদ্ধৃতি দিছে। য'ত কোৱা হৈছে— 'ইছলাম ধৰ্মই কোনো প্ৰকাৰে সন্ত্ৰাসবাদৰ সন্মুখীন হ'ব নোৱাৰে। ইয়াৰ বিপৰীতে ইছলামত সন্ত্ৰাস এক গুৰুতৰ পাপ আৰু মুছলমানসকলে এই কাৰ্যবোৰ প্ৰতিৰোধ কৰা আৰু বিশ্বলৈ শান্তি আৰু ন্যায় অনাৰ বাবে দায়বদ্ধ।' তথ্যৰ ওপৰত ভিত্তি কৰি এটা সংগঠনক নিষিদ্ধ কৰাটো চৰকাৰৰ দায়িত্ব বুলি উল্লেখ কৰি ছুফী নেতাজনে কয় যে সেই সত্য আদৰ্শত নিৰ্ণয় হ'ব; কিন্তু আমি মানুহ হিচাপে এই সিদ্ধান্তক সমৰ্থন কৰিব লাগিব যাতে সমাজত ঘৃণা আৰু হিংসা বিয়পা বন্ধ কৰি দেশখনত বাস কৰাৰ এক সুন্দৰ পৰিৱেশৰ সৃষ্টি হয়। মন কৰিবলগীয়া যে পিএফআইৰ বিৰুদ্ধে প্ৰথমৰে পৰা ছুফী নেতাজনে মাত মাতি আহিছে। তেওঁৰ শেহতীয়া এই মতামত তাৎপৰ্যপূৰ্ণ বিবেচিত হৈছে। পিএফআইৰ উত্থান পৰৱৰ্তী সময়ত আলোচনা কৰা হ'ব।

*ফোন ঃ ৮৪৮৬২৯৯২৫১*



## ফ্ল’ৰিডাত ইয়ান ধুমুহাৰ তাণ্ডৱত মৃত্যু দুজন লোকৰ

**নিউজ ব্যুৰ’, ফ্ল’ৰিডা, ২৯ ছেপ্টেম্বৰ ঃ** আমেৰিকাৰ ফ্ল’ৰিডাত ইয়ান ধুমুহাই তাণ্ডৱ চলালে। অঞ্চলটোৰ ফ’ৰ্ট মায়ৰ্ছ চহৰত ধুমুহাই সৰ্বাধিক ক্ষতি কৰিলে। এই ধুমুহাৰ গতিবেগ আছিল প্ৰতি ঘণ্টাত ২৫০ কিলোমিটাৰ। প্ৰচণ্ড ধুমুহাৰ লগতে হোৱা প্ৰবল বৃষ্টিপাতত অঞ্চলটোত ত্ৰাসৰ সৃষ্টি হৈছিল। ধুমুহাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰশাসনে ৮.৫ লাখ বাসগৃহত বিদ্যুতৰ যোগান বন্ধ ৰাখে। তথ্য অনুসৰি, এই ধুমুহাত অঞ্চলটোৰ ২০ লাখ লোক প্ৰভাৱিত হ’ল। ইয়ান ধুমুহাই ফ্ল’ৰিডাৰ দুজন বাসিন্দাৰ প্ৰাণ কাঢ়িলে। তদুপৰি এই ধুমুহাৰ ফলত এখন নাৱৰে যাত্ৰা কৰা ২৩ জন যাত্ৰী সন্ধানহীন হৈ আছে। ষ্ট’ক দ্বীপপুঞ্জৰ ওচৰৰ ধুমুহাৰ সময়ত সাগৰত সৃষ্টি হোৱা প্ৰবল ঢৌত এখন নৌকা ডুব যোৱাৰ ফলত উক্ত নাৱত থকা ২৩ জন যাত্ৰী সন্ধানহীন হয়।

## অহা বছৰৰ পৰাহে ব্যক্তিগত গাড়ীত বাধ্যতামূলক হ’ব ন্যূনতম ছটা এয়াৰবেগ



নিউজ ব্যুৰ’, নতুন দিল্লী, ২৯ ছেপ্টেম্বৰ ঃ কেন্দ্ৰীয় পথ পৰিবহণ আৰু ঘাঁইপথ মন্ত্ৰী নীতিন গাডকাৰীয়ে আজি ঘোষণা কৰি কয় যে অহা বছৰৰ অক্টোবৰৰ পৰা দেশত এম ৱান শ্ৰেণীৰ ব্যক্তিগত গাড়ীত কমেও ছটা এয়াৰবেগ থকাটো বাধ্যতামূলক হ’ব। উল্লেখ্য যে গাড়ীচালকৰ আসনৰ বাদে আঠ আসন বিশিষ্ট গাড়ীক এম ৱান শ্ৰেণীত অন্তৰ্ভুক্ত কৰা হয়। পূৰ্বে কেন্দ্ৰীয় চৰকাৰে চলিত বৰ্ষৰ পহিলা অক্টোবৰৰ পৰা যাত্ৰীৰ নিৰাপত্তা নিশ্চিতকৰণৰ বাবে ব্যক্তিগত বাহনত কমেও ছটা এয়াৰবেগ বাধ্যতামূলক কৰা হ’ব বুলি ঘোষণা কৰিছিল। আজি এই সিদ্ধান্ত স্থগিত ৰাখি গাডকাৰীয়ে কয় যে সাম্প্ৰতিক পৰিস্থিতিত অট’মবাইল উদ্যোগে এয়াৰবেগৰ যোগানৰ সমস্যাত ভোগা হেতুকে ব্যক্তিগত গাড়ীত কমেও ছটাকৈ এয়াৰবেগৰ ব্যৱস্থা কৰাটো পহিলা অক্টোবৰত ২০২৩ৰ পৰা ভাৰতত বাধ্যতামূলক কৰা হ’ব।

## সেনাক অপমানৰ অভিযোগত একতাক গ্ৰেপ্তাৰৰ নিৰ্দেশ



**নিউজ ব্যুৰ’, পাটনা, ২৯ ছেপ্টেম্বৰ ঃ** অৱশেষত প্ৰযোজক একতা কপুৰৰ বিৰুদ্ধে গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰিলে আদালতে। ‘ট্ৰিপল এক্স’ নামৰ ৱেব ছিৰিজত ভাৰতীয় সেনাক অপমান কৰাৰ গুৰুতৰ অভিযোগ উত্থাপিত হৈছিল একতাৰ বিৰুদ্ধে। এই ধাৰাবাহিকত প্ৰদৰ্শন কৰা হৈছিল যে জোৱানে যেতিয়া কৰ্তব্যত ব্যস্ত থাকে, তেতিয়া তেওঁলোকৰ বাসগৃহত পত্নীয়ে বিবাহ বহিৰ্ভূত সম্পৰ্কত লিপ্ত হয়। বিহাৰৰ বেগুচৰাই নিবাসী শম্ভু কুমাৰ নামৰ এজন প্ৰাক্তন সেনাই আদালতৰ দ্বাৰস্থ হৈ একতাৰ বিৰুদ্ধে ভাৰতীয় সেনাক অপমান কৰাৰ অভিযোগ উত্থাপন কৰিছিল। এই অভিযোগতে বিহাৰৰ আদালতে একতাৰ বিৰুদ্ধে গ্ৰেপ্তাৰী পৰোৱানা জাৰি কৰিলে।

## মায়াৱতীক কৰক প্ৰধানমন্ত্ৰীৰ প্ৰাৰ্থী, তৃতীয় মৰ্চাৰ বাবে বিএছপিৰ চৰ্ত



**নিউজ ব্যুৰ’, লক্ষ্ণৌ, ২৯ ছেপ্টেম্বৰ ঃ** উত্তৰ প্ৰদেশৰ পৰা সমাজবাদী পাৰ্টিৰ অখিলেশ যাদৱৰ নামৰ পাছত এইবাৰ বহুজন সমাজ পাৰ্টি (বিএছপি)ৰ ফালৰ পৰা প্ৰধানমন্ত্ৰী পদৰ প্ৰাৰ্থী হিচাপে নাম উচ্চাৰিত হ’ল মায়াৱতীৰ। বিএছপিয়ে তৃতীয় মৰ্চা গঠনৰ ক্ষেত্ৰত চৰ্ত আৰোপ কৰিলে। বিএছপিৰ ৰাষ্ট্ৰীয় মুখপাত্ৰ ধৰ্মবীৰ চৌধুৰীয়ে এক বিবৃতিত কয় যে মায়াৱতীক প্ৰধানমন্ত্ৰী পদৰ প্ৰাৰ্থী ঘোষণা কৰিলে বিএছপিয়ে তৃতীয় মৰ্চাত অংশ ল’বলৈ প্ৰস্তুত আছে। চৌধুৰীয়ে লগতে কয় যে বিৰোধীত মায়াৱতীৰ সমকক্ষ আন কোনো নেতা নাই। কেন্দ্ৰত চৰকাৰ গঠন কৰিবলৈ হ’লে উত্তৰ প্ৰদেশে সবাতোকৈ গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব লাগিব বুলি যুক্তি প্ৰদৰ্শন কৰি চৌধুৰীয়ে কয় যে বিএছপিৰ প্ৰভাৱ উত্তৰ প্ৰদেশৰ সৰ্বত্ৰ, কিন্তু কংগ্ৰেছৰ কোনো অস্তিত্ব এতিয়া নাই।

## একেৰাহে তৃতীয়বাৰ সমাজবাদী পাৰ্টিৰ সভাপতি নিৰ্বাচিত অখিলেশ



**নিউজ ব্যুৰ’, লক্ষ্ণৌ, ২৯ ছেপ্টেম্বৰ ঃ** অখিলেশ যাদৱ আজি একেৰাহে তৃতীয়বাৰৰ বাবে সমাজবাদী পাৰ্টিৰ ৰাষ্ট্ৰীয় সভাপতি নিৰ্বাচিত হ’ল। নিৰ্বাচন বিষয়া তথা সমাজবাদী পাৰ্টিৰ জ্যেষ্ঠ নেতা ৰামগোপাল যাদৱে দলৰ ৰাষ্ট্ৰীয় অধিবেশনত অখিলেশক বিনা প্ৰতিদ্বন্দ্বিতাৰে দলৰ সভাপতি নিৰ্বাচিত হোৱা বুলি ঘোষণা কৰে। উল্লেখ্য যে ২০১৭ৰ পহিলা জানুৱাৰীত অখিলেশ প্ৰথমবাৰৰ বাবে সমাজবাদী পাৰ্টিৰ ৰাষ্ট্ৰীয় সভাপতি নিৰ্বাচিত হৈছিল।



## ২৪ ঘণ্টাত দেশত ক’ভিডৰ দৈনিক সংক্ৰমণ চাৰি হেজাৰৰ ঊৰ্ধ্বত, মৃত্যু ১১

**নিউজ ব্যুৰ’**
**নতুন দিল্লী, ২৯ ছেপ্টেম্বৰ ঃ** বিগত দুদিন ধৰি দেশত দৈনিক কৰ’না সংক্ৰমণ তিনি হেজাৰৰ ঘৰত থাকিলেও যোৱা ২৪ ঘণ্টাত আক্ৰান্তৰ সংখ্যা ৪২৫৬ জনলৈ বৃদ্ধি পালে। বুধবাৰে দেশত ক’ভিড আক্ৰান্তৰ সংখ্যা আছিল ৩৬০৭ জন। যোৱা ২৪ ঘণ্টাত কেৰালাত ১৫৯৮, তামিলনাডুত ৫৩৫, মহাৰাষ্ট্ৰত ৪৯২, পশ্চিমবংগত ৩০৯ আৰু কৰ্ণাটকত ২৬৪ জন লোক ক’ভিডত সংক্ৰমিত হ’ল। ইফালে, এই মাৰাত্মক ভাইৰাছৰ সংক্ৰমণত বিভিন্ন ৰাজ্যত যোৱা ২৪ ঘণ্টাত প্ৰাণ হেৰুৱালে ১১ জন লোকে।

## মধ্যবিত্তৰ হাতত ধনৰ অভাৱ ঃ যোৱা ১০ মাহত ভাৰতীয়ৰ সঞ্চয় প্ৰৱণতা সৰ্বনিম্ন হৈছে

# পাঁচ বছৰত দেশত হ্ৰাস পালে সঞ্চয়ৰ পৰিমাণ

**নিউজ ব্যুৰ’**
**নতুন দিল্লী, ২৯ ছেপ্টেম্বৰ ঃ** ভাৰতীয়ৰ মাজত বিগত পাঁচ বছৰত যথেষ্ট হ্ৰাস পাইছে ধন সঞ্চয়ৰ প্ৰৱণতা। বিগত পাঁচ বছৰৰ ভিতৰত চলিত বৰ্ষত ভাৰতীয়ই সৰ্বনিম্ন ধন সঞ্চয় কৰিছে। বিভিন্ন আৰ্থিক সংস্থা আৰু বেংকিং খণ্ডৰ সমীক্ষাত এই ইংগিত লাভ কৰা হৈছে। প্ৰাপ্ত তথ্য অনুসৰি, ২০২১-২২ বিত্তীয় বৰ্ষত ভাৰতত মুঠ আৰ্থিক সঞ্চয়ৰ হাৰ আছিল ১৫.৯ শতাংশ। এই হাৰ চলিত বৰ্ষত বৰ্তমানলৈকে ১০.৮ শতাংশলৈ হ্ৰাস পালে। বিগত তিনি বছৰত ভাৰতত সঞ্চায়ৰ গড় হাৰ হৈছে ১২ শতাংশ। কৰ’নাৰ কালত দেশত মানুহৰ মাজত সঞ্চয় প্ৰৱণতা বৃদ্ধি পাইছিল। জীৱিকা আৰু স্বাস্থ্যৰ অনিশ্চয়তাৰ কাৰণত উক্ত সময়ত মানুহে অধিক পৰিমাণত ধন সঞ্চয় কৰিবলৈ লৈছিল। কিন্তু ক’ভিডৰ প্ৰকোপ হ্ৰাস পোৱাৰ লগে লগে ২০২১ বৰ্ষৰ পৰা অৰ্থনৈতিক লেনদেন স্বাভাৱিক হোৱাৰ ফলত ভাৰতীয়ৰ মাজত ক্ৰয়-বিক্ৰয় বৃদ্ধি পায়। যোৱা ১০ মাহত



ভাৰতীয়ৰ মাজত সঞ্চয় প্ৰৱণতা সৰ্বনিম্ন হৈছে। অৰ্থাৎ মূল্যবৃদ্ধিৰ প্ৰকোপ বঢ়াৰ লগে লগে দেশত সঞ্চয়ৰ প্ৰৱণতা হ্ৰাস পাইছে।

দেশত সঞ্চয় হ্ৰাসৰ বাবে দুটা কাৰণ চিনাক্ত কৰা হৈছে। প্ৰথমতে সা-সামগ্ৰীৰ অত্যধিক মূল্যবৃদ্ধিৰ ফলত নিত্য ব্যৱহাৰ্য সা-সামগ্ৰী ক্ৰয় কৰাৰ পাছত সঞ্চয়ৰ বাবে মধ্যবিত্তৰ হাতত ধনৰ অভাৱ ঘটিছে। আনহাতে, দ্বিতীয়টো কাৰণ অনুসৰি ক’ভিডৰ পাছৰে পৰা ভাৰতীয়ৰ মাজত জীৱিকা সংকট ভয়াৱহ হৈছে। যোৱা আগষ্টত দেশৰ নিবনুৱাৰ হাৰ ন মাহৰ সৰ্বাধিক হৈছিল। পৰিসংখ্যা অনুসৰি আগষ্টত ভাৰতত নিবনুৱাৰ হাৰ আছিল ৮.৫ শতাংশ। এই দুই কাৰণত ভাৰতীয়ৰ মাজত সঞ্চয় প্ৰৱণতা হ্ৰাস পাইছে। ফলত স্বাভাৱিকতে প্ৰভাৱিত হৈছে ক্ৰয়-বিক্ৰয়। সম্প্ৰতি একমাত্ৰ বীমা ক্ষেত্ৰত ভাৰতীয়ৰ সঞ্চয় বা বিনিয়োগ বৃদ্ধি পাইছে।



## ইৰাকত ইৰানৰ ভয়াৱহ ড্ৰ’ন আক্ৰমণত নিহত কমেও ১৩ জন

**নিউজ ব্যুৰ’**
**বাগদাদ, ২৯ ছেপ্টেম্বৰ ঃ** ইৰাকত ভয়াৱহ ড্ৰ’ন আৰু ক্ষেপণাস্ত্ৰৰ আক্ৰমণ সংঘটিত কৰিলে ইৰানে। কুৰ্ড অধ্যুষিত অঞ্চলত সংঘটিত হোৱা এই আক্ৰমণত প্ৰাণ হেৰুৱালে কমেও ১৩ জন লোকে। তদুপৰি আন কে’বাজনো লোক আহত হৈছে। স্থানীয় প্ৰশাসনে এই কথা প্ৰকাশ কৰি জনোৱা অনুসৰি আহতৰ কে’বাজনৰো অৱস্থা সংকটজনক হোৱাৰ প্ৰতি লক্ষ্য ৰাখি মৃতকৰ সংখ্যা বৃদ্ধিৰ সম্ভাৱনা আছে। বুধবাৰে উত্তৰ ইৰাকৰ কুৰ্ড অধ্যুষিত অঞ্চলত সন্ত্ৰাসবাদীৰ ঘাটিত ক্ষেপণাস্ত্ৰ আৰু ড্ৰ’নৰে আক্ৰমণ চলাইছিল ইৰানৰ চৰকাৰী ৰেভলিউচনাৰী গাৰ্ড বাহিনীয়ে। তেহৰানৰ অভিযোগ অনুসৰি ইৰাকত ঘাটি পাতি সশস্ত্ৰ কুৰ্ড বিদ্ৰোহীয়ে ইৰানত অশান্তি সৃষ্টি কৰি আহিছে আৰু সেয়েহে ইৰানে কুৰ্ড অধ্যুষিত অঞ্চলত এই আক্ৰমণ সংঘটিত কৰিলে।



## ছ্যু কীক পুনৰ দোষী সাব্যস্ত ম্যানমাৰৰ সামৰিক আদালতৰ, দিলে তিনি বছৰৰ কাৰাদণ্ডৰ ৰায়

**নিউজ ব্যুৰ’, য়াংগুন, ২৯ ছেপ্টেম্বৰ ঃ** ম্যানমাৰৰ সামৰিক চৰকাৰে গণতন্ত্ৰৰ সমৰ্থক নেত্ৰী আং ছান ছ্যু কীক পুনৰ এটা গোচৰত দোষী সাব্যস্ত কৰিলে। একেটা গোচৰত অষ্ট্ৰেলিয়াৰ অৰ্থনীতিবিদ শ্বান টৰ্ণেলকো আদালতে দোষী সাব্যস্ত কৰি তিনি বছৰৰ কাৰাদণ্ডৰ ৰায় দিলে। ছ্যু কীৰ তদানীন্তন মন্ত্ৰীসভাৰ তিনিজন মন্ত্ৰীকো সামৰিক আদালতে দোষী সাব্যস্ত কৰিলে। গোপনীয়তা আইনৰ অধীনত সামৰিক আদালতে ছ্যু কীৰ বিৰুদ্ধে ৰায় দি তিনি বছৰৰ কাৰাদণ্ডৰ ৰায় দিলে। পূৰ্বেও সামৰিক আদালতে ছ্যু কীৰ বিৰুদ্ধে একাধিক অভিযোগ উত্থাপন কৰিছিল আৰু গণতন্ত্ৰৰ পোষকতা কৰা নেত্ৰীগৰাকীক ২০ বছৰৰ কাৰাদণ্ডৰ ৰায় দিছিল।

## ‘তিনি পি’ক লৈ বিশ্বত চৰ্চা, মোদীয়ে দিলে ‘চাৰি পি’ৰ মন্ত্ৰ



**নিউজ ব্যুৰ’, ছুৰট, ২৯ ছেপ্টেম্বৰ ঃ** প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে দুদিনীয়া ভ্ৰমণসূচীৰে আজি গুজৰাটত উপস্থিত হয়। প্ৰথম দিনা ছুৰটত ৩৪০০ কোটিটকীয়া ব্যয়ৰ বিভিন্ন বিকাশ আঁচনিৰ আধাৰশিলা স্থাপন কৰে প্ৰধানমন্ত্ৰীয়ে। মোদীয়ে প্ৰসংগত ছুৰটৰ বিকাশ আৰু মডেলক বিশেষভাৱে প্ৰশংসা কৰিলে। প্ৰধানমন্ত্ৰীয়ে কয় যে ছুৰট চহৰৰ বাসিন্দাৰ একতা আৰু সহযোগিতা এক উৎকৃষ্ট উদাহৰণ। ভাৰতৰ সকলো প্ৰদেশৰে লোকে ছুৰটত বসবাস কৰি আছে বুলি মন্তব্য কৰি মোদীয়ে কয় যে গুজৰাটৰ এইখন চহৰে শ্ৰমক বিশেষভাৱে সন্মান কৰে। ছুৰটত জনসভাত অংশ লৈ মোদীয়ে ‘চাৰি পি’ৰ মন্ত্ৰ দিলে। ভাষণ প্ৰসংগত প্ৰধানমন্ত্ৰীয়ে কয়, ‘এই শতিকাৰ আৰম্ভণিৰ দশকত বিশ্বই ‘তিনি পি’ অৰ্থাৎ ‘পাব্লিক, প্ৰাইভেট, পাৰ্টনাৰশ্বিপ’ৰ চৰ্চা কৰিছিল। তেতিয়া মই কৈছিলো যে ছুৰট হৈছে ‘চাৰি পি’ৰ উদাহৰণ। এই ‘চাৰি পি’ হৈছে ‘পিপ’ল, পাব্লিক, প্ৰাইভেট, পাৰ্টনাৰশ্বিপ’। এই মডেলে ছুৰটক বিশেষত্ব প্ৰদান কৰিছে।’

## ইৰানৰ সমৰ্থনত থিয় দিলে আফগানিস্তানৰ মহিলা, তালিবানৰ গুলিবৰ্ষণ

**নিউজ ব্যুৰ’**
**কাবুল, ২৯ ছেপ্টেম্বৰ ঃ** ইৰানত আৰক্ষীৰ জিম্মাত এগৰাকী যুৱতীৰ মৃত্যুৰ পাছৰে পৰা হিজাব বিৰোধী আন্দোলনে ভয়াৱহ ৰূপ ধাৰণ কৰিছে। মহচা অমিনি নামৰ এগৰাকী ২২ বছৰীয়া যুৱতীক তেহৰানৰ পৰা আৰক্ষীয়ে বোৰ্খা পৰিধান নকৰাৰ কাৰণত গ্ৰেপ্তাৰ কৰিছিল আৰু পৰৱৰ্তী সময়ত আৰক্ষীৰ বৰ্বৰ নিৰ্যাতনত চিকিৎসাধীন অৱস্থাত মহচাৰ মৃত্যু হৈছিল। সেই ঘটনাৰ পাছৰে পৰা হিজাব বাধ্যতামূলক কৰাৰ বিৰুদ্ধে ব্যাপক প্ৰতিবাদ অব্যাহত আছে ইৰানত। দেশখনৰ কমেও ৩৫ খন চহৰত মহিলাৰ লগতে পুৰুষেও হিজাব বিৰোধী বিক্ষোভত অংশ লৈছে। এইবাৰ ইৰানৰ মহিলাৰ সমৰ্থনত আফগানিস্তানত ৰেলী উলিয়ালে আফগান মহিলাই। আজি যথেষ্ট সংখ্যক আফগান মহিলাই কাবুলৰ ৰাজপথত সমবেত হৈ ইৰানৰ হিজাব বিৰোধী আন্দোলনৰ প্ৰতি সমৰ্থন ব্যক্ত কৰে। অৱশ্যে লগে লগে তালিবান যোদ্ধাই প্ৰতিবাদকাৰী মহিলাক ছত্ৰভংগ দিয়াবলৈ শূন্যলৈ গুলিবৰ্ষণ কৰে। কাবুলত আজি ইৰানৰ মহিলাৰ সমৰ্থনত ২৫ গৰাকী আফগান মহিলাই ইৰানৰ দূতাবাসৰ সন্মুখত বিক্ষোভ প্ৰদৰ্শন কৰিছিল। প্ৰতিবাদকাৰী মহিলাই শ্ল’গান দি কৈছিল যে কাবুলৰ পৰা ইৰানলৈকে একনায়কত্ববাদক স্বীকাৰ কৰা নহ’ব। অৱশ্যে কিছু সময় পাছতে তালিবান যোদ্ধাই শূন্যলৈ গুলিবৰ্ষণ কৰি প্ৰতিবাদকাৰী মহিলাকেইগৰাকীক আঁতৰি যাবলৈ বাধ্য কৰে।



## ৪২ গাড়ীৰ কনভয় ঃ ‘আম আদমী’ৰ পৰা ভিভিআইপি হ’ল মুখ্যমন্ত্ৰী মান



**নিউজ ব্যুৰ’, চণ্ডীগড়, ২৯ ছেপ্টেম্বৰ ঃ** পঞ্জাবৰ মুখ্যমন্ত্ৰী ভগৱন্ত মানৰ বিলাসী জীৱন যাপনে সম্প্ৰতি সামাজিক মাধ্যমত বিশেষ চৰ্চা লাভ কৰিছে। ‘আম আদমী’ৰ পৰা সম্প্ৰতি ভি ভি আই পিত পৰিণত হ’ল মুখ্যমন্ত্ৰী মান। পঞ্জাবৰ প্ৰাক্তন মুখ্যমন্ত্ৰী প্ৰকাশ সিং বাদল আৰু কেপ্টেইন অমৰিন্দৰ সিঙক ৩৩ গাড়ীৰ কনভয় ব্যৱহাৰৰ বাবে পূৰ্বে তীব্ৰ সমালোচনা কৰা মানে সম্প্ৰতি তেওঁৰ কনভয়ৰ ব্যৱহাৰ কৰিছে ৪২ খন গাড়ী। ইয়াকে লৈ বিৰোধীয়ে পঞ্জাবৰ আম আদমী পাৰ্টি (এপ)ৰ মুখ্যমন্ত্ৰীজনক সমালোচনা কৰিছে। কংগ্ৰেছৰ নেতা প্ৰতাপ সিং বাজৱাই টুইট কৰি অভিযোগত কয় যে পূৰ্বে মানে আন মুখ্যমন্ত্ৰীৰ কনভয়ক কঠোৰ সমালোচনা কৰিছিল আৰু এতিয়া স্বয়ং মানে তেওঁৰ কনভয়ত ৪২ খন গাড়ী ব্যৱহাৰ কৰিছে। পঞ্জাবৰ মুখ্যমন্ত্ৰীয়ে এহাতে নিজকে ‘আম আদমী’ৰ পৰিচয় দি আনহাতে নিজৰ কনভয়ত ৪২ খনকৈ গাড়ী ব্যৱহাৰ কৰা কাৰ্যত বিৰোধীয়ে তীব্ৰ কটাক্ষ কৰিছে। উল্লেখ্য যে কিছুদিন পূৰ্বে মুখ্যমন্ত্ৰী মানে জাৰ্মানীলৈ গৈছিল আৰু উভতি অহাৰ সময়ত অত্যধিক সুৰাপানৰ কাৰণত মানক লুফথাংচা এয়াৰলাইন্সে বিমানৰ পৰা নমাই দিয়াৰ অভিযোগ উত্থাপিত হৈছিল। এইবাৰ কনভয়ত ৪২ খন গাড়ী ব্যৱহাৰৰে পুনৰ চৰ্চিত হ’ল পঞ্জাবৰ তথাকথিত ‘আম আদমী’ মুখ্যমন্ত্ৰী মান।

## ইউক্ৰেইনত ৰাছিয়াৰ ভুৱা গণভোট, ২০ শতাংশ অঞ্চল দখল পুটিনৰ

**নিউজ ব্যুৰ’**
**কীভ, ২৯ ছেপ্টেম্বৰ ঃ** ইউক্ৰেইনত ৰাছিয়াই আক্ৰমণ সংঘটিত কৰাৰ ২১৭ দিন অতিবাহিত হ’ল। বৰ্তমানলৈকে ইউক্ৰেইন যুদ্ধত ৰাছিয়াই প্ৰকৃতাৰ্থত জয়লাভ কৰিব নোৱাৰিলেও ৰুছ সেনাই দেশখনৰ কে’বাখনো প্ৰদেশ দখল কৰিলে। ৰুছ সেনাই দখল কৰা প্ৰদেশত তথাকথিত গণভোট অনুষ্ঠিত কৰিলে ভ্লাডিমীৰ পুটিনৰ প্ৰশাসনে। গণভোটত ৰাছিয়াই নিজৰ জয় হোৱা বুলি দাবী কৰিছিল। ইফালে, ইউক্ৰেইনে দাবী কৰা অনুসৰি ৰাছিয়াই অনুষ্ঠিত কৰা এই গণভোট ভুৱা আছিল। বন্দুক প্ৰদৰ্শনৰে দখল কৰা অঞ্চলত বাসিন্দাক ভোটদান কৰিবলৈ বাধ্য কৰোৱা বুলিও ইউক্ৰেইনে অভিযোগ কৰিছে। তথাকথিত গণভোটত জয়ৰ দাবীৰে পুটিন প্ৰশাসনে ইউক্ৰেইনৰ ২০ শতাংশ অঞ্চল কৌশলৰে দখলৰ অপচেষ্টা চলোৱা বুলি কীভে অভিযোগ কৰে।



আজি ৰাছিয়াই গণভোটৰ ফলাফল প্ৰকাশ কৰি জনোৱা অনুসৰি ৰাছিয়াৰ দখলত থকা জেপৰ’জিয়াৰ ৯৩.১ শতাংশ, খেৰচানৰ ৮৭ শতাংশ, লোহানস্কৰ ৯৮.৪ শতাংশ আৰু ডনেৎস্কৰ ৯৯.২ শতাংশ বাসিন্দাই ৰাছিয়াৰ সপক্ষে ভোটদান কৰিলে।

## গালৱান সংঘাত অতীত, ভাৰত-চীন সম্পৰ্কত বৰফ গলাৰ ইংগিত চীনা ৰাষ্ট্ৰদূতৰ



নিউজ ব্যুৰ’, নতুন দিল্লী, ২৯ ছেপ্টেম্বৰ ঃ গালৱান সংঘাতৰ পৰৱৰ্তী অধ্যায়ত জৰুৰী ভিত্তিক প্ৰতিক্ৰিয়াৰ পৰিস্থিতিৰ অৱসান ঘটিছে। ভাৰত-চীন সীমান্ত পৰিস্থিতি সম্প্ৰতি স্বাভাৱিক হোৱাৰ পথত। সীমান্তৰ পৰিস্থিতি সম্প্ৰতি নিয়ন্ত্ৰণত। এই কথা সদৰী কৰিলে ভাৰতত নিযুক্ত চীনৰ ৰাষ্ট্ৰদূত চান ৱেডঙে। টাইৱান আৰু তিব্বত প্ৰসংগতো মন্তব্য কৰিলে চীনৰ ৰাষ্ট্ৰদূতে। ৱেডঙে জনোৱা অনুসৰি চীনৰ স্বাৰ্থত গভীৰভাৱে জড়িত বিষয়সমূহ ভাৰতে সঠিক দৃষ্টিকোণৰে বিবেচনা কৰি আহিছে। ৱেডঙৰ এই মন্তব্যক অত্যন্ত গুৰুত্বপূৰ্ণ অভিহিত কৰিলে নতুন দিল্লীয়ে। যোৱা মঙলবাৰে নতুন দিল্লীত পিপ’ল ৰিপাব্লিক অৱ চাইনাৰ ৭৩ সংখ্যক বাৰ্ষিকী ভাৰ্চুৱেল পদ্ধতিৰে পালন কৰিছিল ৱেডঙে। ইয়াৰ পাছতে বুধবাৰে ৱেডঙৰ এই বিবৃতি প্ৰকাশ পালে। উক্ত বিবৃতিত চীনা ৰাষ্ট্ৰদূতে এইদৰে কয়, ‘ভাৰত-চীনৰ বৰ্তমানৰ সীমান্ত পৰিস্থিতি সম্পূৰ্ণ স্বাভাৱিক। গালৱান উপত্যকাৰ উত্তেজনা এতিয়া স্তিমিত। চীনে ভাৰতৰ স’তে সামৰিক আৰু কূটনৈতিক বৈঠক অব্যাহত ৰাখিব বিচাৰে। আলোচনাৰ মাধ্যমৰে ভাৰত সীমান্তৰ শান্তিপূৰ্ণ পৰিস্থিতি অটুট ৰাখিবলৈ চীন বদ্ধপৰিকৰ।’

## সংৰক্ষিত সেনাত ভৰ্তি হ’ব নিবিচাৰে ৰুছ নাগৰিকে, নিয়োগ কেন্দ্ৰত কৰিছে আক্ৰমণ

**নিউজ ব্যুৰ’, মস্কো, ২৯ ছেপ্টেম্বৰ ঃ** ইউক্ৰেইনত ৰাছিয়াই আক্ৰমণ চলোৱাৰ সাত মাহ অতিক্ৰম হ’ল আৰু এই যুদ্ধত সম্প্ৰতি ৰুছ ৰাষ্ট্ৰপতি ভ্লাডিমীৰ পুটিনে দেশবাসীৰ ৰোষৰ সন্মুখীন হ’বলগা হৈছে। অলপতে পুটিনে ঘোষণা কৰি কৈছিল যে ৰাছিয়াই তিনি লাখ সংৰক্ষিত সৈনিকক যুদ্ধক্ষেত্ৰলৈ প্ৰেৰণ কৰিব। ইউক্ৰেইনত ৰাছিয়াৰ হৈ যুঁজ দিয়াৰ বাবে পুটিনে নতুনকৈ সৈনিক নিযুক্তিৰ সিদ্ধান্ত লৈছিল। এই আঁচনিৰ জৰিয়তে পুটিন প্ৰশাসনে সক্ষম ৰুছ যুৱ প্ৰজন্মক সেনাত বাধ্যতামূলকভাৱে অন্তৰ্ভুক্ত কৰিব বিচাৰিছে। পুটিনৰ এই ঘোষণাৰ পাছৰে পৰা ৰুছ নাগৰিকে ব্যাপক ক্ষোভ প্ৰকাশ কৰিছে।



সেনাত বাধ্যতামূলকভাৱে যোগদান কৰাৰ পৰা হাত সাৰিবলৈ বহু ৰুছ নাগৰিকে তৎকালীনভাৱে দেশ ত্যাগো কৰিছে। ইতিমধ্যে ৰাছিয়াৰ একাধিক অঞ্চলত পুটিনৰ এই সিদ্ধান্তৰ বিৰুদ্ধে ৰুছ নাগৰিকে প্ৰতিবাদ সাব্যস্ত কৰিছে। বিক্ষোভকাৰীয়ে সেনা নিযুক্তি কেন্দ্ৰটো আক্ৰমণ চলাইছে। বুধবাৰে এজন ৰুছ নাগৰিকে চাইবেৰিয়াত থকা সৈনিক নিযুক্তি কেন্দ্ৰত গুলিবৰ্ষণ কৰিছিল। এই ঘটনাত উক্ত কেন্দ্ৰত থকা এজন কমাণ্ডাৰ আহত হৈছিল। ইয়াৰ পাছতে আন এজন লোকে আন এটা নিযুক্তি কেন্দ্ৰত অগ্নিসংযোগ কৰিছিল। একাধিক স্থানত বিক্ষোভকাৰীৰ স’তে আৰক্ষীৰ সংঘাতৰ সৃষ্টি হৈছিল। বিশেষকৈ মুছলিম অধ্যুষিত ডাগেস্তান প্ৰদেশত বাধ্যতামূলক সেনা নিযুক্তিৰ বিৰুদ্ধে সৰ্বাধিক বিক্ষোভ প্ৰদৰ্শন কৰা হৈছে।

## ‘টাইম’ৰ শীৰ্ষ ১০০ উদীয়মান তাৰকাৰ তালিকাত একমাত্ৰ ভাৰতীয় হিচাপে অন্তৰ্ভুক্ত আম্বানী পুত্ৰ আকাশ

**নিউজ ব্যুৰ’**
**নতুন দিল্লী, ২৯ ছেপ্টেম্বৰ ঃ** আগন্তুক দিনত বিশ্বৰ ১০০ উজ্জ্বল তাৰকাৰ এজন হোৱাৰ পথত অগ্ৰসৰ হৈছে আকাশ আম্বানী। ভাৰতীয় ধনকুবেৰ মুকেশ আম্বানীৰ পুত্ৰ তথা দেশৰ বৃহত্তম টেলিকম সংস্থা জিঅ’ৰ মুৰব্বী আকাশ আম্বানীৰ নাম অন্তৰ্ভুক্ত হ’ল বিশ্বখ্যাত ‘টাইম’ আলোচনীৰ শীৰ্ষ ১০০ উদীয়মান তাৰকাৰ তালিকাত। এই বিশেষ পত্ৰিকাই বিশ্বৰ উদীয়মান তাৰকাৰ তালিকা প্ৰস্তুত




কৰিছে। উক্ত তালিকাত একমাত্ৰ ভাৰতীয় হিচাপে স্থান লাভ কৰিলে আকাশে। ‘টাইম’ৰ তালিকাত ভাৰতীয় বংশোদ্ভূত মাৰ্কিন ব্যৱসায়ী আম্ৰপালি গনেও স্থান লাভ কৰিছে। আকাশ সন্দৰ্ভত ‘টাইম’ পত্ৰিকাত এইদৰে লিখা হৈছে, ‘ভাৰতৰ ৰাজকীয় উদ্যোগ পৰিয়ালৰ কুলপ্ৰদীপ, আকাশ আম্বানী যে কালক্ৰমে এজন বৃহৎ ব্যৱসায়ীত পৰিণত হ’ব, সেয়া স্বাভাৱিক। তেওঁ ইয়াৰ বাবে কঠোৰ পৰিশ্ৰম কৰিছে।’ উল্লেখ্য যে ৩০ বছৰীয়া আকাশক যোৱা জুনত দেশৰ বৃহত্তম টেলিকম কোম্পানী জিঅ’ৰ অধ্যক্ষ পদত নিযুক্তি দিয়া হৈছিল। মাত্ৰ ২২ বছৰ বয়সতে আকাশ জিঅ’ই ব’ৰ্ডৰ সদস্য হিচাপে নিযুক্ত হৈছিল। বৰ্তমানে জিঅ’ৰ ৪২৬ নিযুত গ্ৰাহক আছে।

# মই তেওঁহে

**চুফীবাদী শিক্ষাৰে পবিত্ৰ কোৰাণৰ কথাবোৰলৈ দৃষ্টিপাত কৰিলেহে আমাৰ অভ্যন্তৰৰ জগতখন চিনিব পাৰি। মনোবিজ্ঞানৰ ধাৰাতো আমাৰ মনৰ স্থিতিত 'মোৰ মই', 'মোৰ তেওঁ'ৰ উপৰি অধিক সক্ৰিয়, অহৰহ আমাৰ লগতেই থাকি আমাক নিয়ন্ত্ৰণ কৰোতা উচ্চ চেতনা বা সত্বা এটিৰ অৱস্থিতি স্বীকাৰ কৰা হয**

ডাঃ জাকিৰ হুচেইন

'মই তেৰেঁই' বা 'ময়েই তেওঁ'—এই কথা দুটি প্ৰায় সমাৰ্থক বা সম প্ৰকাশৰ দৰে। 'তেৰেঁই মই' বা 'তেওঁ ময়েই' এই দুটি কথা সমাৰ্থক যদিও পূৰ্বৰ কথা দুটিৰ সাদৃশ্য যেন লাগিলেও অৰ্থ আৰু প্ৰকাশৰ দিকেৰে সম্পূৰ্ণ ভিন্ন। 'মই' যদি প্ৰত্যক্ষ, উপস্থিত, পৰিদৃশ্যমান, তেনেহ'লে 'তেওঁ' হ'ল পৰোক্ষ, অনুপস্থিত বা গুপ্ত। ব্যক্তিয়ে যদি এই সংজ্ঞা দুটিক কেবল নিজ চেতনাৰ পৰিসীমাৰে দৃষ্টিপাত কৰে আৰু ব্যাখ্যা দিব বিচাৰে তেনেহ'লে স্বাভাৱিকতে ত্ৰুটিপূৰ্ণ হোৱাৰ সম্ভাৱনা থাকিব। আমাৰ পাৰ্থিৱ বা মনুষ্য খণ্ডটি সৃষ্ট। কোনো অদৃষ্টৰ পৰা নিৰ্গত হৈ প্ৰকাশমান হোৱা বিষয় নহয়। সম্পূৰ্ণ সুকীয়া উপাদানেৰে অস্তিত্বহীনতাৰ পৰা নৱ-অস্তিত্বলৈ নিৰ্মিত হোৱা এটা অৱয়ৱ। অস্তিত্বলৈ অহাৰ পূৰ্বে যিহেতু মই নাছিলো বা অচেতন অথবা মৃত আছিলো, সেয়ে মই মোৰ অতীত অৰ্থাৎ মৃত অৱস্থাটোৰ বিষয়ে জানিব নোৱাৰো। সেয়ে মই 'ময়েই তেওঁ' বোলা শব্দ উচ্চাৰণ কৰিব নোৱাৰো। মোৰ প্ৰাক্-অস্তিত্বৰ বিষয়ে মোক অস্তিত্বলৈ আনোতাজনে অথবা পূৰ্বাপৰৰ পৰাই স্থিত বা সদাস্থিত পৰ্যবেক্ষকজনেহে এই কথা জনাব পাৰিব। যি অসৃষ্ট তেওঁহে সৃষ্টি কৰিব পাৰে, যি স্বয়ং সৃষ্ট তেওঁ সৃষ্টি কৰিলেও সেয়া নিজ সৃষ্ট উপাদানৰ পৰাহে কৰিব পাৰিব, যি সৃষ্ট উপাদানত সদায় সীমাৰ বন্ধন থাকিব।

আমি সৃষ্টি কৰি লোৱা কথাটোৰ দ্বাৰা আমি ধাৰণা কৰি লোৱা বা ভাবি লোৱাৰ অৰ্থ হয়। নিজে ভাবি লৈ সেই স্থিতি গঢ়ি ল'ব নোৱাৰি, যি স্থিতিৰ উপস্থিতি বা ৰূপান্তৰণে হৃদয়ক চূড়ান্ত বোধ দিয়ে। চূড়ান্ত বা পৰমবোধ কৰিবৰ বাবে আমাৰ চিত্তত আমাৰ চেতনাৰ পৰা ভিন্ন তথা উচ্চতৰ ক্ষমতাসম্পন্ন স্থিতি উপস্থিত থাকিব লাগিব। এই কথাকে বুজাবলৈ পবিত্ৰ কোৰাণে এনেদৰে কৈছে—

**'আৰু সেইদৰে আমি তোমাত আমাৰ আদেশৰ আত্মা এটি ফুৎকাৰ কৰি দিছো। তুমি শাস্ত্ৰ কি জনা নাছিলা, নতুবা বিশ্বাস কি (জনা নাছিলা)। কিন্তু আমি ইয়াক এটি চাকি কৰি দিছো, যাৰ দ্বাৰা আমি আমাৰ দাসসকলৰ যাকেই ইচ্ছা পথ প্ৰদৰ্শনা কৰো।.....'** (Q. XLII - 52)

নিজ মনটোক সেয়ে ভালকৈ চাবলৈ চেষ্টা কৰক। সেয়া কৰিবলৈ যাওঁতে বাহিৰৰ সমগ্ৰ পৰিৱেশ অৱজ্ঞা কৰিবলৈ চেষ্টা কৰি নিজৰ অভ্যন্তৰৰ পৰিৱেশলৈ ধ্যানস্থ হওক। দেখিব যে সেই অভ্যন্তৰৰ পৰিৱেশত পূৰ্বাপৰৰ পৰা থকা কোনোবা এজনাৰ উপস্থিতি অনুভৱ কৰিব। যেন তেওঁৰ স'তে কথা-বতৰাহে পাতিব। সেই স্থিতিটো আমাৰ নিজতকৈ উচ্চতৰ বৰ্গৰ, অভিভাৱক পৰ্যায়ৰ যেন ভাৱ হ'ব। অৱশ্যে আমি কোৱা কথাখিনি ভালকৈ বুজি নল'লে অতি অদ্ভুত কথা যেনহে লাগিব। বিষয়বস্তুৰ গভীৰতালৈ প্ৰৱেশ নকৰিলে উপৰুৱা দৃষ্টিৰে মূল সত্যটো অৱগত হ'ব নোৱাৰি। চুফীবাদী শিক্ষাৰে পবিত্ৰ কোৰাণৰ কথাবোৰলৈ দৃষ্টিপাত কৰিলেহে আমাৰ অভ্যন্তৰৰ জগতখন চিনিব পাৰি। মনোবিজ্ঞানৰ ধাৰাতো আমাৰ মনৰ স্থিতিত 'মোৰ মই', 'মোৰ তেওঁ'ৰ উপৰি অধিক সক্ৰিয়, অহৰহ আমাৰ লগতেই থাকি আমাক নিয়ন্ত্ৰণ কৰোতা উচ্চ চেতনা বা সত্বা এটিৰ অৱস্থিতি স্বীকাৰ কৰা হয়। পবিত্ৰ কোৰাণে এই তৃতীয় সক্ৰিয় স্থিতিটোৰ বিষয়ে এনেদৰে ইংগিত দিছে—



**'নিশ্চয় আমি সৃষ্টি কৰিছো এক মনুষ্য আৰু আমি জানো তেওঁৰ আত্মাই তেওঁৰ স'তে কি ফুচ ফুচ কৰি কথা পাতে আৰু আমি তেওঁৰ ডিঙিৰ শিৰাৰো নিকটত আছো।'** (Q. L - 16)

পবিত্ৰ কোৰাণৰ এই পদটিৰ দ্বাৰাই 'এয়া ময়েই' বুলি কওঁতাজন প্ৰকাশ্য হৈ পৰে। মোৰ 'মই'টিয়ে ডিঙিৰ শিৰাৰ নিকটত থকাজনাক গ্ৰাস কৰিব নোৱাৰে। কিন্তু সেইজনাইহে মোৰ 'মই'টিক গ্ৰাস কৰিব পাৰে বা দখল কৰিব পাৰে। সেয়ে মোৰ 'মই'টিক যেতিয়া সোধা হ'ব, তেতিয়া সমগ্ৰ পৰিৱেশটো তেওঁ তেওঁৰ দখল বা প্ৰভুত্বত আছে বুলি ক'ব নোৱাৰে। অৰ্থাৎ তেওঁ 'এয়া ময়েই' বুলি উচ্চাৰণ কৰিব নোৱাৰে।

অন্যহাতে আকৌ মোৰ 'মই'টিয়ে মোৰ 'মই'টিক প্ৰভাৱ বা নিয়ন্ত্ৰণ কৰোতা সেই তৃতীয় সক্ৰিয় শক্তিটোক 'তেওঁ' বুলি সম্বোধন কৰিব লাগিব। এই উপস্থিতি যেতিয়া মোৰ 'মই'টিক 'তুমি কোন' বুলি সোধা হ'ব, তেতিয়া মোৰ 'মই'টিয়ে কেবল ক'ব পাৰিব এইবুলি—'এয়া তেওঁ'। এনে স্থিতিত 'ময়েই তেওঁ' বুলি মোৰ 'মই'টিয়ে ক'ব নোৱাৰে, কিয়নো তৃতীয় সক্ৰিয় স্থিতিত মোৰ 'মই' সম্পূৰ্ণভাৱে গ্ৰাস হৈ পূৰ্ণভাৱে নিজস্ব পৰিচয় হেৰুৱাই পেলায় বা মোৰ 'মই'টিৰ মৃত্যু হৈ যায়। এই অৱস্থাত যদি 'তেৰেঁই মই' বুলি কোনোবাই কয়, তেনেহ'লে সেয়া সেই তৃতীয় সক্ৰিয়তাটোৰে মোৰ 'মই'টিৰ অৱশিষ্টৰ পৰিচয় প্ৰদান কৰে। চুফীসকলে এই বিষয়টোৰ ব্যাখ্যাত এনেদৰে কয়—

**'ময়েই তেওঁ যাক মই ভাল পাওঁ আৰু তেওঁ যাক মই ভাল পাওঁ (তেওঁ) মই,**
**আমি দুটা আত্মা বাস কৰো এটা শৰীৰত**
**তুমি যেতিয়া মোলৈ চালা, তুমি তেওঁক দেখা পালা,**
**আৰু যেতিয়া তেওঁক দেখিলা, তেতিয়া তুমি আমাৰ দুয়োকে দেখা পালা।'**
(মনচুৰ হাল্লাজ)

চুফীসকলে নিজ চিন্তা-চৰ্চা বা ধ্যান-ধাৰণা ঈশ্বৰ অস্তিত্বৰ আধাৰত কৰা বাবে এই 'তেওঁ' বোলা তৃতীয়জনাক তেওঁলোকে পৰম সত্বাৰ বিষয়বস্তু বুলি বিশ্বাস কৰি উক্তি দিয়ে। ওপৰৰ কথাখিনিত কোৱা **'তুমি যেতিয়া মোলৈ চালা, তুমি তেওঁক দেখা পালা'**, এই কথাখিনিৰ দ্বাৰা আমাৰ ব্যক্তিসত্বা অস্তিত্বহীন বুলি কৈ কেবল পৰম সত্বাৰ অস্তিত্বহে স্থিত বুলি কোৱা হৈছে। তাৰ পিছত **'আৰু যেতিয়া তেওঁক দেখিলা, তেতিয়া আমাৰ দুয়োকে দেখা পালা'**। ইয়াৰ দ্বাৰা তেওঁৰ (অৰ্থাৎ পৰম সত্বাৰ) অস্তিত্বত মোৰ স্বয়ংৰ অস্তিত্ব স্থিত আছে বুলি ব্যক্ত কৰা হৈছে।

ঈশ্বৰৰ অস্তিত্ব স্বীকাৰ কৰো নে নকৰো সেয়া সম্পূৰ্ণভাৱে আমাৰ ব্যক্তিগত বিষয়। কিন্তু মনোবিজ্ঞানৰ দিশেৰে আমাৰ চেতনা বা মনোপৰিৱেশত আমি আলোচনা কৰা সক্ৰিয় (মই আৰু তেওঁ) তথা পৰম সক্ৰিয় (এয়া মই বা এয়া তেওঁ) স্থিতিৰ উপস্থিতি অলপ ধ্যান বা মনোযোগ দিলেই বোধ কৰিব পাৰি। তাকেই আমি কওঁ যে আমি আমাৰ নিজ পাৰ্থিৱ চেতনাৰ 'মই'টিৰ দ্বাৰা 'এয়া মই' বুলি ক'ব নোৱাৰো। এই 'মই'টিৰে যদি ক'ব পাৰো তেনেহ'লে 'এয়া তেওঁ' বুলিহে ক'ব পাৰো। আৰু এই 'তেওঁ'টি মোৰ চেতনাৰ 'তেওঁ'টি নহয়, পৰম শক্তিশালী, পৰম সত্বাৰ ফালৰ পৰা আহি মোৰ ব্যক্তি চেতনাত চিৰস্থিত হৈ থকা 'তেওঁ'টিহে। পৰম সত্বাৰ অংগৰ 'মই'টিয়ে অৱশ্যে মোৰ ব্যক্তি চেতনাক 'এয়া মই' বুলি ক'ব পাৰে। তেওঁ 'এয়া তেওঁ' বুলি কোৱাতো অৰ্থহীন হ'ব, কিয়নো তেওঁৰ বাহিৰে আৰু কোনো অস্তিত্ব নাই। চুফীয়ে কৈছে—

**('ময়েই অস্তিত্বটি আৰু অনা-অস্তিত্বটি;**
**সেয়া যি নোহোৱা হৈ পৰে আৰু সেয়া যি বৰ্তি থাকে।**
**ময়ে সেয়া যি অনুভূত আৰু সেয়া যাক ভবা যায় ,**
**মই দুয়োটাই সৰ্প আৰু বশকাৰক**
**ময়ে বান্ধোনমুক্ত আৰু বন্দিত;**
**ময়েই সেইজনা যি সুৰামত্ত আৰু তেওঁ যি সুৰা ঢালি দিয়ে**
**ময়েই সঞ্চিত ধন আৰু ময়েই দৰিদ্ৰতা;**
**ময়েই মোৰ সৃষ্টি আৰু স্ৰষ্টাজনা।'**
(আব্দুল কৰিম জিল্লি)

'এয়া মই' বুলি কওঁতা প্ৰকৃত 'মই'জনাক চিনি নোপোৱাসকলৰ বাবে উপৰিউক্তি কথাবোৰ বুজাত অসুবিধা হয়। এনে লোকসকলৰ 'মই', ব্যক্তিচেতনাৰ 'মই' হোৱাৰ বাবে তেওঁলোকৰ প্ৰকাশ কেবল 'মই বৰ' ভাৱনাৰ 'অহং'টি হৈ পৰে। সৃষ্ট জীৱ মনুষ্যটিৰ যে সকলো শক্তি আৰু অস্তিত্ব কাৰোবাৰ দান বা অনুগ্ৰহহে সেই কথা হয় তেওঁৰ বাবে অজানিত অথবা পাহৰি পেলোৱা বস্তু। লগে লগে তেওঁৰ ভাৱনাত তেওঁৰ স্বয়ংটোৰ অৱস্থিতিহে বিশ্বাস হয় আৰু সেইবাবেই হৈ পৰে এক দাম্ভিক আৰু অহংকাৰী। অহং ভাৱনাটি এফালে যিদৰে দৈবিক আৰু শুভ, আনফালে আকৌ সিয়েই দাম্ভিকতা আৰু অশুভ। ব্যক্তিয়ে সেয়ে নিজ মনটোক চিনি পোৱাটো প্ৰয়োজনীয়। নিজ মনটোক চিনি পাবৰ বাবে নিজ মনটোলৈ যাব লাগিব আৰু স্ববোধেৰে তাক সম্পূৰ্ণভাৱে চিনি ল'ব লাগিব। কোনটো ব্যক্তিচেতনাৰ 'মই' আৰু পৰম চেতনাৰ 'মই' কোনজনা সেয়া পূৰ্ণভাৱে অৱগত হ'ব লাগিব। তাকেই শাস্ত্ৰই এইদৰে কৈছে—

**'(হে মানৱ), অনুসৰণ নকৰিবা সেয়া যাৰ বিষয়ে তোমাৰ কোনো জ্ঞান নাই। নিশ্চয়। শ্ৰৱণ আৰু দৃষ্টি আৰু হৃদয়—এই প্ৰতিটোকে প্ৰশ্ন কৰা হ'ব।'** (Q. XVII - 36)

'এয়া ময়েই' বা 'মই তেৰেঁই' বুলি কোৱাৰ আগতে আমি আমাৰ নিজ 'মই'টি আৰু তেওঁৰ 'মই' এই দুয়োটিক জানি ল'ব লাগিব।

*ফোন : ৯৮৬৪০২০৯৬৮*

# জীৱন আৰু ঈশ্বৰ

নাৰায়ণ বৰুৱা

জীৱন হ'ল এক ব্যক্তিগত ধাৰণা। এনে ধাৰণাৰ স্থিতি অতি অস্থায়ী। জীৱন সম্পৰ্কে যি যেনেকৈ ভাবিব পাৰে সেয়াই সত্য। কিন্তু জীৱন সম্পৰ্কে ভাবিবলৈও অন্য এটা জীৱনৰ প্ৰয়োজন হয়। অৱশ্যে পৃথিৱীৰ বেছি ভাগ মানুহে আনৰ জীৱন দেখি ভবাৰ দৰে জীৱন বৰ বেছি সাংঘাতিক একো নহয়। নিজৰ জীৱনৰ পৰাই এই কথা বুজিব পাৰি। জীয়াই থাকিব পৰা এটা গ্ৰহত কোনো এটা নিৰ্দিষ্ট সময়ৰ বাবে সেই গ্ৰহটোৰ বাতাৱৰণে সৃষ্টি কৰি লোৱা একোটা জীৱকে জীৱন বুলি কয়, যিটো আমাৰ বাবে জীৱ আৰু সেই গ্ৰহটোৰ বাবে অলংকাৰ। যাক পুৰণা হ'লেই সলাই পেলোৱা হয়। জন্মৰ পৰা মৃত্যুলৈকে চলি থকা এই সমগ্ৰ কালছোৱাকে জীৱন বুলি ক'ব পাৰি। জন্ম আৰু মৃত্যুৰ মাজৰ এই সময়খিনিত আমি কিন্তু কাৰো কৰুণা অথবা দয়াৰ ওপৰত বৰ্তি নাথাকো। ই বহু পৰিমাণে নিৰ্ভৰ কৰে জীৱৰ শক্তি আৰু বৰ্তি থকাৰ কৌশলৰ ওপৰত। বেছিভাগ জীৱৰে জীৱন বেছিকৈ নিৰ্ভৰ কৰে সম্ভাৱনীয়তাৰ ওপৰত। সেয়েহে হয়তো আমি কওঁ যে জীৱন কচুপাতৰ পানী। নহ'লেনো অতি কম বয়সতে আমাৰ মাজৰ পৰা ইমান সুন্দৰ প্ৰতিভাধৰ মানুহবোৰ হেৰাই যায়নে! আনহাতে যিবোৰ মানুহ অলৰ-অচৰ আৰু জীয়াই থকাৰো কোনো প্ৰয়োজন নাই সেইবোৰ মানুহো আকৌ জীয়াই থাকে হাড়ে-ছালে তিনিমুৰীয়া হৈ। অৰ্থাৎ আমি কোনোবা জীয়াই থকা বা নথকাৰ লগত পৃথিৱীৰ কোনো স্বাৰ্থ জড়িত হৈ থকা নাই। আমি সকলোৰেই মাত্ৰ সোমাই আছো এক প্ৰাকৃতিক শৃংখলত। যি শৃংখলৰ কোনো অন্ত নাই, আছে মাথোঁ কেৱল গতি। তাৰ মাজতে আমি প্ৰত্যেকে এজন এজন। গতিকে আমালৈ চকু দি থাকিবলৈ পৃথিৱীৰ কোনো প্ৰয়োজন নাই। যিটো আমি সদায় কৈ থকা 'আমাক চাই থকা এজনো আছে' বোলা এই কথাষাৰৰ লগত কোনো সম্পৰ্ক নাই।

মানুহৰ জীৱনটো হৈছে এটা একান্ত ব্যক্তিগত বিষয়। কাৰো জীৱনৰ লগত আন এজনৰ জীৱন তুলনা নহয়। অৰ্থাৎ জীৱন এক স্বতন্ত্ৰ ধাৰণা। সেয়ে বহু দাৰ্শনিকে ক'ব খোজে যে সকলোৰে জীৱন এক বিশেষ পৰিস্থিতিৰ দাস। ইয়াৰ অৰ্থ হ'ল পৰিস্থিতিয়েই জীৱন আৰু জীৱনেই পৰিস্থিতি। তেনেহ'লে এই পৰিস্থিতিনো কি? পৰিস্থিতি হৈছে জীৱ আৰু উদ্ভিদৰ বাবে প্ৰকৃতিয়ে সৃষ্টি কৰি থোৱা ভিন ভিন বাতাৱৰণ। বাতাৱৰণৰ এনে ভিন্নতাৰ মাজতে বৰ্তি থাকিব লগা হয় আমাৰ জীৱন। পৃথিৱী নামৰ এই গ্ৰহটোত আছে ভিন্ন বাতাৱৰণ আৰু ভিন্ন পৰিৱেশ। ইয়াৰ মাজতে প্ৰত্যেকেই স্বতন্ত্ৰভাৱে নিজ ক্ষমতা আৰু স্বাস্থ্যৰে জীয়াই থাকিব পৰাটোৱেই হৈছে জীৱন। প্ৰাণীৰ জীৱনবোধ এক জটিল চিন্তাৰ বিষয়। দাৰ্শনিক সকলৰ মতে মানুহকে আদি কৰি আন সকলো প্ৰাণীৰ জীৱন হঠাতে হোৱা এক প্ৰাকৃতিক পৰিঘটনা আৰু মৃত্যুও ঠিক এক হাস্যকৰ বিষয়। প্ৰকৃতিয়ে আমাৰ সকলোৰে জীৱন লালন-পালন কৰে আৰু এই প্ৰকৃতিৰ বিধিমতেই আমাৰ জীৱন বস্তিও নুমায়। প্ৰকৃতিয়ে আমাক স্বতন্ত্ৰ ভাৱে সৃষ্টি কৰে আৰু স্বতন্ত্ৰভাৱে জীয়াই থাকিবলৈ দিয়ে। সেয়ে হয়তো আমি কাৰো অধীন নহয় আৰু কাৰোবাৰ কৰুণা বা কৃপাত জীয়াই নাথাকো। পৃথিৱীৰ সৰহ সংখ্যক মানুহৰ মতে এক নেদেখা শক্তিয়ে আমাৰ জীৱন পৰিচালনা কৰে আৰু জীৱনৰ প্ৰাপ্তি, অপ্ৰাপ্তি, সুখ-দুখ এই সকলোবোৰ সেই নেদেখা শক্তিয়ে নিৰ্ণয় কৰে। সেই নেদেখা শক্তিটোৱেই হৈছে তেওঁলোকৰ বাবে ঈশ্বৰ। আমি কাম কৰি নিজৰ চিন্তাৰে জীয়াই থাকিব পৰাকৈ প্ৰকৃতিয়ে আমাক সকলো দিছে। আমি আমাৰ কৰ্ম আৰু স্বভাৱ-চৰিত্ৰৰ দ্বাৰা আমাৰ বৰ্তমান আৰু ভৱিষ্যত নিৰ্ণয় কৰি ল'ব পাৰো। তেনেস্থলত আন কোনো অদৃশ্য শক্তিৰ কৃপা আৰু দয়াৰ কথা মানুহে কিয় ভাবিব লাগে? অৱশ্যে এটা কথা সত্য যে ভাল কৰ্ম আৰু ভাল চিন্তাৰে জীৱনটো চলাই নিলেও কেতিয়াবা কেতিয়াবা জীৱনে আমাৰ ওপৰতে প্ৰতিশোধ লয়। জীৱন অতি ভয়ংকৰ হৈ উঠে; কিন্তু তাত কোনো নেদেখা শক্তিৰ হাত নাথাকে। জীৱনে সন্মুখীন হোৱা তেনে ভয়ংকৰ পৰিস্থিতিৰ বাবে বহু সময়ত মানুহ নিজেই জগৰীয়া। মানে আমাৰ নিজৰ ভুলৰ বাবেই জীৱনে আমাৰ ওপৰতে প্ৰতিশোধ ল'বলৈ সুযোগ পায়। তেনে ভয়ংকৰ পৰিস্থিতিলৈ যাব নলগাকৈ থাকিব পৰাটোৱেই হৈছে প্ৰকৃত জীৱন। গতিকে দেখা গ'ল যে জীৱনৰ সুখ-দুখ আৰু প্ৰাপ্তি-অপ্ৰাপ্তি এই সকলোবোৰ নিৰ্ভৰ কৰে আমাৰ নিজৰ ওপৰত। কোনোবা নেদেখা শক্তিৰ ওপৰত নহয়।

জীৱনক আমি দুটা বিশেষ দিশৰ পৰা বিবেচনা কৰি চাব পাৰো। তাৰে এটা হৈছে জীৱন আৰু আনটো হৈছে আজীৱন। মৃত্যুলৈকে জীয়াই থকাজন আজীৱন জীৱনৰ অধিকাৰী আৰু মৃত্যুৰ পিছতো যুগ-যুগান্তৰলৈ জীয়াই থকাজন প্ৰকৃত জীৱনৰ অধিকাৰী ব্যক্তি। এই কথা যোৱা পহিলা জুলাইত 'দৈনিক অগ্ৰদূত'ত প্ৰকাশ পোৱা মোৰ 'জীৱন আৰু ঈশ্বৰ' নামৰ প্ৰথম লেখাটোতে প্ৰকাশ কৰি থৈছো। প্ৰকৃতাৰ্থত জীৱনটো বুজিব নোৱাৰিলে ইয়াৰ কোনো অৰ্থ আৰু মূল্য নাই। বহু মানুহে জীৱনৰ একো অৰ্থ আৰু মূল্য বুজি নাপায়। সেইবাবেই তেওঁলোকে জীৱনটো অবাবত ব্যয় কৰে। জীৱন এক সময়ৰ সমষ্টি। গতিকে জনা-বুজা হোৱাৰ পৰাই বা ল'ৰালি কালৰ পৰাই ইয়াক সঠিক ৰূপত ব্যৱহাৰ কৰা উচিত। হাতত বহু টকা-পইচা থকা মানুহে যেনেকৈ ইয়াৰ উচিত ব্যৱহাৰ কৰিব নোৱাৰে ঠিক তেনেকৈ জীৱনত বহু সময় আৰু সুবিধা পায়ো বহু মানুহে জীৱনটো সঠিক ৰূপত গঢ় দিব নোৱাৰে। জীৱনৰ অৰ্থ আৰু মূল্য অটুট ৰাখিবলৈ হ'লে ইয়াক সৰু কালৰ পৰাই এক নিৰ্দিষ্ট উদ্দেশ্যত কামত লগাব লাগিব। লক্ষ্য আৰু উদ্দেশ্য নাথাকিলে জীৱনৰ একো মূল্য নাই। প্ৰকৃতাৰ্থত জীৱনৰ যে কোনো মূল্য নাই সেইটো সঁচা। আপুনি যিমানেই জীৱনক সঠিক ৰূপত নসজাওক কিয় মৃত্যুৰ পিছত ইয়াৰ কোনো অৰ্থ নাথাকে। জীৱন এনে এক সম্পদ যাৰ দ্বাৰা আমি নীতি-আদৰ্শৰ লগত চামিল হৈ ইয়াক উদ্‌যাপন আৰু উপভোগ কৰিবহে পাৰো। প্ৰতিটো দিনেই নিজৰ বাবে এক বিশেষ দিন হিচাপে গঢ়ি তুলিব লাগে যাতে পৰিকল্পিত ব্যস্ততাৰ মাজেৰে দিনবোৰৰ সদ্ব্যৱহাৰ কৰিব পৰা যায়।

পৃথিৱীত প্ৰতিটো জীৱৰে কিছুমান নিৰ্দিষ্ট কাম থাকে। সেই কামবোৰৰ বাবেই জন্ম হয় জীৱৰ। প্ৰতিটো জীৱই এক নিৰ্দিষ্ট সময়ৰ বাবে প্ৰকৃতিৰ সৌন্দৰ্য বঢ়ায়, প্ৰাকৃতিক শৃংখল ৰক্ষা কৰে আৰু নিজ নিজ সমাজলৈ পাৰ্যমানে বৰঙণি আগবঢ়াই থৈ যায়। যি জীৱই এই কাম কৰিব নোৱাৰে তাক জীৱন বুলি ক'ব নোৱাৰি। নিজা জেউতিৰে প্ৰকৃতিত চমক সৃষ্টি কৰি থৈ যাব পৰাটো জীৱনৰ এক মহৎ উদ্দেশ্য হোৱা উচিত। বহুত মানুহে এই মহৎ উদ্দেশ্যবোৰৰ কথা নাভাবি বৰ উশৃংখলভাৱে জীৱন যাপন কৰে। তেওঁলোকৰ জীৱনৰ উশৃংখলতাই নিজৰ লগতে আনকো বিপদত পেলাই থৈ যায়। বিবেক-বুদ্ধিহীন জীৱন জীয়াই থকাৰ অযোগ্য। মন আৰু চিন্তা থকাজনেহে জীৱনটোনো কি সেইটো বুজি পায়। অনুভৱ-অনুভূতিক উপভোগ কৰিব নোৱাৰাটো জীৱন নহয়। জীয়াই থকালৈকেহে এই সকলোবোৰৰ মূল্য থাকে। মৰাৰ পিছত জীৱনো নাথাকে আৰু অনুভৱ-অনুভূতিও নাথাকে। আমি সততে এই কথা পাহৰি থাকো যে প্ৰত্যেকটো জীৱই জীৱন মাথোঁ এবাৰেই পায়। সেইবাবে আমি প্ৰত্যেকেই জনা বুজা হোৱাৰ পৰা জীৱনৰ সদ্ব্যৱহাৰ কৰিবলৈ শিকা উচিত। জীৱটো থকালৈকে আপোনাৰ জীৱনৰ সুখ-দুখ, সদনাম-বদনাম, আনন্দ-যন্ত্ৰণা আদি প্ৰাপ্যবোৰ কেৱল আপুনিয়েই গ্ৰহণ কৰি থাকিব লাগিব। এইবোৰৰ সমভাগী হ'বলৈ কোনো নাহে। সেয়েহে জীৱনৰ প্ৰতিটো খোজ আৰু প্ৰতি পল বৰ সাৱধানে দিয়ক আৰু ব্যয় কৰক। বিশেষ কাম নথকা সময়ত নিজৰ লগতে কথা পাতি সময়বোৰ পাৰ কৰক। মনত ৰাখিব, জীৱন পানীৰ তলৰ কাঁইট। জীৱনে কোন সময়ত নিজৰ ওপৰতে প্ৰতিশোধ ল'ব সেইটো কোনেও নাজানে।



এতিয়া আহো ঈশ্বৰৰ প্ৰসংগলৈ। পূৰ্বৰ লেখাত খ্যাত জীৱন আৰু ঈশ্বৰ সম্পৰ্কে মই কিছু প্ৰাৰম্ভিক আলোচনা আগবঢ়াইছিলো। সেই আলোচনাত কৈছিলো যে মই ঈশ্বৰ বিশ্বাস নকৰো আৰু ঈশ্বৰ ভীৰুসকলক মই বেয়া পাওঁ। সমাজৰ অতি চতুৰ এক শ্ৰেণী মানুহে ঈশ্বৰ নামৰ সত্ত্বাটো সৃষ্টি কৰি ইয়াৰ দ্বাৰা মানুহক শোষণ কৰিছে, বিবেকহীন কৰিছে আৰু অন্ধবিশ্বাসৰ মায়াজালেৰে সকলোকে বন্দী কৰি ৰাখিছে। যাৰ পৰিণতিত এতিয়া বিশ্বৰ সৰহ সংখ্যক মানুহে কেৱল ঈশ্বৰ চিন্তাতে মগ্ন হৈ আনকি নিজৰ বহুমূলীয়া জীৱনটোকো মূল্যহীন কৰি পেলাইছে। মানুহে যিবোৰ ঐশ্বৰিক চিন্তাত জীৱন-যাপন কৰিবলৈ লৈছে সেয়াও এক হাস্যকৰ বিষয়। এই সম্পৰ্কত পদাৰ্থ বিজ্ঞানী ষ্টিফেন হকিঙে কৈছে, 'পৃথিৱীতহে নালাগে আন ক'তো ঈশ্বৰ নাই। কোনেও এই বিশ্ব ব্ৰহ্মাণ্ড সৃষ্টি কৰা নাই। কোনেও আমাৰ ভাগ্য আৰু ইহকাল পৰকাল নিৰ্ণয় নকৰে। এই কথাটোৰে মোক গভীৰভাৱে উপলব্ধি কৰোৱায় যে মৃত্যুৰ পিছত স্বৰ্গ আৰু নৰক নাই। এইবোৰ কেৱল মানুহৰ অলীক কল্পনাহে।' ইয়াৰ দ্বাৰা এইটো ক'ব বিচাৰিছে যে ঈশ্বৰক লৈ মানুহে যিবোৰ অলীক কল্পনা কৰে সেইবোৰ একান্তই শিশু সুলভ চিন্তা— যিবোৰ চিন্তাৰ পৰা মানুহে একো নাপায়। পৈণত মানুহে এইবোৰ চিন্তা কৰিব নাপায়। সেই একেটা কথাকে বা একেটা মতামতকে দিছে আন্তৰ্জাতিক খ্যাতি সম্পন্ন সাংবাদিক সাহিত্যিক খুছৱন্ত সিঙে। তেওঁ কৈছে— 'বাস্তৱ পৃথিৱীত ঈশ্বৰ নাই। পৃথিৱীত ঈশ্বৰ আছেনে নাই সেইটো ডাঙৰ কথা নহয়। ডাঙৰ কথাটো হৈছে আমি ভালনে বেয়া। এইটো মনত ৰখাটোহে অতি দৰ্কাৰ যে মানুহ ভাল বা বেয়া হোৱাটোৰ লগত ঈশ্বৰ বিশ্বাসৰ কোনো সম্পৰ্ক নাই। ঈশ্বৰ বিশ্বাস নকৰাকৈও আপুনি এজন সাধু-সন্ত পুৰুষ হ'ব পাৰে আৰু ঈশ্বৰ বিশ্বাসী হৈও আপুনি সমাজৰ এজন জঘন্য চৰিত্ৰৰ মানুহ হ'ব পাৰে। তেনেহ'লে ঈশ্বৰ থকা বা নথকাৰ বাবে আমাৰ কি লাভ লোকচান হ'ব? সেয়ে মোৰ ধৰ্মত ঈশ্বৰৰ কোনো স্থান নাই...।' উক্ত দুই বিশিষ্ট লেখকৰ মতে ঈশ্বৰ মানুহৰ এক অবান্তৰ ধাৰণা। এনে ধাৰণাই কাৰো মংগল সাধিব নোৱাৰে। লাভ হয় সেই সকলৰহে যি সকলে ঈশ্বৰ আছে বুলি সমাজত বিশ্বাস জন্মাব পাৰে। মানুহ যেতিয়ালৈকে অজ্ঞ হৈ থাকিব তেতিয়ালৈকে অজ্ঞানী সকলক ঈশ্বৰে শাসন কৰি থাকিব। কাৰণ বিশ্বাস হ'ল অজ্ঞতাৰ ফল।

কাৰণ মোৰ কল্পনাত ঈশ্বৰ নাই। এই ক্ষেত্ৰত ভাৰতৰ প্ৰাক্তন ৰাষ্ট্ৰপতি এ পি জে আব্দুল কালামেও কৈ থৈ গৈছে যে সমাজক জ্ঞানী কৰিবলৈ জ্ঞানৰ আলয় প্ৰতিষ্ঠা কৰিবা আৰু মুৰ্খ বা অজ্ঞানী কৰিবলৈ মন্দিৰ আৰু তীৰ্থস্থান সাজি দিবা। এতিয়া আমাৰ সমাজত এই পিছৰ প্ৰকাৰৰ চিন্তাহে বেছিকৈ হৈছে। ফৰাচি বিপ্লৱৰ নায়ক ভল্টেয়াৰে কৈছে যে বাস্তৱ ক্ষেত্ৰত ঈশ্বৰ নাই যদিও এজন আৱষ্কাৰ কৰি লোৱাটো ভাল; কিন্তু ঈশ্বৰ অনুসন্ধান কৰাটো তুচ্ছতাৰ অনুসন্ধান। ইয়াতকৈ আৰু তুচ্ছ চিন্তা মানুহৰ জীৱনত আন একো হ'ব নোৱাৰে। আইনষ্টাইনেও কৈছে যে ঈশ্বৰ শব্দটো হৈছে মানুহৰ আটাইতকৈ দুৰ্বল সৃষ্টি আৰু প্ৰকাশ।

মোৰ মতে ঈশ্বৰ হৈছে মানুহৰ কল্পনা আৰু অজ্ঞতা সৃষ্টি। সমাজত এই ঈশ্বৰ বিশ্বাসে বিভিন্ন ৰূপ পৰিগ্ৰহণ কৰি বিভিন্ন ধৰ্মৰ ৰূপ লয়। ঠিক একেদৰে স্বৰ্গ বা বেহেস্তৰ সৃষ্টিও মানুহৰ অমৰত্ব লাভৰ অলীক বাসনাৰ বাহিৰে আন একো হ'ব নোৱাৰে। ইজৰাইলৰ হিব্ৰু বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ অধ্যাপক য়ুভাল নোৱা হাৰাৰীয়েও কৈছে যে এই বিশ্ব ব্ৰহ্মাণ্ডত কোনো ঈশ্বৰ নাই। ঈশ্বৰ যদি সঁচাকেয়ে আছে তেন্তে ইয়াৰ ভিন্ন ৰূপ কিয়। সত্য যদি আছে ই কেৱল এটাই হ'ব...। ঈশ্বৰ সম্পৰ্কে এনেকৈ ক'ব পৰা মানুহ পৃথিৱীত আৰু অলেখ আছে। মই মাত্ৰ তাৰে কেইজনমানৰ উক্তিহে ইয়াত উল্লেখ কৰিলো।

খ্ৰীষ্টিয় ১৭ শ আৰু ১৮ শ শতিকাত ফ্ৰান্সিছ বেকনৰ নেতৃত্বত ইউৰোপৰ দেশবোৰত যুক্তি বিপ্লৱ আৰম্ভ হৈছিল। সেই বিপ্লৱৰ প্ৰায়বোৰ চিন্তাবিদৰ দৃষ্টিত ঈশ্বৰ মানুহৰ এক অবান্তৰ ধাৰণা বুলি চিহ্নিত হৈছিল; কিন্তু পাছৰ পৰ্যায়ত মানুহৰ ভোগ-বিলাসৰ মানসিকতা বৃদ্ধি পাই অহাত ঈশ্বৰো মানুহৰ ভোগ-বিলাসৰ আহিলা হৈ পৰিল আৰু এতিয়া ই ক্ৰমে মানুহৰ ফেচন হৈ পৰিছে। ঈশ্বৰ এতিয়া মানুহৰ আটাইতকৈ উত্তম ফেচন। এতিয়া জ্ঞান অন্বেষণৰ যুগ। ঠিক সেই যুক্তিবাদৰ যুগ। এই অবান্তৰ ঈশ্বৰ চিন্তাক একাষৰীয়া কৈ থৈ পৃথিৱীত এতিয়া নাস্তিক মানুহৰ সংখ্যা বৃদ্ধি পাই আহিছে। তেওঁলোকক মই ঠিক নাস্তিক বুলি নকওঁ। মোৰ মতে তেওঁলোক যুক্তি পুৰুষ। পৃথিৱীৰ সুখী মানুহৰ দেশ ফিনলেণ্ড, ডেনমাৰ্ক, আইচলেণ্ড, ছুইজাৰলেণ্ড, নেডাৰলেণ্ড আদিত এতিয়া যুক্তি পুৰুষৰ সংখ্যা দ্ৰুত গতিত বৃদ্ধি পাইছে। সেইবোৰ দেশত আইন আদালত আৰু কাৰাগাৰ লাহে লাহে কমি আহিছে। তাৰ সকলো মানুহেই যুক্তিবাদী আৰু সত্যবাদী। কোনো পৰিস্থিতিতে অবান্তৰ চিন্তা কৰি ঈশ্বৰৰ আশ্ৰয় নলয়। মানুহৰ জীৱনবোৰ বৰ স্বতন্ত্ৰ আৰু কৰ্মময়। বয়সীয়া মানুহবোৰক সভা-বৈঠকত নিজৰ জীৱনৰ অভিজ্ঞতা আৰু সেই অভিজ্ঞতাৰ পৰা পোৱা জ্ঞানবোৰ ক'বলৈ নিমন্ত্ৰণ কৰে। সেইবোৰ শুনি নতুন চাম নতুন জ্ঞানেৰে আগবাঢ়ি যায়। তাত কোনো মানুহেই নিজৰ জীৱনজোৰা অভিজ্ঞতাবোৰৰ ভাগ আন কাকো নিদিয়াকৈ নিজৰ সমাধিলৈ কঢ়িয়াই নিব লগা নহয়। তাৰ ভাগ সকলোকে দি যায়; কিন্তু ঈশ্বৰ ভীৰু দেশত মানুহে নিজৰ জীৱনত লাভ কৰা অভিজ্ঞতাবোৰৰ ভাগ কাকো নিদিয়াকৈ সেইবোৰ নিজৰ সমাধিলৈ কঢ়িয়াই নিব লগা হয়। এয়া মানৱ জীৱনৰ কৰুণ পৰিণতি। আমাৰ দেশত মানুহৰ বয়স হৈ আহিলে ধৰ্মীয় সাজ পিন্ধাই নামঘৰ-মন্দিৰ আৰু তীৰ্থ দৰ্শনলৈ পঠায়। এইবোৰ কৰাৰ মূল উদ্দেশ্য হ'ল বুঢ়া বয়সত তুচ্ছ চিন্তা কৰা; কিন্তু সেই একেজন লোকক সভা-বৈঠকলৈ নপঠায়। কাৰণ তেওঁ জীৱনৰ বাবে প্ৰয়োজনীয় কথা ক'ব। সেইবোৰ শুনি নতুন প্ৰজন্ম ভাল হ'ব। জীৱনৰ পদে পদে সাৱধান হৈ চলিব পাৰিব। এইবোৰ হ'বলৈ আমাৰ ঈশ্বৰ সেৱকসকলে নিদিয়ে। ঈশ্বৰৰ নাম লৈ অলীক স্বৰ্গলৈ যোৱাৰ ব্যৱস্থা কৰে। যেতিয়ালৈকে আমাৰ সমাজত ঈশ্বৰ থাকিব তেতিয়ালৈকে তুচ্ছ চিন্তাও থাকিব।

পৃথিৱীৰ গৰিষ্ঠ সংখ্যক মানুহে এই বিশ্বব্ৰহ্মাণ্ড ঈশ্বৰে সৃষ্টি কৰিলে বুলিয়েই ধৰি লৈ নিতৌ ঈশ্বৰ উপাসনা কৰে। এই ক্ষেত্ৰত মোৰ দৰে এজন সাধাৰণ মানুহে ঈশ্বৰ নাই বুলি ক'লে হ'ব জানো; কিন্তু মই এইটোও কওঁ যে সমগ্ৰ বিশ্ববাসীয়ে ধাৰণ কৰা এটা বিষয় হয়তো মিছা হ'ব পাৰে। আৰু এজন মাত্ৰ মানুহে কোৱা এটা কথাই সত্য হ'ব পাৰে। ইয়াৰ উদাহৰণ হ'ল মহান চিন্তাবিদ গেলিলিও'। মই ধৰি লৈছো যে পৃথিৱীত ঈশ্বৰ নাই। তেন্তে এতিয়া ঈশ্বৰৰ নামত ব্যয় কৰা সময় আৰু আমি কি কামত খটুৱাম। মোৰ মতে এই সমস্ত সময় আৰু ধন নিজৰ লগতে সামাজিক সন্তুষ্টি আৰু হিতৰ বাবে ব্যয় কৰিব পাৰিলেই জীৱনটো সফল হ'ব। মই সংস্কৃতি ভাল পাওঁ। ভাল পাওঁ কৃষ্টি পৰম্পৰা আৰু উৎসৱ। কিন্তু এইবোৰ ঈশ্বৰকেন্দ্ৰিক হ'লে বেয়া পাওঁ। কাৰণ মোৰ আনন্দত ঈশ্বৰৰ কোনো স্থান নাই। যিহেতু মই প্ৰকৃতিৰহে সন্তান। ঈশ্বৰৰ নহয়।

আমাৰ জীৱনৰ প্ৰধান উদ্দেশ্য হ'ব লাগে সুখে-সন্তোষে জীয়াই থাকি সত্য, ন্যায়, অহিংসা, শ্ৰদ্ধা আৰু ভদ্ৰতাৰ প্ৰতিপালন কৰা। কিন্তু ঈশ্বৰ উপাসক কোনো মানুহৰ গাত এই গুণবোৰ মই আজিলৈকে দেখা নাই। ঈশ্বৰ উপাসক সকল বাহিৰে যিমান সহজ আৰু সৰল, ভিতৰি কিন্তু তাৰ হেজাৰগুণে ভয়ংকৰ আৰু বিপজ্জনক। বিগত দিনৰ আমাৰ দেশৰ মন্দিৰ আৰু তীৰ্থস্থানবোৰত ঘটি যোৱা বিভৎস ঘটনাবোৰেই তাৰ প্ৰমাণ। এজন নাস্তিক বা যুক্তি পুৰুষ কিন্তু তেনেকুৱা নহয়। তেওঁলোক হ'ল মানৱ জাতিয়ে ভৰসা কৰিব পৰা একো একোজন ব্যক্তি আৰু এখন সমাজ।

*লেখক লখিমপুৰ এল. টি. কে. কলেজৰ অৰ্থনীতি বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক*
ফোন : ৯৯৫৪৩৯১৪৩৪

# প্ৰজ্ঞা আৰু স্বজ্ঞা

নীলিমা গোস্বামী

**প্ৰথম** অৱস্থাত ফোন নম্বৰবোৰ সকলোৰে মুখে মুখে আছিল। অৰ্থাৎ মুখস্থ আছিল। পাছত যেতিয়া 'ছেভ' কৰি থোৱাৰ প্ৰক্ৰিয়া আৰম্ভ হ'ল, তেতিয়া সদায় ব্যৱহাৰত থকা ফোন নম্বৰটোও মনত নথকা হ'ল। আদিম যুগত যেতিয়া লিপিৰ আৱিষ্কাৰ হোৱা নাছিল তেতিয়া মানুহৰ চেতনাৰ জগতখন বৰ সংবেদনশীল আছিল। বৰ প্ৰখৰ আছিল। তীব্ৰ সচেতনতাৰ কাৰণে মানুহে, মানুহৰ ভাৱজগতখন মনৰ চকুৰে পঢ়িব পাৰিছিল, প্ৰাচীন কালত জ্ঞান-বিজ্ঞানৰ আদান-প্ৰদান হৈছিল ভাৱ-চিন্তাৰ মাধ্যমেৰে। ক্ৰমান্বয়ে স্মৃতিৰ দ্বাৰা ই সুৰক্ষিত হৈছিল। মুখে মুখে প্ৰচলিত হৈ আছিল, যেতিয়ালৈকে লিপিৰ আৱিষ্কাৰ হোৱা নাছিল। লিপিৰ আৱিষ্কাৰ হোৱাৰ পাছত স্মৃতিৰ সংৰক্ষণ কিছু পৰিমাণে কমি গ'ল, লিখি থ'লেই হয় যেতিয়া, মনত পোনপটীয়াকৈ ৰাখি নথ'লেও চলি যায়। লিপিৰ আৱিষ্কাৰেৰে সভ্যতাৰ এটা খোজত অগ্ৰসৰ হ'ল মানৱ; কিন্তু ক্ৰমান্বয়ে উচ্চ সচেতনতাৰে সমৃদ্ধ অন্তৰখনৰ প্ৰখৰতা হ্ৰাস পালে। মানুহৰ মাজৰ পৰা সেই প্ৰজ্ঞাশীলতা যেন নোহোৱা হ'ল। প্ৰাচীন কালৰ লিখিব-পঢ়িব নজনা অশিক্ষিত অজ্ঞ বুলি ভবা মানুহবোৰ আচলতে, উচ্চ চেতনালব্ধ অন্তৰেৰে বেছি শিক্ষিত আৰু আধ্যাত্মিক আছিল— প্ৰাচীন যুগৰ সেই আশীৰ্বাদ দিয়া, বৰ দিয়া, অভিশাপ দিয়া প্ৰথাবোৰ, লগতে অন্তৰ্বিদ্যাৰ দৰে কথাবোৰো উচ্চ ক্ষমতাসম্পন্ন অন্তৰেই শক্তি আছিল।

দূৰদূৰণিৰ কোনোবাজনৰ লগত অজানিতে যেতিয়া মনৰ সংযোগ স্থাপন হয়, তাকেই অন্তৰ্বিদ্যা বা টেলিপেথী বুলি কয়। কোনোবা এজন মানুহে যদি তেওঁৰ কোনোবা বন্ধু বা আত্মীয় এজনৰ কথা ভাবি থাকে আৰু সেইদৰেই আহি তেওঁৰ দৰ্জাৰ কলিং বেল বজাই সোমাই আহে; অথচ সচৰাচৰ আহ-যাহ নথকা, সেইজন মানুহ সেই সময়ত অহাৰ কোনো সম্ভাৱনাই নাছিল। অথবা বহুত দিন দেখা সাক্ষাৎ নোহোৱা এজন অতীততে এৰি অহা বন্ধুৰ কথা ভাবি থাকোতে ফোনটো বাজিল আৰু আচৰিত ধৰণৰে সেইজন বন্ধুৱেই ফোন কৰিছে— এনে ধৰণৰ কথাবোৰ বা মনৰ অজানিত সংযোগবোৰকে টেলিপেথী বোলা হয়।

৫৫ শতাংশ ছ'চিয়েল ছাইণ্টিষ্ট, আৰু ৭৭ শতাংশ সৰ্বসাধাৰণে বিশ্বাস কৰে যে টেলিপেথী এটা প্ৰতিষ্ঠিত সত্য বা নুই কৰিব নোৱাৰা এটা সম্ভাৱনা। কোনো কোনোৱে এনেধৰণৰ ঘটনাক কাকতালীয় বা Co Incidence বুলি পাতলাই থয়। কাউৰীটো তালগছ জোপাত আহি



বহাৰ লগে লগে তালটো তলত পৰি গ'ল, ' কাকো পৰিল, তালো সৰিল'। যেন কাউৰীৰ ভৰতহে তালটো সৰি পৰিল। আচলতে তালটো পকি সৰি পৰিব খোজাৰ সময়তে কাউৰীটো গছত বহিল। কিন্তু সকলোবোৰ কথা কাকতালীয় হ'ব নোৱাৰে। উদাহৰণ স্বৰূপে সঘন আহ-যাহ নথকা আৰু অহাৰ একেবাৰে সম্ভাৱনা নথকা, এজন মানুহৰ কথা মনলৈ অহাৰ লগে লগে, মানুহজনে আহি বেল বজোৱা ঘটনাটো কাকতালীয় হ'ব নোৱাৰে।

পল কাৰ্টজ নামৰ এজন চিন্তাবিদ ধৰ্মবিশ্বাস আৰু ভৌতিক বিশ্বাসৰ মাজত সংযোগ স্থাপন কৰি লিখি উলিয়াইছে এখন কিতাপ নাম 'Transcedental temptation' য'ত এনেবোৰ কথা সন্নিৱিষ্ট কৰা হৈছে। তেওঁৰ মতে এই Temptationৰ মূল ভেটি হৈছে, কিছুমান যাদুকৰী চিন্তা। এনে চিন্তা কৰা লোকসকলৰ মতে দৃশ্যমান জগতখনৰ বাহিৰেও, আন এখন অদৃশ্য জগত আছে, য'ত কিছুমান অদৃশ্য শক্তিয়ে, আমাৰ অজ্ঞাতে কাম কৰি থাকে আৰু এই শক্তি কেতিয়াও কোনোপধ্যে মানুহৰ জালত আৱদ্ধ নহয়। মানুহ যিমানেই উন্নতিৰ জখলাত আগবাঢ়ি গৈছে সিমানেই যুক্তি নিৰ্ভৰশীল হৈছে। যুক্তিৰ তুলাচনীত জুখি-মাখিহে যিকোনো সিদ্ধান্ত লৈ অহাৰ কথা ভাবিছে। তথাপি দেখা যায় সমান্তৰালভাৱে দপ্‌দপাই টিকি আছে ভাগ্য পৰীক্ষাৰ খেল লটাৰী। কথাই কথাই ভাগ্যক দোহাই দি আমি এক অদৃশ্য শক্তিক স্বীকাৰ কৰো, যি আমাক নিয়ন্ত্ৰণ কৰি আছে বুলি ভবো। 'ভাগ্য' শব্দটোৱেও আমাক পৰোক্ষভাৱে অবৈজ্ঞানিক কথা এটাকৈ প্ৰশ্ৰয় দিয়াৰ কথা সোঁৱৰাই দিয়ে। আমি সকলোৱে আচলতে পৰোক্ষভাৱে অদৃষ্টৰ কৃপাদৃষ্টিৰে ভাগ্যবান আৰু কোপ দৃষ্টিৰে দুৰ্ভগীয়া হোৱা বুলি স্বীকাৰ কৰো। শিক্ষিত যুক্তিবাদী মানুহেও কেতিয়াবা যুক্তিৰ সীমাৰেখা অতিক্ৰম কৰে—কিয়নো কিছুমান প্ৰশ্নৰ উত্তৰ কেৱল বৌদ্ধিকতাৰ দৃষ্টিকোণেদি বিচাৰ কৰিলে পোৱা নাযায়। জীৱনত জানিবলগীয়া বহুত কথাই আমি নাজানো, যিবোৰ আমাৰ বোধ শক্তিৰ বাহিৰত। জন্মান্ধ মানুহে যেনেকৈ গাখীৰৰ বগা ৰঙৰ বিষয়ে অৱগত নহয়, তেনেকৈ আমিও আমাৰ বোধশক্তিৰ বাহিৰৰ কথা উপলব্ধি কৰিব নোৱাৰো। পঞ্চ ইন্দ্ৰিয়ক সীমাতেই আমাৰ ধাৰণা সীমিত হৈ থাকে। কিন্তু কেতিয়াবা কিছুমান বিচিত্ৰ ঘটনাই, আমাক ষষ্ঠ ইন্দ্ৰিয় এটাৰ কথা সোঁৱৰাই দিয়ে। একেবাৰে ক'লা মানুহেও সুমধুৰ গীত ৰচনা কৰে। বিথ'ভেনে যেতিয়া তেওঁৰ সৰ্বশ্ৰেষ্ঠ চিম্ফনীৰ সুৰ দিছিল তেওঁ কাণেৰে একো নুশুনিছিল। জন্মৰে পৰা অন্ধ সুৰদাসে তেওঁৰ কবিতাত ৰূপ বা সৌন্দৰ্যৰ যি বৰ্ণনা দিছে, সেয়া পঢ়িলে কোনে ক'ব তেওঁ অন্ধ আছিল বুলি। ইন্দ্ৰিয়াতীত কিছুমান বিৰল ঘটনাও কেতিয়াবা ঘটি যাব পাৰে। কেতিয়াবা হয়তো মানুহৰ ষষ্ঠ ইন্দ্ৰিয় হঠাতে কাৰ্যক্ষম হৈ পৰে। যিটোক স্বজ্ঞা বুলি কোৱা হয়। পাশ্চাত্যত কয়—Extra-Sensory Perception বুলি। টেলিপেথীও ষষ্ঠ ইন্দ্ৰিয়ই দিয়া এক সংকেত বুলি বুজনসংখ্যক লোকে মানি লয়। ষষ্ঠ ইন্দ্ৰিয় হঠাতে জাগ্ৰত হৈ টেলিফোন ৰাৱলেছৰ সহায় নোহোৱাকৈয়ে দুটা মনৰ মাজত সংযোগ স্থাপন কৰে। ড° সৰ্বপল্লে ৰাধাকৃষ্ণণে তেওঁৰ কিতাপ 'An idealist view of life' ত লিখিছে যে ইন্দ্ৰিয়ৰ দ্বাৰা আৰু বুদ্ধিৰ দ্বাৰা আমি যি কোনো বস্তুৰ বিষয়ে জ্ঞান লাভ কৰিব পাৰো। কিন্তু এই দুটাৰ অবিহনেও স্বজ্ঞাৰ দ্বাৰাও আমি কেতিয়াবা কিছুমান কথা জানিব পাৰো।

সাধাৰণতে মানুহে নিজৰ মনৰ কথা ভাষাৰে বা ভাৱ-ভংগীৰে আনক বুজায়, কিন্তু অন্তৰ্বিদ্যাই এজন ব্যক্তিৰ মনৰ লগত পোনপটীয়াকৈ সংযোগ কৰিব পাৰে। ৰাধাকৃষ্ণণৰ মতে স্বজ্ঞাত চৈতন্যই সেই বোধশক্তি জাগ্ৰত কৰে, ই ইন্দ্ৰিয়গ্ৰাহ্য নহয়, চৈতন্য গ্ৰাহ্যহে।

স্বজ্ঞাই হওক বা প্ৰজ্ঞাই হওক, দুয়োটা অন্তৰস্থলৰ সম্পদ। প্ৰজ্ঞা হ'ল মানুহৰ হৃদয়বৃত্তৰ অধিক সচেতনতাৰ শক্তি। স্বজ্ঞাও একপ্ৰকাৰ দৈৱিক সচেতনতাৰে আকস্মিকভাৱে প্ৰকট হোৱা শক্তি। ভাগ্যক ধিয়াই থকাৰ কাৰবাৰটোও হয়তো এসময়ত নোহোৱা হ'বগৈ।

মেটেৰিয়েলিষ্টিক জগতলৈ দ্ৰুতগতিত ধাৱমান হোৱা মানুহ এতিয়া যন্ত্ৰৰ দাস। অন্তৰ জগতৰ আৱেগ- অনুভূতিবোৰ ক্ৰমান্বয়ে নোহোৱা হ'বলৈ আৰম্ভ কৰিছে। হাঁহি-কান্দোন দুখ-বেজাৰ বা আনন্দ-স্ফূৰ্তিবোৰ একোটা ইমজীয়ে সামৰি লৈছে। এনেকৈ ৰবটিক জীৱনত অভ্যস্ত হৈ থাকিলে অদূৰ ভৱিষ্যতে মানুহে চাগে নিজৰ নামটোও ম'বাইল চাইহে ক'ব পাৰিবগৈ।

*ফোন : ৯৯৫৪০৩৫৪৪৪*

# টংলা শতদল সাহিত্য সভাৰ ৫৯ সংখ্যক প্ৰতিষ্ঠা দিৱস উদ্‌যাপন



অগ্ৰদূত বাৰ্তা

**টংলা, ২৯ ছেপ্টেম্বৰ:** অসম সাহিত্য সভাৰ অন্যতম টংলা শতদল সাহিত্য সভাৰ ৫৯ সংখ্যক প্ৰতিষ্ঠা দিৱসটি কালি নিজা কাৰ্যালয় ভৱনত অনুষ্ঠিত কৰা হয়। পুৱা ন বজাত অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰে টংলা শতদল সাহিত্য সভাৰ সভাপতি গৌৰীশংকৰ দাসে। বন্তি প্ৰজলন আৰু স্মৃতি তৰ্পণ কৰে টংলা সাহিত্য সভাৰ উপ-সভাপতি শিৱ প্ৰসাদ হাজৰিকাই। টংলা সাহিত্য সভাৰ প্ৰাচীৰ পত্ৰিকা 'ৰামধেনু'ৰ যুটীয়া-সম্পাদক সবিতা ৰাণী মহলীয়া আৰু জয়ন্ত দাস সম্পাদিত টংলা সাহিত্য সভাৰ প্ৰাচীৰ পত্ৰিকা ২০২২ বৰ্ষৰ, চয় সংখ্যা উন্মোচন কৰে টংলাস্থিত নেচনেল পায়'নিয়াৰ ছিনিয়ৰ চেকেণ্ডাৰী স্কুলৰ অধ্যক্ষ চৈয়দ পাৰভিজুল ইচলামে। ১০ বজাত স্মৃতি ৰোমন্থন আৰু অন্তৰংগ আলাপ অনুষ্ঠান টংলা সাহিত্য সভাৰ সদস্য আৰু সদস্যাসকলৰ দ্বাৰা 'চিৰ চেনেহী মোৰ ভাষা জননী' গীতেৰে শুভাৰম্ভণি কৰা হয়। টংলা সাহিত্য সভাৰ সম্পাদক দিবাকৰ বড়াই আঁত ধৰা স্মৃতি ৰোমন্থন আৰু অন্তৰংগ আলাপ অনুষ্ঠানৰ সঞ্চালনা কৰে টংলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি নবীন বেজবৰুৱাই আৰু অনুষ্ঠান উদ্বোধন কৰে প্ৰাক্তন সভাপতি তথা বিশিষ্ট শিক্ষাবিদ বিনয় কুমাৰ মেধিয়ে। মুখ্য অতিথি হিচাবে ওদালগুৰি জিলা সাহিত্য সভাৰ উপ-সভাপতি আদিত চন্দ্ৰ কলিতা, সন্মানিত অতিথি হিচাপে টংলা সাহিত্য সভাৰ প্ৰাক্তন সভাপতি লোকেশ্বৰ ডেকা, ঘন কান্ত ডেকা আৰু সমাজ সেৱক বলিৰাম ডেকাই ভাষণ প্ৰদান কৰে। সভাত গীত পৰিবেশন কৰে ক্ৰমে লক্ষ্যহীৰা চহৰীয়া,অনিমা নাথ চহৰীয়া আৰু বাগ্‌চা জিলা সাহিত্য সভাৰ প্ৰাক্তন কাৰ্যনিৰ্বাহক সদস্য উদ্ধৱ দাসে । অনুষ্ঠানত কবিতা পাঠ কৰে টংলা সাহিত্য সভাৰ প্ৰাক্তন উপ-সভানেত্ৰী চন্দ্ৰ প্ৰভা দত্ত, অসম সাহিত্য সভাৰ হিতৈষী সভ্য ৰঞ্জি শইকীয়া ডেকা আৰু দেৱজিত শৰ্মাই। টংলা সাহিত্য সভাৰ পুথিভঁৰাল সম্পাদক উমেশ চন্দ্ৰ দাস, সাংস্কৃতিক মহাসভা অসমৰ ওদালগুৰি জিলা জিলা সমিতিৰ সম্পাদক জ্ঞানেদ্ৰ কুমাৰ চলিহা, টংলা মহাবিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক ঘটেশ্বৰ বৰুৱা ,উত্তৰ দৰং মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ মনোৰঞ্জন শৰ্মা প্ৰমুখ্যে সাহিত্যনুৰাগী ব্যক্তি উপস্থিত থকা অনুষ্ঠান জাতীয় সংগীতেৰে সামৰণি পৰে।

# ধুবুৰী আদালত চৌহদত ই-সেৱা কেন্দ্ৰ মুকলি



**ধুবুৰী, ২৯ ছেপ্টেম্বৰ ঃ** ধুবুৰী জিলা আদালত চৌহদত কালি এটা ই-সেৱা কেন্দ্ৰ মুকলি কৰা হয়। সৰ্বসাধাৰণ ৰাইজ আৰু অধিবক্তাসকলৰ সহায় হোৱাকৈ উচ্চতম ন্যায়ালয়ৰ ই-কমিটীৰ পৰামৰ্শ অনুসৰি স্থাপন কৰা ডিজিটেল কেন্দ্ৰটো মুকলি কৰে ধুবুৰী জিলা আৰু সত্ৰ ন্যায়াধীশ পি চি কলিতাই। এই উপলক্ষে আয়োজিত এখন সভাত ধুবুৰী জিলা আৰু সত্ৰ ন্যায়াধীশ কলিতাই কয় যে ই-সেৱা কেন্দ্ৰ স্থাপন কৰাটো ধুবুৰীবাসীৰ বাবে অতি আনন্দৰ কথা। ইয়াৰ জৰিয়তে গুচৰীয়া আৰু অধিবক্তাসকলে অতি সহজে গোচৰৰ বৰ্তমান স্থিতি, মোকদ্দমাৰ পৰৱৰ্তী তাৰিখ আদি বিভিন্ন বিষয় সন্দৰ্ভত অৱগত হ'ব পাৰিব। পৰ্যায়ক্ৰমে এই কেন্দ্ৰৰ জৰিয়তে গোচৰ সংক্ৰান্তীয় প্ৰমাণীকৃত নথি উপলব্ধ কৰা হ'ব। বিনামূলীয়া আইন সাহায্য সেৱা লাভ কৰাৰ প্ৰক্ৰিয়াৰ বিষয়েও ৰাইজে এই কেন্দ্ৰত জানিব পাৰিব। তেওঁ কয় যে আদালত চৌহদৰ গেটৰ কাষতে স্থাপন কৰা কেন্দ্ৰটোৱে আদালতলৈ অহা ৰাইজৰ সমস্যাৰ বহুখিনি সমাধান কৰিব। সভাত ধুবুৰী পাৰিবাৰিক আদালতৰ প্ৰধান ন্যায়াধীশ বিজয়ালক্ষ্মী, পক্স' আদালতৰ প্ৰধান ন্যায়াধীশ পলি কটকী আৰু ধুবুৰী উকীল সন্থাৰ সভাপতি এন আই চৌধুৰীয়ে ভাষণ প্ৰদান কৰি ই-সেৱা কেন্দ্ৰৰ প্ৰয়োজনীয়তা আৰু সুবিধাৰ বিষয়ে ব্যাখ্যা দাঙি ধৰে। সভাত কে'বাগৰাকী ন্যায়িক বিষয়া, কে'বাগৰাকী অধিবক্তা আৰু আদালতৰ কৰ্মচাৰীসকল উপস্থিত থাকে।

### ৰাইজে সহজে জানিব পাৰিব গোচৰৰ সবিশেষ

# খাগৰিজান মহাবিদ্যালয়ত আনন্দৰাম ঢেকিয়াল ফুকনৰ জন্ম দিৱস উদ্‌যাপন

বিশেষ সংবাদদাতা

**নগাঁও, ২৯ ছেপ্টেম্বৰ ঃ** অখিল ভাৰতীয় সাহিত্য পৰিষদৰ উদ্যোগত, পৰিষদৰ নগাঁও জিলা শাখা সমিতি আৰু খাগৰিজান মহাবিদ্যালয়ৰ যৌথ সহযোগত অসমীয়া ভাষাৰ পুনৰ প্ৰতিষ্ঠাপক আনন্দৰাম ঢেকিয়াল ফুকনৰ জন্ম দিৱসৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ৰ সভাকক্ষত কালি স্মৃতিচাৰণ আৰু গ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত হয়। সভাৰ আৰম্ভণিতে আনন্দৰাম ঢেকিয়াল ফুকনৰ প্ৰতিচ্ছবিৰ সন্মুখত বন্তি প্ৰজ্বলন কৰা হয়। বন্তি প্ৰজ্বলন কৰে মহাবিদ্যালয়খনৰ অধ্যক্ষ ড° ৰমেশ নাথে। এটি বৰগীতেৰে আৰম্ভ হোৱা সভাখনত কে'বাগৰাকী বিশিষ্ট লোকে অংশগ্ৰহণ কৰে। অখিল ভাৰতীয় সাহিত্য পৰিষদৰ ৰাজ্যিক সমিতিৰ কাৰ্যকৰী সভাপতি দেৱেশ্বৰ কলিতাৰ সভাপতিত্বত অনুষ্ঠিত সভাত 'অসমীয়া জাতীয় জীৱনলৈ আনন্দৰাম ঢেকিয়াল ফুকনৰ অৱদান' শীৰ্ষক বক্তৃতা প্ৰদান কৰে আকাশবাণী নগাঁও কেন্দ্ৰৰ জ্যেষ্ঠ ঘোষক চিদানন্দ দেৱ গোস্বামীয়ে। বক্তৃতা প্ৰদান কৰি গোস্বামীয়ে আনন্দৰাম ঢেকিয়াল ফুকনৰ জীৱন দৰ্শনৰ ব্যাখ্যা কৰাৰ লগতে ফুকনৰ জন্ম লগ্নৰ ইতিহাস দাঙি ধৰে। ভাষণ প্ৰসংগত গোস্বামীয়ে কয়- ঢেকিয়াল ফুকন এজন আধুনিক মনৰ ব্যক্তি আছিল। নিজৰ অতি চমু জীৱন কালত আনন্দৰাম ঢেকিয়াল ফুকনে অসমীয়া ভাষা সাহিত্য সুৰক্ষাৰ বাবে আগবঢ়াই যোৱা অৱদান মনকৰিবলগীয়া। ব্ৰিটিছৰ অধীনত কাম কৰিও তেওঁ জাতীয় চিন্তা আৰু চেতনাক সদায় অগ্ৰাধিকাৰ দিছিল। অসমীয়া ভাষা সাহিত্য সুৰক্ষাৰ ক্ষেত্ৰত ঢেকিয়ল ফুকনৰ অৱদান অনবদ্য আছিল। সভাখন উদ্বোধন কৰি দিয়া ভাষণত অখিল ভাৰতীয় সাহিত্য পৰিষদৰ ৰাজ্যিক সমিতিৰ মুখ্য উপদেষ্টা ধীৰেন শৰ্মাই কয় - অসমীয়া ভাষা প্ৰাচীন আৰু বলিষ্ঠ ভাষা। অসমীয়া ভাষা সাহিত্য ঐতিহ্যপূৰ্ণ ।এটা ভাষা বলিষ্ঠ ভাষা হ'বলৈ হ'লে ২০০ বছৰ আগৰ পৰা ৰূপৰেখা তৈয়াৰ হ'ব লাগিব। কে'বা শতিকাৰ আগতেই অসমীয়া ভাষাৰ ৰূপৰেখা তৈয়াৰ হৈছিল। আনন্দৰাম ঢেকিয়াল ফুকনৰ কথা উল্লেখ কৰি শৰ্মাই কয়— তেওঁৰ অন্তৰত আধুনিক মনৰ চিন্তা প্ৰবাহিত হৈছিল। সভাত নগাঁও জিলা সাহিত্য সভাৰ সভাপতি পৰাণ বৰুৱা আৰু প্ৰাক্তন মন্ত্ৰী গিৰীন্দ্ৰ কুমাৰ বৰুৱা, অখিল ভাৰতীয় সাহিত্য পৰিষদৰ নগাঁও জিলা সমিতিৰ সভাপতি ড° দিলিপ শৰ্মা আদিয়ে অংশগ্ৰহণ কৰে। সভাতেই ড° দিলীপ শৰ্মাৰ 'ধৰ্ম ঔৰ সংস্কৃতি কে উত্থান মে মহাপুৰুষ শংকৰদেৱ কা অনন্য যোগদান' আৰু চন্দ্ৰ কান্ত শইকীয়াৰ 'প্ৰস্তৰ পুৰুষ' নামৰ গ্ৰন্থ দুখন উন্মোচন কৰা হয়।

### অসমীয়া ভাষা সাহিত্য সুৰক্ষাৰ ক্ষেত্ৰত ঢেকিয়াল ফুকনৰ অৱদান অনবদ্য

# অসম আৰক্ষীৰ সঞ্চালকপ্ৰধানৰ গৃহ জিলাত অবাধ গতিত গৰুৰ ব্যৱসায়

**■আৰক্ষীৰ ভূমিকা সন্দেহজনক ■ব্যৱস্থা গ্ৰহণ কৰিবলৈ দাবী ৰাইজৰ**

অগ্ৰদূত বাৰ্তা

**দিচাংমুখ, ২৯ ছেপ্টেম্বৰ ঃ** যি সময়ত অসম চৰকাৰে গো সুৰক্ষা আইনৰ জৰিয়তে পশুধনৰ সৰবৰাহ বন্ধ কৰিছে, সেই সময়তে অসম আৰক্ষীৰ সঞ্চালক প্ৰধান ভাস্কৰজ্যোতি মহন্তৰ গৃহ জিলা শিৱসাগৰতে অবাধ গতিত দুজনমান গৰু ব্যৱসায়ীৰ জৰিয়তে অসমৰ বিভিন্ন জিলাৰ লগতে বহিঃৰাজ্যলৈ গো-ধন সৰবৰাহ কৰি থকাৰ তথ্য পোহৰলৈ আহিছে। আমাৰ হাতত পৰা তথ্য মতে দিচাংমুখৰ টেকেলীফুটা পাৰঘাটেদি প্ৰতি বৃহস্পতিবাৰে ধেমাজি জিলাৰ চিলাপথাৰ আৰু মাজুলীৰ পৰা শ শ গো-ধন সৰবৰাহ কৰি নগালেণ্ডলৈ যোগান ধৰি আহিছে। উল্লেখ্য যে ৩৭ নম্বৰ ৰাষ্ট্ৰীয় ঘাইপথেদি গো-ধন সৰবৰাহ কৰিলে সৰ্বসাধাৰণ ৰাইজৰ লগতে আৰক্ষীৰ চকুত পৰাৰ আশংকা কৰি এই গো-সৰবৰাহকাৰী চক্ৰটোৱে ভিতৰুৱা গাঁও অঞ্চলৰ মাজেদি নামতিৰ ৰেল লাইনৰ কাষেদি ক্ষুদ্ৰ ভুদ্ৰ গোটত ১০/১৫ টাকৈ গৰু মানুহেৰে দি খেদি নি হালোৱাটিঙত গৰু বিলাক একগোট কৰি নিশাৰ ভাগত নগালেণ্ডৰ ভিতৰত প্ৰৱেশ কৰি বিভিন্ন জিলালৈ প্ৰেৰণ কৰাৰ এক ভয়ংকৰ তথ্য পোহৰলৈ আহিছে। এই ক্ষেত্ৰত বাগলৰ ভলুকা, দুৰ্ণ, ফৰিজত, ডিমৌমুখৰ ইমতাজ, ৰিৰিয়া ডিকু মাইনা, ধন, পাপু, দৰবাৰ ৰোডৰ জাব্বাৰে মাজুলী আৰু চিলাপথাৰৰ পৰা গৰু ক্ৰয় টেকেলীফুটা পাৰঘাটেদি পাৰ কৰি ডিমৌমুখ আৰু বাগলত একগোট কৰি পুৱতি নিশা হালোৱাটিঙত এক অজ্ঞাত স্থানত মজুত কৰে। হালোৱাটিঙৰ পৰা বাবু আৰু আছাদুল্লাৰ নেতৃত্বত এই গো-ধনবিলাক নগালেণ্ডৰ বিভিন্ন জিলাত যোগান ধৰি আহিছে। উল্লেখ্য যে এই চক্ৰটোৱে মাজুলী আৰু চিলাপথাৰৰ পৰা ক্ৰয় কৰি অনা গো-ধনবিলাকৰ বাবদ দিচাংমুখত থকা পশু বজাৰখন বন্ধ যদিও প্ৰতিটো গো-ধনৰ পৰা টায়ে উপাধিৰ লেচীগৰাকীয়ে তিনিশ টকাকৈ অবৈধভাৱে ধন সংগ্ৰহ কৰিছে আৰু ইয়াৰ বাবদ কোনো ধৰণৰ ৰছিদ প্ৰদান নকৰাৰো অভিযোগ উঠিছে। ইফালে এখন জিলাৰ পৰা আন এখন জিলালৈ গৰু সৰবৰাহ বন্ধ যদিও শিৱসাগৰ জিলাৰ দিচাংমুখ, ডিমৌমুখ আৰু বাগলৰ পৰা এখন আৰক্ষী চকী আৰু দুখন থানাৰ সন্মুখেদি কিদৰে গো-ধন সৰবৰাহ কৰি হালোৱাটিঙেদি নগালেণ্ডলৈ সৰবৰাহ কৰিব পাৰিছে তাকে লৈ ৰাইজৰ মাজত তীব্ৰ প্ৰতিক্ৰিয়াৰ সৃষ্টি হৈছে। দিচাংমুখৰ পশু বজাৰ বন্ধ হৈ থকাৰ পাছতো লেচীয়ে অবৈধভাৱে তিনিশ টকাকৈ ধন লোৱা, টেকেলীফুটা পাৰ ঘাটেদি ফেৰীত এখন জিলাৰ পৰা আন এখন জিলালৈ গো-ধন সৰবৰাহ কৰা আৰু অসমৰ পৰা নগালেণ্ডলৈ গো-ধন চালান দিয়া এই চক্ৰটোৰ বিৰুদ্ধে আজি পৰ্যন্ত শিৱসাগৰ আৰক্ষীয়ে কোনো ধৰণৰ ব্যৱস্থা গ্ৰহণ নকৰাক লৈ এক প্ৰভাৱশালী ৰাজনৈতিক চক্ৰ জড়িত হৈ থকা বুলি সৰ্বসাধাৰণ ৰাইজৰ মাজত সৰৱ আলোচনা শুনিবলৈ পোৱা হৈছে।

# মিছামৰাত শৈক্ষিক সভা সম্পন্ন

অগ্ৰদূত বাৰ্তা

**বৰুৱাবামুণগাঁও, ২৯ ছেপ্টেম্বৰ ঃ** গোলাঘাট উত্তৰ প্ৰাথমিক শিক্ষা খণ্ড 'দেৰগাঁৱ'ৰ অন্তৰ্গত মিছামৰা মণ্ডল সমল কেন্দ্ৰৰ এখন শৈক্ষিক সভা যোৱা ২৭ ছেপ্টেম্বৰত খনিকৰ উচ্চ বুনিয়াদী বিদ্যালয়ত অনুষ্ঠিত হৈ যায়। চ্যংকুৱালগুৰি নিম্ন প্ৰাথমিক বিদ্যালয়ৰ প্ৰধান শিক্ষয়িত্ৰী দুলুমনি বৰাই পৰিচালনা কৰা সভাখনত মিছামৰা মণ্ডল সমল কেন্দ্ৰৰ সমন্বয়ক প্ৰফুল্ল শইকীয়াই উদ্দেশ্যে ব্যাখ্যা শিতানত আগন্তুক দিনত বিদ্যালয় তথা শিক্ষক-শিক্ষয়িত্ৰীসকলে কৰিব লগা বিভিন্ন কাৰ্যক্ৰমনিকাৰ বিষয়ে আলোচনা দাঙি ধৰে। সভাৰ কাৰ্যসূচী অনুসৰি পশ্চিম খনিকৰ বস্তি মধ্য ইংৰাজী বিদ্যালয়ৰ সহকাৰী শিক্ষক সুৰজ বৰাই গণিত বিষয়ৰ এটা আদৰ্শ পাঠদান আগবঢ়ায়। মণ্ডল সমল কেন্দ্ৰটোৰ শৈক্ষিক গোটৰ উপদেষ্টা তথা অৱসৰপ্ৰাপ্ত প্ৰধান শিক্ষক অৰুণবিকাশ বৰুৱাই ২০২২ বৰ্ষৰ গুণোৎসৱত সফলতা প্ৰদৰ্শন কৰা বিদ্যালয় সমূহৰ কৰ্তৃপক্ষক অভিনন্দন জনাই আগন্তুক দিনবোৰত শিশুসকলৰ সৰ্বাঙ্গীন দিশৰ অগ্ৰগতি প্ৰদানৰ ক্ষেত্ৰত শিক্ষকসকলে পালন কৰিব লগা অপৰিসীম দায়িত্বৰ বিষয়ে উল্লেখ কৰে। সফলতা বিভিন্ন বিদ্যালয়ৰ শিক্ষক শিক্ষয়িত্ৰীসকলে বিভাগীয় কৰ্তৃপক্ষৰ নিৰ্দেশনাসমূহৰ অগ্ৰগতিৰ বিষয়ে সভাত অৱগত কৰে । সভাত চি আৰ চি চি প্ৰফুল্ল শইকীয়াই বিভিন্ন বিদ্যালয়ৰ চৰকাৰী কাৰ্যসূচীৰ অগ্ৰগতি সন্দৰ্ভত পৰ্যালোচনা আগবঢ়ায় ।শেষত জাতীয় সঙ্গীতেৰে সভাৰ সামৰণি পেলোৱা হয়।

**■কপিলী সাহিত্য সভাৰ ত্ৰয়োদশ দ্বিবাৰ্ষিক অধিবেশন সম্পন্ন**

# সাহিত্য-সংস্কৃতিয়ে এটা জাতি জীয়াই ৰাখিব পাৰে

অগ্ৰদূত বাৰ্তা

**পাটাছাৰকুছি, ২৯ ছেপ্টেম্বৰ ঃ** নৱগঠিত বজালী জিলাৰ মৰিপুৰ আনন্দপুৰস্থিত অসম সাহিত্য সভাৰ অন্যতম সক্ৰিয় আৰু শতদল শাখা কপিলী সাহিত্য সভাৰ প্ৰতিষ্ঠা দিৱসৰ লগত সংগতি ৰাখি যোৱা ২৪ আৰু ২৫ ছেপ্টেম্বত ২৮ সংখ্যক প্ৰতিষ্ঠা দিৱস তথা ত্ৰয়োদশ দ্বিবাৰ্ষিক অধিবেশন সম্পন্ন হয়। ১০৭ গৰাকী আজীৱন সভ্য বিশিষ্ট সাহিত্য সভাৰ যোৱা ২৪-২৫ ছেপ্টেম্বৰ প্ৰতিষ্ঠা দিৱসত অসম সাহিত্য সভাৰ পতাকা উত্তোলন কৰি কপিলী সাহিত্য সভাৰ প্ৰতিষ্ঠাপক আৰু বৰ্তমানৰ সভাপতি, বিশিষ্ট শিক্ষবিদ, অৱসৰপ্ৰাপ্ত শিক্ষক তথা সমাজ কৰ্মী অনিল কুমাৰ দাসে কয় যে সাহিত্য সংস্কৃতিয়ো এটা জাতি জীয়াই ৰাখিব পাৰে। সেয়েহে



সাহিত্যক জাতিৰ প্ৰাণ বুলি কোৱা হয়। প্ৰথম দিনৰ কাৰ্যসূচী ক্ৰমে পতাকা উত্তোলনৰ পাছত ক্ৰমে বন্তি প্ৰজ্বলন কৰে উপ-সভাপতি প্ৰফুল্ল চন্দ্ৰ কলিতাই, স্মৃতি তৰ্পণ কৰে অৱসৰপ্ৰাপ্ত শিক্ষক গৌৰীকান্ত বড়োৱে। ইয়াৰ পাছত 'অসম সাহিত্য সভাৰ উন্নতিত আজীৱন সভ্যৰ ভূমিকা' শীৰ্ষক আলোচনাচক্ৰ উদ্বোধন কৰে অৱসৰপ্ৰাপ্ত শিক্ষক ফণীধৰ ডেকাই। এই আলোচনাচক্ৰত অংশগ্ৰহণ কৰে বৰমা মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত সহযোগী অধ্যাপক বৈকুণ্ঠ কলিতা, শিক্ষক জগদীশ কলিতা, মন্মথ চন্দ্ৰ ডেকা আদিয়ে। ২৫ ছেপ্টেম্বৰত বিষয় বাছনি সভাত বিগত তিনিটা বছৰৰ হিচাপ পৰীক্ষকৰ প্ৰতিবেদন আৰু সম্পদকীয় প্ৰতিবেদন পাঠ কৰা হয়। এই সভাত অক্ষয় কুমাৰ ডেকাক সভাপতি, মহানন্দ নাথ আৰু মনোৰঞ্জন তালুকদাৰ উপ-সভাপতি প্ৰশান্ত কলিতাক সম্পাদক, ধীৰাজ নাথক সহকাৰী সম্পাদক হিচাপে লৈ এখন ১৫ জনীয়া পৰিচালনা সমিতি গঠন কৰা হয়। অনিল কুমাৰ দাসৰ সভাপতিত্বত অনুষ্ঠিত মুকলি সভা উদ্বোধন কৰে প্ৰাক্তন সভাপতি মন্মথ চন্দ্ৰ ডেকাই আৰু নিৰ্দিষ্ট বক্তা আৰু বিশিষ্ট অতিথি ৰূপে অংশগ্ৰহণ কৰে ক্ৰমে বৈকুণ্ঠ কলিতা আৰু চিত্তৰঞ্জন কলিতাই। সভাত জুনা নামৰ পাঠক তথা সুকনান্নী ওজা নৰেন্দ্ৰ ৰয় আৰু সুকনান্নী ওজাপালিৰ ডাইনাপালি জিতেন নাথক গামোচা, শৰাই আৰু মানপত্ৰেৰে সম্বৰ্ধনা জনোৱা হয়।

# দক্ষিণ বৰভাগ সাৰ্বজনীন শ্ৰীশ্ৰীদুৰ্গা পূজাৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**বৰভাগ, ২৯ ছেপ্টেম্বৰ:** নলবাৰী জিলাৰ বৰভাগৰ দক্ষিণ বৰভাগ সাৰ্বজনীন ৩১ সংখ্যক বাৰ্ষিক শ্ৰীশ্ৰীদুৰ্গা পূজা 'কমাৰকুছি' অহা এক অক্টোবৰৰ পৰা পাঁচ অক্টোবৰলৈ বৰ্ণাঢ্য কাৰ্যসূচীৰে আয়োজন কৰিছে। ইতিমধ্যে প্ৰতুল ডেকাক সভাপতি আৰু অভিজিত মজুমদাৰক সম্পাদক হিচাপে লৈ এখন পূজা পৰিচালনা সমিতি গঠন কৰিছে। পূজাৰ প্ৰতিদিনৰ কাৰ্যসূচী অনুসৰি দুৰ্গা পূজাৰ পতাকা উত্তোলন, দুৰ্গা পূজাৰ ধৰ্মধ্বজা উত্তোলন, বৃক্ষৰোপণ, বন্তি প্ৰজ্বলন, দুৰ্গা মণ্ডপৰ দ্বাৰ উন্মোচন, আয়তীৰ নাম, নাগাৰা নাম প্ৰদৰ্শন, প্ৰসাদ আৰু ভোগ বিতৰণ, সন্ধিপূজা আৰম্ভ, কুইজ প্ৰতিযোগিতা, পুষ্পাঞ্জলি আৰু সামূহিক শান্তি প্ৰদান, বন্তি প্ৰজ্বলন, সমন্বয় ডেন্স একাডেমী নলবাৰীৰ দ্বাৰা নৃত্য প্ৰদৰ্শন, কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা,সন্ধ্যাৰাগ নাট গোষ্ঠীৰ দ্বাৰা নাট্যাভিনয় আদি কাৰ্যসূচী অনুষ্ঠিত হ'ব । উক্ত কাৰ্যসূচীত সমূহ ভক্তপ্ৰাণ ৰাইজৰ উপস্থিতি কামনা কৰিছে উদ্যোক্তাসকলে।

# ওদালগুৰিৰ ভূঞাখাটত ইউপিপিএলৰ সভাত সহস্ৰাধিকৰ যোগদান দলত

অগ্ৰদূত বাৰ্তা

**টংলা, ২৯ ছেপ্টেম্বৰ ঃ** বিটিচিত প্ৰমোদ বড়োৰ নেতৃত্বত চলি থকা সন্মিলিত পৰিষদখনে ৰাইজৰ বিশ্বাস আৰু আস্থা লাভ কৰিবলৈ সক্ষম হৈছে। অসম চৰকাৰ আৰু বিটিচি পৰিষদৰ সবল প্ৰচেষ্টাৰ ফলত সমগ্ৰ বিটিচিত উন্নয়নৰ হকে কাম কৰি আহিছে। ৩৫ লক্ষ জনসাধাৰণে বসবাস কৰা বিটিচিত ইউপিপিএলক আঁকোৱালি লোৱাৰ বাবেই আগন্তুক ৩৫-৪০ বছৰ শাসনত থাকিব পাৰিব। এই মন্তব্য ৰাজ্যসভাৰ সাংসদ ৰণগৌৰা নাৰ্জাৰীৰ। আজি ভেৰগাঁও জিলাৰ খৈৰাবাৰী পৰিষদীয় সমষ্টিৰ অন্তৰ্গত ভূঞাখাটত ইউপিপিএলৰ বিশাল যোগদান সভাত মুখ্য অতিথিৰূপে অংশগ্ৰহণ কৰি দিয়া ভাষণত ৰাজ্যসভাৰ সাংসদজনে লগতে কয় বিটিআৰ চুক্তিৰ জৰিয়তে অঞ্চলটোলৈ এক শান্তিৰ পৰিৱেশ ঘূৰি অহাই নহয় উন্নয়নৰ ধাৰাও ববলৈ ধৰিছে। শান্তি চুক্তিৰ জৰিয়তে স্থায়ী শান্তি ঘূৰি অহা বুলি উল্লেখ কৰি সাংসদজনে লগতে উল্লেখ কৰে যে বিটিচিত সুস্থ গণতান্ত্ৰিক ব্যৱস্থা ঘূৰি অহাৰ উপৰি হিংসাত্মক পৰিৱেশ নোহোৱা হৈছে। এতিয়া কেৱল উন্নয়ন লাগে আৰু উন্নয়নৰ হকে প্ৰমোদ বড়োৰ নেতৃত্বত বিটিচিত উন্নয়নমূলক কাম চলিবলৈ ধৰিছে। বিটিচিত বসবাস কৰা সকলো জাতি জনগোষ্ঠীৰ সম অধিকাৰ, সম বিকাশ আৰু সম উন্নয়নৰ ওপৰত গুৰুত্ব আৰোপ কৰি কাম-কাজ কৰি থকা হৈছে বুলি উল্লেখ কৰি ৰাজ্যসভাৰ সাংসদ নাৰ্জাৰীয়ে কয়। ইউপিপিএলৰ ৰাজনৈতিক উত্তোৰণ ঘটিছে সেয়ে ইউপিপিএলে সূতা কম্বলৰ ৰাজনীতি কৰিব বিচৰা নাই। দলে দুখীয়া আৰু অভাৱগ্ৰস্থ লোকসকলৰ কল্যাণৰ বাবে বহু আঁচনি গ্ৰহণ কৰি কাম কৰি আহিছে বুলিও উল্লেখ কৰে। ইউপিপিএলৰ খৈৰাবাৰী ব্লক সমিতিৰ বুথ সমিতিসমূহৰ সাংগঠনিক সভাৰ লগতে বিশাল যোগদান সভাত সভাপতিত্ব কৰে ব্লকৰ সভাপতি ৰমেশ বড়োৱে। ভেৰগাঁও জিলা ইউপিপিলেৰ সভাপতি নিৰ্মল চন্দ্ৰ বড়োৱে আদৰণি ভাষণ প্ৰদান কৰি কয় যে জিলাখনত ইউপিপিলেৰ ভেটি অধিক সুদৃঢ় আৰু মজবুত হৈছে। সকলো জাতি জনগোষ্ঠীয়ে আজি এই দলটিক আদৰি লৈছে। আমি এতিয়া কেৱলমাত্ৰ নিৰ্বাচনলৈ অপেক্ষা কৰি আছো। নিৰ্বাচনত ইউপিপিএলে অৱতীৰ্ণ হ'লেই এশ শতাংশই বিজয়ী হোৱাটো নিশ্চিত হৈ পৰিছে বুলিও দৃঢ়তাৰে আদৰণি ভাষণত বড়োৱে উল্লেখ কৰে। যোগদান সভাত উপস্থিত থাকি বিটিচিৰ উপ-মুখ্য কাৰ্যবাহী সদস্য তথ ওদালগুৰি বিধানসভা সমষ্টিৰ বিধায়ক গোবিন্দ চন্দ্ৰ বসুমতাৰীয়ে উল্লেখ কৰে যে ইউ পি পি এল দলটো সদায় গণতান্ত্ৰিক ব্যৱস্থাত বিশ্বাসী আৰু দলটিয়ে শান্তি আৰু উন্নয়নক বিশ্বাস কৰে। ইউপিপিএলে বৰ্তমানে শান্তি আৰু উন্নয়নৰ দিশত কাম কৰি আহিছে বুলিও বসুমতাৰীয়ে কয়। বিটিচিত বসবাস কৰা সকলো জাতি জনগোষ্ঠীৰ ভাষা, সাহিত্য, সংস্কৃতিৰ লগতে সম উন্নয়ন, সম বিকাশ, আৰু সম অধিকাৰ দি কাম কৰি আহিছে বুলিও উল্লেখ কৰে। ভূনাখাট ভিচিডিচিৰ চৌহদত দিনৰ ১১ বজাৰ পৰা অনুষ্ঠিত বুথ সমিতিৰ সাংগঠনিক সভা আৰু বিশাল যোগদান সভাত নটা প্ৰাইমাৰী সমিতিৰ পৰা অহা সহস্ৰাধিকে ইউপিপিএলত যোগদান কৰি দলৰ ভেটি মজবুত কৰাত অৰিহণা যোগাইছে। সভাত ভেৰগাঁও জিলা ইউপিপিএলৰ সাধাৰণ সম্পাদক এঞ্জনী বসুমতাৰী, সম্পাদক দৈথুন স্বৰ্গীয়াৰী, খালিংদুৱাৰ সমষ্টিৰ সাধাৰণ সম্পাদক বুদ্ধি ৰাম বড়ো, ইউপিপিএলৰ জ্যেষ্ঠ নেতা নন্দ ৰাম বড়ো, কৃষ্ণগিৰি, আদিকে ধৰি দলৰ নেতা-কৰ্মীসকলে অংশগ্ৰহণ কৰে। সভাৰ আঁতধৰে খৈৰাবাৰী ব্লক সমিতিৰ সাধাৰণ সম্পাদক দীপক ডেকা শৰণীয়াই।

### ৩৫-৪০ বছৰৰ বিটিচিৰ শাসনত থাকিব ইউপিপিএল ঃ ৰণগৌৰা নাৰ্জাৰী



# নলবাৰীত সমাজসেৱক ৰবীন পাটগিৰিক স্মৰণ



অগ্ৰদূত বাৰ্তা

**নলবাৰী, ২৯ ছেপ্টেম্বৰ ঃ** 'ৰবীন পাটগিৰিৰ জীৱনে আছিল সমাজৰ কৰ্ম। তেওঁ এগৰাকী আদৰ্শ সংগঠক আছিল। সকলোৰে লগত একাত্ম হ'ব পাৰিছিল। বিশেষকৈ বিদ্যাপুৰৰ উন্নয়নৰ দিশত পাটগিৰিৰ যথেষ্ট ত্যাগ আছিল।' আজি বিয়লি নলবাৰী জিলাৰ বিদ্যাপুৰত সমাজকৰ্মী ৰবীন পাটগিৰিৰ সোঁৱৰণী গ্ৰন্থ 'জীৱন পৰিধি' উন্মোচন কৰি অৱসৰপ্ৰাপ্ত অধ্যাপক তৰণীকান্ত শৰ্মাই এই মন্তব্য কৰে। গ্ৰন্থ প্ৰকাশক সমিতিৰ সভাপতি, শিক্ষাবিদ ৰমানাথ বৰুৱাৰ সভাপতিত্বত এখন গ্ৰন্থ উন্মোচনী সভা হয়। গ্ৰন্থৰ মুখ্য সম্পাদক প্ৰহাস কুমাৰ ভট্টাচাৰ্যই আদৰণি ভাষণত কয় যে পাটগিৰিৰ কৰ্ম এটা অনুষ্ঠানলৈ ৰূপান্তৰিত হৈছিল। সমাজৰ প্ৰতিটো দিশতে তেওঁ সক্ৰিয় আছিল। গ্ৰন্থৰ সম্পাদক ড° শৈলেন্দ্ৰ প্ৰসাদ শৰ্মাই উদ্দেশ্য ব্যাখ্যা কৰা সভাত অতিথিৰূপে উপস্থিত থাকি অধ্যাপক, প্ৰাক্তন ৰাজ্যিক শিক্ষামন্ত্ৰী ৰমণী বৰ্মনে কয় যে অতীতৰ স্মৃতি আজিৰ যুৱপ্ৰজন্মই পাহৰিছে। যাৰ বাবে যুৱপ্ৰজন্মৰ এটা অংশই উচ্ছৃংখল পৰিৱেশ সৃষ্টি কৰাৰ লগতে হতাশাত ভুগিছে। গতিকে অতীতৰ স্মৃতি ৰক্ষা কৰা দৰকাৰ বুলি দোহাৰি ৰবীন পাটগিৰি সাহিত্য, সংস্কৃতি, ক্ৰীড়া সকলোতে আগবঢ়া ব্যক্তি আছিল বুলি ব্যক্ত কৰে। সভাত প্ৰয়াত পাটগিৰিক স্মৰণ কৰে অধ্যাপক কেশৱ চন্দ্ৰ তালুকদাৰ, ড° দীনমণি ভাগৱতী, ড° লীনা ডেকা, যতীন্দ্ৰ নাথ শীল, অব্দুল মন্নাফ, ৰেনুকা শৰ্মা, ইশ্বৰ চন্দ্ৰ গোস্বামী, নৃপেন্দ্ৰ কুমাৰ শৰ্মা, মুকুল গোস্বামী, অতুল পাটগিৰি, কন্যা ঝৰ্ণা পাটগিৰি, ড° বিপাশা পাটগিৰিসহ বহুসংখ্যকে। অনুষ্ঠানত বিশিষ্টসকলৰ লগত সাংবাদিক প্ৰাঞ্জল শৰ্মাকো সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানৰ প্ৰতিচ্ছবিত বন্তি প্ৰজ্বলন কৰে পত্নী, অধিবক্তা উষা ভূঞা পাটগিৰি আৰু মাল্যাৰ্পণ কৰে ভ্ৰাতৃ ড° পুলীন পাটগিৰিয়ে।

### 'জীৱন পৰিধি' উন্মোচন

# ডিগবৈ আৰক্ষীৰ স'তে দুৰ্গা পূজা কমিটীৰ বিশেষ সভা

## দুৰ্গা পূজাক লৈ তৎপৰ আৰক্ষী প্ৰশাসন

**ডিগবৈ, ২৯ ছেপ্টেম্বৰ ঃ** দুৰ্গোৎসৱলৈ মাজত মাথোঁ কেইটামান দিন বাকী থকাৰ সময়তেই পূজা সমিতিসমূহৰ লগতে ডিগবৈ আৰক্ষী প্ৰশাসন তৎপৰ হৈ পৰিছে। বিগত বৰ্ষৰ দৰে এইবাৰো তৈলনগৰী ডিগবৈত ৬২ খন দুৰ্গা পূজা কমিটিয়ে দুৰ্গোৎসৱৰ আয়োজন কৰিছে। সমগ্ৰ ডিগবৈত দুৰ্গোৎসৱক লৈ ব্যাপক প্ৰস্তুতি চলোৱা পৰিলক্ষিত হৈছে। দুৰ্গা প্ৰতিমা আৰু পূজা পেণ্ডেল নিৰ্মাণস্থলীসমূহত যথেষ্ট উৎসাহ দেখিবলৈ পোৱা গৈছে। এইবাৰ আয়োজন কৰা দুৰ্গোৎসৱক লৈ ২৬ ছেপ্টেম্বৰত ডিগবৈ আৰক্ষী থানাৰ সভাগৃহত মহকুমা প্ৰশাসন, ডিগবৈ আৰক্ষী প্ৰশাসন আৰু স্থানীয় দুৰ্গা পূজা কমিটিৰ বিষয়ববীয়াৰ উপস্থিতিত এখনি গুৰুত্বপূৰ্ণ সভা অনুষ্ঠিত হয়। ডিগবৈ থানা কমিটীৰ সভাপতি ধীৰাজ গগৈৰ সভাপতিত্বত অনুষ্ঠিত সভাত মাৰ্ঘেৰিটা মহকুমা প্ৰশাসনৰ কাৰ্যবাহী দণ্ডাধীশ প্ৰান্তৰ প্ৰতীম পাত্ৰ, ডিগবৈ আৰক্ষী থানাৰ ভাৰপ্ৰাপ্ত বিষয়া পৰিদৰ্শক ৰঞ্জিত বৰদলৈ, গাঁওৰক্ষী বাহিনীৰ চক্ৰ সংগঠক ভুৱন হাজৰিকা, ডিগবৈ দুৰ্গা পূজা কেন্দ্ৰীয় সমন্বয়ৰক্ষী সমিতিৰ সভাপতি অনুপম দাস, সম্পাদক ধীৰাজ বাৰ্মা তথা দুৰ্গা পূজা পালন সমিতিসমূহৰ কাৰ্যকৰ্তাৰ উপস্থিতিত নিৰাপত্তা, সুৰক্ষা আৰু শৃংখলাবদ্ধতা অটুট ৰাখিবলৈ আলোচনা কৰা হয়। সভাৰ সৰ্বসন্মতিক্ৰমে উচ্চ প্ৰাবল্যৰ ডি জে যন্ত্ৰ সংগীত ব্যৱহাৰ সম্পূৰ্ণৰূপে নিষেধাজ্ঞা জাৰি কৰা হয়। প্ৰতিখন পূজা কমিটীয়ে স্পৰ্শকাতৰ দিশসমূহত গুৰুত্ব প্ৰদান কৰাৰ উপৰি পেণ্ডেলসমূহত স্বেচ্ছাসেৱক নিয়োগ কৰিব লাগিব। ইপিনে, পূজা পেণ্ডেলসমূহ দৰ্শণাৰ্থীৰ বাবে পুৱা ছয় বজাৰ পৰা নিশা ১০ বজালৈ খোলা ৰাখিব পাৰিব। আইন শৃংখলাজনিত বিষয়ত ডিগবৈ আৰক্ষী আৰু ডিগবৈ দুৰ্গা পূজা কেন্দ্ৰীয় সমন্বয় ৰক্ষী সমিতিৰ স'তে ৮৪০৩০৯৫৩৪২ নম্বৰত যোগাযোগ কৰিবলৈ আহ্বান জনাইছে।

# ধুবুৰীৰ বালাজানত আছুৰ উত্তাল প্ৰতিবাদ



**ধুবুৰী, ২৯ ছেপ্টেম্বৰ ঃ** ধুবুৰী বালাজানৰ ১৭ নম্বৰ ঘাইপথত সদৌ অসম ছাত্ৰ সন্থাৰ আঞ্চলিক কমিটীয়ে দুঘণ্টীয়া অৱস্থান ধৰ্মঘট ৰূপায়ণ কৰি উত্তাল প্ৰতিবাদ সাব্যস্ত কৰে। উল্লেখ যে গৌৰীপুৰৰ পৰা গোলকগঞ্জ সংযোগী পথত সৃষ্টি হৈছে পুখুৰী সদৃশ গাঁত। ফলত উক্ত পথেদি বিপদসংকুলভাৱে যাতায়াত কৰি আহিছে পথচাৰীৰ লগতে বিভিন্ন গধুৰ যানবাহনসমূহ। এই ক্ষেত্ৰত কোনো কাণসাৰ নাই ধুবুৰী গড়কাপ্তানী বিভাগৰ। ঘাইপথেদি চুবুৰীয়া ৰাজ্য পশ্চিমবংগলৈ বিভিন্ন গধুৰ যানবাহন চলাচল কৰাৰ লগতে ৰোগীসকলৰ চিকিৎসাৰ ক্ষেত্ৰত, ব্যৱসায় -বাণিজ্যৰ ক্ষেত্ৰত, স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰীসকলৰ ক্ষেত্ৰতো এই পথটোৱে মূল পথ হিচাপে ব্যৱহৃত হয়। কালি আছুৰ বালাজান আঞ্চলিক আৰু মটেৰঝাৰ আঞ্চলিক কমিটীৰ যৌথ উদ্যোগত পথটো মেৰামতিৰ দাবীত ধুবুৰীৰ গোলকগঞ্জ বালাজানত দুঘণ্টীয়া অৱস্থান ধৰ্মঘট কাৰ্যসূচী ৰূপায়ণ কৰাৰ লগতে প্ৰতিবাদী কাৰ্যসূচী ৰূপায়ণ কৰে। প্ৰতিবাদকাৰীসকলে 'মুখ্যমন্ত্ৰী মুৰ্দাবাদ, নৰেন্দ্ৰ মোদী মুৰ্দাবাদ, বিজেপি চৰকাৰ হায় হায়' আদি বিভিন্ন শ্লোগানেৰে আকাশ-বতাহ কঁপাই তোলে। আঞ্চলিক কমিটীৰ তৰফৰ পৰা বিভাগীয় মন্ত্ৰীকে ধৰি বিভাগীয় কৰ্তৃপক্ষৰ লগতে নতুনকৈ দায়িত্ব লভা অভিভাৱক মন্ত্ৰীক উক্ত পথটো অনতিপলমে মেৰামতি কৰাৰ দাবী জনায় অন্যথা গণ আন্দোলন গঢ়ি তোলাৰ হুংকাৰ প্ৰদান কৰে।

# গোলাঘাটত মীন পালকলৈ লক্ষাধিক মূল্যৰ বাহন প্ৰদান মন্ত্ৰী অজন্তাৰ

অগ্ৰদূত বাৰ্তা

**মেৰাপানী, ২৯ ছেপ্টেম্বৰ ঃ** বিত্ত, মহিলা আৰু শিশু বিকাশ মন্ত্ৰী অজন্তা নেওগে কালি মীন বিভাগৰ জৰিয়তে গোলাঘাট জিলাৰ দুজন মীন পালকলৈ দুখন ১৫ লাখটকীয়া বাহন আগবঢ়ায় গোলাঘাট জিলা মীন উন্নয়ন বিষয়াৰ কাৰ্যালয়ত এই উপলক্ষে আয়োজিত অনুষ্ঠানত আৰআইডিএফ আঁচনিৰ অধীনত শীতলীকৃত মাছ পৰিবহণ বাহন দুখন আগবঢ়োৱা হয়। মীন পালনৰ জৰিয়তে এই দুয়োজন যুৱকে বছৰি পাঁচ লাখৰ পৰা ১০ লাখ মীন পালনৰ জৰিয়তে স্বাৱলম্বী হ'বলৈ আহ্বান জনায়। অনুষ্ঠানত জিলা উন্নয়ন আয়ুক্ত অৰ্পা বাগলাৰী, জিলা মীন উন্নয়ন বিষয়া সীমান্ত কোঁৱৰ আৰু ভালে সংখ্যক লোক উপস্থিত থাকে।

**যিকোনো মুহূৰ্তত ভয়াৱহ দুৰ্ঘটনা সংঘটিত হোৱাৰ আশংকা ঃ শীঘ্ৰে নৈখনৰ ওপৰত এখন পকী দলং নিৰ্মাণৰ দাবী**

# মেৰামতিৰ অভাৱত বিধ্বস্ত জলজলীৰ কাঠৰ দলং

অগ্ৰদূত বাৰ্তা

**নগৰবেৰা, ২৯ ছেপ্টেম্বৰ ঃ** কামৰূপ জিলাৰ বকো সমষ্টিৰ অন্তৰ্গত বৃহত্তৰ নগৰবেৰাৰ জলজলী নৈৰ ওপৰত বৃহত্তৰ অঞ্চলৰ সৰ্বস্তৰৰ ৰাইজে এখন পকী দলং নিৰ্মাণৰ বাবে বছৰ বছৰ ধৰি চৰকাৰক আবেদন-নিবেদন কৰি আহিছে যদিও আজিকোপতি উক্ত নৈখনত এখন পকী দলং নিৰ্মাণ নহ'ল। বৃহত্তৰ অঞ্চলটোৰ প্ৰায় লক্ষাধিক লোকৰ যাতায়াত আৰু যোগাযোগৰ গুৰুত্বপূৰ্ণ স্থান নগৰবেৰাৰ জলজলী নদীৰ দোকুছি-ভখুৰাদিয়া-ৰংগেশ্বৰী- পিজুপাৰা পাৰঘাটেদি জন্মলগ্নৰে পৰা টুলুঙা নাও অথবা যন্ত্ৰচালিত নাৱৰে এক বিপদসংকুল পৰিৱেশৰ মাজেৰে পাৰাপাৰ হৈ আহিছে; কিন্তু দূৰ্ভাগ্যজনকভাৱে কোনো এখন চৰকাৰে যাত্ৰীসকলৰ যাতায়াতৰ সু-ব্যৱস্থা গ্ৰহণ নকৰিলে। শেহতীয়াকৈ জলজলী নদীখনৰ ওপৰত দলং নিৰ্মাণ দাবী সমিতিৰ উদ্যোগত পকী দলং নোহোৱালৈ যাতায়াতৰ বাবে একাংশ লোকে নিজৰ গাঁঠিৰ ধন দি প্ৰায় এক কোটি ১৪ লাখ টকা ব্যয় কৰি বৃহৎ কাঠৰ দলং নিৰ্মাণ কৰি উলিয়াই যাতায়াত ব্যৱস্থা পৰিচালনা কৰি আহিছিল। যদিও যোৱা সাত মাৰ্চত চৰকাৰীভাৱে বিশেষজ্ঞ কমিটীৰ অনুমোদন সাপেক্ষে কাঠৰ দলংখন লোকনিৰ্মাণ বিভাগক হস্তান্তৰ কৰি এপিডব্লিউ আৰডি অনুসাৰে পুনৰ্নিৰ্মাণ কৰি পৰৱৰ্তী সময়ত পৰিচালনা কৰিবলৈ নিৰ্দেশ দিয়ে। সম্প্ৰতি বৃহৎ কাঠৰ দলংখনেৰে নিতৌ শ শ সৰ্বসাধাৰণ ৰাইজৰ লগতে স্কুল-কলেজৰ ছাত্ৰ-ছাত্ৰী, ব্যৱসায়ী, কৰ্মচাৰী, ৰোগী আদিয়ে যাতায়াত অব্যাহত ৰাখিছে যদিও প্ৰয়োজনীয় মেৰামতিৰ অভাৱত দলংখন অতি দুৰ্বল হৈ পৰিছে। দলংখনৰ ওপৰেদি এক বিপদসংকুল পৰিৱেশৰ মাজেৰে যাতায়াত অব্যাহত ৰাখিবলগীয়া হৈছে। ফলত যিকোনো মুহূৰ্তত ভয়াৱহ দুৰ্ঘটনা সংঘটিত হোৱাৰ আশংকাত ভুগিছে ৰাইজ। দলংখন দুৰ্বল হৈ পৰাত এম্বুলেঞ্চৰ লগতে চাৰিচকীয়া বাহনসমূহ ইতিপূৰ্বে বন্ধ হৈ পৰিছে। ফলত জলজলী নৈখনৰ পূৱ প্ৰান্তৰ বৃহৎ অঞ্চলটোৰ ৰোগী, প্ৰসূতি আৰু গৰ্ভৱতী মহিলাক চিকিৎসালয়লৈ অনাৰ ক্ষেত্ৰত নৰক যন্ত্ৰণাৰ সন্মুখীন হ'বলগীয়াত পৰিছে। তদুপৰি জলজলী নৈখনৰ গাতে লাগি থকা নগৰবেৰা বজাৰখন বৃহত্তৰ অঞ্চলটোৰ ব্যৱসায়-বাণিজ্যৰ ১৩ পৃষ্ঠাত চাওক



*তেজপুৰত অনুষ্ঠিত হ'ল এক স্মৃতিচাৰণ- গ্ৰন্থ উন্মোচনী সভা।*

# ৮৩ সংখ্যক বাটগাঁও আঞ্চলিক সাৰ্বজনীন শ্ৰীশ্ৰী দুৰ্গা পূজাৰ প্ৰস্তুতি

**বৰপেটা, ২৯ ছেপ্টেম্বৰ ঃ** বাটগাঁও আঞ্চলিক সাৰ্বজনীন শাৰদীয় দুৰ্গা পূজা বাটগাঁও দুৰ্গা মন্দিৰত অহা ৩০ ছেপ্টেম্বৰৰ পৰা পাঁচ অক্টোবৰলৈ উদ্‌যাপন কৰিবলৈ প্ৰস্তুতি চলোৱা হৈছে। ৮৩ সংখ্যক পূজা পৰিচালনা কৰিবলৈ চিৰঞ্জিত মণ্ডলক সভাপতি আৰু জয়ন্ত মণ্ডলক সম্পাদকৰূপে দায়িত্ব অৰ্পণ কৰা হৈছে। ৩০ ছেপ্টেম্বৰত পুৱা চাফাই অভিযানেৰে কাৰ্যসূচী আৰম্ভ কৰাৰ পাছত বিভিন্ন কাৰ্যসূচীৰ অন্তত নিশা ৰাজনন্দিনী নাট্যদলৰ নাট্যাভিনয়েৰে কাৰ্যসূচীৰ সামৰণি পৰিব। এক অক্টোবৰত পুৱা চাফাই, চিত্ৰাংকন, কুইজ প্ৰতিযোগিতা, সন্ধিয়া চিলাৰায় থিয় নাম পাৰ্টিৰ নাম, নিশা দুৰ্গাৰ ষষ্ঠাদি কল্পাৰম্ভ, যথাবিহিত পূজাৰ পাছতে সত্য সনাতন নাট্যাভিনয়ৰ মঞ্চ মুকলি কৰিব বিজনীৰ বিধায়ক অজয় কুমাৰ ৰায়ে। দুই অক্টোবৰত পুৱা চাফাই, জল আনয়ন, শাৰদীয় নৱপত্ৰিকা প্ৰতিষ্ঠা, সপ্তমী যথাবিহিত পূজা, ভোগ বিতৰণ, নাম পৰিবেশন, সন্ধিয়া ছোৱালীৰ নাগাৰা নাম, আৰতি আৰু সাংস্কৃতিক সন্ধিয়া উদ্বোধন কৰিব চেঙাৰ বিধায়ক আশ্ৰাফুল হুছেইন। তিনি অক্টোবৰত পুৱা চাফাই, দেৱীৰ মহাষ্টমী, কল্পাৰম্ভ, ভোগ বিতৰণ, ছোৱালী নাম দলৰ নাম পৰিৱেশন, সন্ধিয়া মুকলি সভা আৰু সম্বৰ্ধনা অনুষ্ঠান, নিশা, নৃত্যাভিনয় আৰু নাট্যাভিনয়। চাৰি অক্টোবৰত পুৱা চাফাই, দুৰ্গাৰ কল্পাৰম্ভ, মহানৱমী পূজা। আবেলি মহিলাৰ নাগাৰা নাম, সন্ধিয়া আৰতি, মঞ্চ মুকলি আৰু নিশা মুগকুছি মিলন নাট্যদলৰ নাট্যাভিনয়। পাঁচ অক্টোবৰত চাফাই, দুৰ্গাৰ দশমী পূজা, অপৰাজিতা পূজা, শক্তি কবচ বিতৰণ আৰু নিশা বাৰেৰহণীয়া সাংস্কৃতিক সন্ধিয়া। সন্ধিয়াৰ বিশেষ আকৰ্ষণ কলকাতাৰ শিল্পী সুভাষ, ৰণিতা, গুৱাহাটীৰ হৰ্ষিতা ভট্টাচাৰ্য।

# আৰক্ষীৰ জিম্মাত মটৰ চাইকেল চোৰৰ মৃত্যুক কেন্দ্ৰ কৰি গৌৰীসাগৰত উত্তপ্ত পৰিস্থিতি

অগ্ৰদূতবাৰ্তা

**গৌৰীসাগৰ, ২৯ ছেপ্টেম্বৰ ঃ** মটৰ চাইকেল চুৰিৰ অপৰাধত কালি গৌৰীসাগৰ আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰিছিল বাবু গোৱালা নামৰ এজন যুৱকক। আৰক্ষীয়ে চি চি কেমেৰাৰ ফুটেজ পৰীক্ষা কৰি কালি সন্ধিয়া যুৱকজনক গ্ৰেপ্তাৰ কৰি আৰক্ষীৰ জিম্মাত ৰখাৰ সময়তে মৃত্যুক সাৱটি লোৱা ঘটনাক কেন্দ্ৰ কৰি গৌৰীসাগৰত উত্তপ্ত হৈ পৰে পৰিস্থিতি। আৰক্ষীৰ জিম্মাত মৃত্যুবৰণ কৰা বাবু গোৱালাৰ মৃত্যুৰ কাৰণ বিচাৰি শতাধিক লোক ওলাই আহি গৌৰীসাগৰ আৰক্ষী থানা ঘেৰাও কৰেহি। পৰিস্থিতি অধিক উত্তপ্ত হৈ পৰাত অতিৰিক্ত আৰক্ষী মোতায়েন কৰাৰ লগতে থানাখনৰ ভাৰপ্ৰাপ্ত আৰক্ষী বিষয়া সত্যজিৎ বৰঠাকুৰক তৎকালীনভাৱে চাকৰিৰ পৰা নিলম্বন কৰে। ঘটনাৰ বিৱৰণি মতে, বিগত প্ৰায় এটা বছৰ ধৰি থানাখনৰ কাষতে সপ্তাহৰ প্ৰত্যেক মঙলবাৰে বহা সাপ্তাহিক বজাৰৰ পৰা একোখনকৈ মটৰ চাইকেল চুৰি হোৱা কাৰ্য সংঘটিত হৈ আহিছিল। কালি পুনৰ সাপ্তাহিক বজাৰখনৰ পৰা নামদাং নগা আলিৰ পুতুল দাস নামৰ ব্যক্তিজনৰ এ এছ-০৪ এইছ-৪৮৩০ নম্বৰৰ ক'লা ৰঙৰ পালছাৰ মটৰ চাইকেলখন চুৰি ১৩ পৃষ্ঠাত চাওক

# মেচকাপুখুৰীত ১৭ সংখ্যক সাৰ্বজনীন দুৰ্গা পূজা উদ্‌যাপনৰ ব্যাপক প্ৰস্তুতি

অগ্ৰদূত বাৰ্তা

**টংলা, ২৯ ছেপ্টেম্বৰ ঃ** ওদালগুৰি জিলাৰ মেচকাপুখুৰীত ১৭ সংখ্যক সাৰ্বজনীন দুৰ্গা পূজা উদ্‌যাপন কৰিবলৈ উদ্‌যাপন সমিতিয়ে ব্যাপক প্ৰস্তুতি চলাইছে বুলি জানিব পৰা গৈছে। ২০০৬ত কেইজনমান সমাজ হিতৈষী ব্যক্তিৰ সু-প্ৰচেষ্টাত স্থাপিত অনুষ্ঠানটোৱে এইবেলি ১৭সংখ্যক বৰ্ষত ভৰি দিছে। অহা একৰ পৰা পাঁচ অক্টোবৰলৈ মেচকাপুখুৰী সাৰ্বজনীন দুৰ্গা পূজা মণ্ডপত নিজৰ, পৰিয়ালৰ আৰু বিশ্বৰ মংগলৰ অৰ্থে এপাহ পুষ্পাঞ্জলি অৰ্পণ কৰিবলৈ দুৰ্গা মন্দিৰ পৰিচালনা সমিতিৰ সভাপতি যুগল চন্দ্ৰ বড়ো, সম্পাদক হৰকান্ত ৰাভা, উদ্‌যাপন সমিতিৰ সভাপতি পদ্মধৰ ৰাভা, উপ-সভাপতি জিতেন্দ্ৰ নাথ দাস, মংগল ৰাভা আৰু সম্পাদক বিশ্বজিৎ বড়োৱে ভক্তপ্ৰেমী ৰাইজক বিনম্ৰ অনুৰোধ জনাইছে। পূজা-অৰ্চনাৰ লগতে দুদিন সাংস্কৃতিক অনুষ্ঠানো ৰখা হৈছে। তিনি অক্টোবৰত তামুলপুৰৰ চন্দনা দাস আৰু দলগাঁৱৰ ভূমিকা ডেকাৰ দ্বাৰা মহিলাৰ নাগাৰা নামৰ যুঁজ আৰু চাৰি অক্টোবৰত দৰঙী কলা-কৃষ্টি উন্নয়ন সংঘ, ছিপাঝাৰৰ মহিলাসকলে খুলীয়া ভাওৰীয়া প্ৰদৰ্শন কৰিব। পূজাৰ আটাইকেইদিনতে সাংসদ দিলীপ শইকীয়া, কলাইগাঁও সমষ্টিৰ বিধায়ক দুৰ্গা দাস বড়ো, বিটিআৰৰ কাৰ্যবাহী সদস্য দিগন্ত বৰুৱা, খালিংদুৱাৰ পৰিষদৰ পাৰিষদ দিলীপ কুমাৰ বড়ো প্ৰমুখ্যে বিশিষ্ট ব্যক্তিসকল উপস্থিত থাকিব বুলি উদ্যোক্তাই জানিবলৈ দিয়ে।

# অসম-মিঞা (অসমীয়া) পৰিষদৰ কেন্দ্ৰীয় সভাপতিক নিলম্বন কৰাৰ বিৰুদ্ধে সংবাদ মেল

অগ্ৰদূত বাৰ্তা,

**সোণতলী, ২৯ ছেপ্টেম্বৰ ঃ** সংবিধানৰ পৰিপন্থী 'অসম অসামৰিক সেৱা আচৰণ নিয়ম-১৯৬৫' বাতিল কৰিব লাগে বুলি আজি সোণতলীৰ নেউলডোৱাত এখনি সংবাদমেলযোগে ব্যক্ত কৰে মিঞা পৰিষদৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক এম মুক্তাৰ মণ্ডলে। সংবাদমেলত তেওঁ কয় যে ভাৰতৰ সংবিধানৰ অনুচ্ছেদ-১৯ (১) ক জৰিয়তে সকলো নাগৰিকৰ বাক স্বাধীনতা আৰু মত প্ৰকাশৰ মৌলিক অধিকাৰ প্ৰদান কৰা হৈছে। ইয়াৰ উপৰি সংবিধানৰ প্ৰস্তাৱনাত ইয়াক সুৰক্ষিত কৰাৰ এক গাম্ভীৰ্যপূৰ্ণ সংকল্প লোৱা হৈছে। অনুচ্ছেদ-১৩ ত এজন নাগৰিকৰ যিকোনো মৌলিক অধিকাৰ পুনৰুদ্ধাৰ কৰাৰ বাবে উচ্চ ন্যায়ালয় বা উচ্চতম ন্যায়ালয়লৈ যোৱাৰ অধিকাৰ দিয়া হৈছে। সেয়ে এই অনুচ্ছেদক সংবিধানৰ 'হৃদয় আৰু আত্মা' হিচাপে গণ্য কৰা হয়। উল্লেখ্য যে 'অসম অসামৰিক সেৱা আচৰণ বিধিৰ-১৯৬৫'ৰ সাত নম্বৰ ধাৰাৰ জৰিয়তে কেৱল নাগৰিকৰ মৌলিক ১৩ পৃষ্ঠাত চাওক

# বিধায়কৰ উপস্থিতিত উলহ-মালহেৰে উদ্‌যাপিত হোৱা নোৱা খাই পৰ্ব সন্দৰ্ভত

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ২৯ ছেপ্টেম্বৰ ঃ** অসম হৈছে বিভিন্ন জনগোষ্ঠীৰ সংমিশ্ৰণেৰে গঠিত এক সমন্বয় ক্ষেত্ৰ। তাৰে নোৱা খাই পৰ্ব বা উৎসৱ হৈছে পশ্চিম ওড়িছাৰ ওড়িয়া লোকসকলৰ এটি কৃষি ভিত্তিক উৎসৱ। এই উৎসৱ ভাদ মাহৰ শুক্লপক্ষৰ পঞ্চমী তিথিত অনথ্যা গণেশ চতুৰ্থীৰ পিছদিনা ভাৰতৰ ওড়িছা, অসমৰ লগতে বিভিন্ন ৰাজ্যত প্ৰত্যেক বছৰে উলহ-মালহৰে পালন কৰা হয়। এই পৰ্বটোক ওড়িছাৰ লগতে ভাৰতবৰ্ষৰ জাতীয় উৎসৱ বুলি কোৱা হয়। কৃষি কাৰ্য সমাপন কৰাৰ পাছতে নতুন শস্যৰে ন-খোৱা আৰু নৃত্য-গীত কৰি উৎসৱটো পালন কৰি আহিছে। যোৱা ২৩ আৰু ২৪ ছেপ্টেম্বৰত দুদিনীয়া কাৰ্যসূচীৰে ধুলি চাহ বাগিচা খেলপথাৰত আয়োজিত অনুষ্ঠানটোত প্ৰথম দিনৰ কাৰ্যসূচী অনুসৰি, পুৱা ন বজাত উদ্‌যাপন সমিতিৰ সভাপতি ৰাজকুমাৰ বাৰিকে পতাকা উত্তোলন কৰাৰ লগতে ছহিদ তৰ্পণ কৰে ভদ্ৰ খদালে। দিনৰ ১১ বজাত বৃক্ষৰোপণ কাৰ্যসূচী উদ্বোধন কৰে মাজুলীগড় চাহ বাগিচাৰ গৌতম তচাই। সন্ধিযা সাত বজাত স্থানীয় শিল্পীৰ দ্বাৰা গীত, নৃত্য প্ৰদৰ্শিত হয়। দ্বিতীয় দিনা বৰ্ণিল সাংস্কৃতিক শোভাযাত্ৰাৰে কাৰ্যসূচীৰ ভাগ আৰম্ভ হয়। দিনৰ দুই বজাত সাংস্কৃতিক শোভাযাত্ৰা উদ্বোধন কৰে অসম চাহ মজদুৰ সংঘৰ সম্পাদক নগেন গুৱালাই। তিনি বজাত ওড়িছা নৃত্য প্ৰতিযোগিতা মুকলি কৰে ধূলি চাহ বাগিচাৰ অৰুণ নাগে। ধূলি দিৰিং উড়িয়া সমাজৰ উপদেষ্টা হেমন্ত সোনাই আঁত ধৰা অনুষ্ঠান ভাগত প্ৰতিযোগী দল হিচাপে অংশগ্ৰহণ কৰে মোনাবাৰী, দিপলঙা, মুনাই চাহ বাগিচাৰ উড়িয়া নৃত্য দলে। বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে ১৩ পৃষ্ঠাত চাওক

# জিলা কৰ্মচাৰী সন্থাৰ ৰাজ্যিক সমিতিৰ অধিবেশন ঃ স্মৃতিগ্ৰন্থৰ বাবে লেখা আহ্বান

অগ্ৰদূত বাৰ্তা

**অভয়াপুৰী, ২৯ ছেপ্টেম্বৰ ঃ** সদৌ অসম জিলা কৰ্মচাৰী সন্থাৰ দ্বাদশ দ্বিবাৰ্ষিক অধিবেশনখন বঙাইগাঁৱত অনুষ্ঠিত হ'ব। অধিবেশন সুচাৰুৰূপে পৰিচালনা কৰাৰ বাবে ইতিমধ্যে গঠন কৰা অভ্যৰ্থনা সমিতিয়ে যাৱতীয় প্ৰস্তুতি চলোৱাৰ সমান্তৰালকৈ স্মৃতিগ্ৰন্থ সমিতিয়েও নিৰ্দিষ্ট দিনৰ পূৰ্বে স্মৃতিগ্ৰন্থ প্ৰকাশৰ কাম হাতত লৈছে। অহা ২৬ আৰু ২৭ নৱেম্বৰত অনুষ্ঠিত হ'বলগীয়া অধিবেশনত অভ্যৰ্থনা সমিতিৰ তৰফৰ পৰা ১৩ পৃষ্ঠাত চাওক

# টেঙাখাত মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচন শান্তিপূৰ্ণভাৱে সামৰণি

অগ্ৰদূত বাৰ্তা

**টেঙাখাত, ২৯ ছেপ্টেম্বৰ ঃ** টেঙাখাত মহাবিদ্যালয়ৰ ২০২২-২৩ৰ ছাত্ৰ একতা সভাৰ নিৰ্বাচন শান্তিপূৰ্ণভাৱে সমাপন কৰা হয়। মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ মুঠ নটা পদৰ বাবে নিৰ্বাচন পতা হৈছিল। ইয়াৰে সাতটা পদত বিনা প্ৰতিদ্বন্দ্বিতাৰে বিজয়ী হয়। কেৱল দুটা পদৰ বাবে নিৰ্বাচন অনুষ্ঠিত কৰিবলগীয়া হয়। সভাপতি পদত মানস প্ৰতিম সোণোৱাল, উপ-সভাপতি পদত মৈত্ৰী গগৈ, সাধাৰণ সম্পাদক ক্ষীতিশ কুমাৰ সোণোৱাল, সাংস্কৃতিক সম্পাদক পদত ভিতালী বৰুৱা, ১৩ পৃষ্ঠাত চাওক

# তিনিখনকৈ মৎস্য পালন বিলত এপাৰ্ট-ৰহা মীন মহাবিদ্যালয়ৰ সৌজন্যত মীন পালনৰ প্ৰশিক্ষণ

অগ্ৰদূত বাৰ্তা

**মেৰাপানী, ২৯ ছেপ্টেম্বৰ ঃ** গোলাঘাট জিলা মীন বিভাগৰ উদ্যোগত এৰ্পাটৰ সহযোগত অসম কৃষি বাণিজ্য আৰু গ্ৰাম্য ৰূপান্তৰকৰণ প্ৰকল্পৰ অধীনত গোলাঘাট জিলাৰ ১৪ খন মৎস্য পালন কৰা বিলৰ মৎস্য পালক সকলক প্ৰশিক্ষণ প্ৰদান কৰা হয়। যোৱা ২৫ আৰু ২৬ ছেপ্টেম্বৰত জামুগুৰিৰ মলহানী টোপ বিল, মেৰাপানীৰ বগীবিল আৰু দৈমুগুৰি বিলত মীন পালনৰ পদ্ধতি সন্দৰ্ভত বিশেষজ্ঞসকলে প্ৰশিক্ষণ প্ৰদান কৰে। এই প্ৰশিক্ষণ শিবিৰত সমল ব্যক্তি হিচাপে মীন বিভাগৰ গোলাঘাটৰ মীন উন্নয়ন বিষয়া সীমান্ত কোঁৱৰ, এপাৰ্টৰ নডেল বিষয়া জ্যোতিস্না বৰা, কাৰিকৰী বিষয়া আব্দুল মালিক আহমেদ উপস্থিত থাকে। অন্যহাতে বিলত মীন পালনৰ ব্যৱস্থাপনা শীৰ্ষক কাৰ্যসূচীত মীন পালক সকলক প্ৰশিক্ষণ প্ৰদান কৰে মীন সমন্বয়ক ড° সঞ্জয় শৰ্মা, ৰাজ্যিক নডেল বিষয়া ড° ধ্ৰুৱজ্যোতি শৰ্মাৰ লগতে ৰহা মীন মহাবিদ্যালয়ৰ মানস প্ৰতিম দত্ত আৰু প্ৰকল্প বিষয়াসকলে। মেৰাপানীৰ সীমান্ত পঞ্চায়তৰ দৈমুগুৰী, বগীবিলৰ প্ৰায় ৫০ জন মীন পালকক এই প্ৰশিক্ষণ প্ৰদান কৰে। যি সময়ত অসমত থলুৱা মাছৰ চাহিদা বহু পৰিমাণে হ্ৰাস পাবলৈ ধৰিছে তেনে সময়তে অসম মীন বিভাগে মীনৰ উন্নয়ণ তথা উৎপাদন বৃদ্ধিৰ ক্ষেত্ৰত বিশেষ পদক্ষেপ গ্ৰহণ কৰিছে আৰু বিল উন্নয়ন সমিতি সমূহক বিশেষভাৱে এই প্ৰশিক্ষণ প্ৰদান কৰা বুলি জানিবলৈ দিয়ে। ইফালে মীন বিষয়াসকলে বিলসমূহত থলুৱা মাছৰ সংৰক্ষণ আৰু উৎপাদন বৃদ্ধিৰ বাবেও মীন পালকসকলক সজাগ কৰা পৰিলক্ষিত হয়।

## উৎপাদন বৃদ্ধি আৰু থলুৱা মীন সংৰক্ষণৰ ওপৰত গুৰুত্ব

# কৃত্ৰিম গো প্ৰজনন কেন্দ্ৰত জিলা উপায়ুক্তৰ উপস্থিতিত বিশ্ব জলাতংক দিৱস পালন

অগ্ৰদূত বাৰ্তা

**বিশ্বনাথ চাৰিআলি, ২৯ ছেপ্টেম্বৰ ঃ** সমগ্ৰ বিশ্বৰ লগতে কালি 'বিশ্ব জলাতংক দিৱস' বিশ্বনাথতো পালন কৰা হয়। জলাতংক হ'ল এক সামাজিক ব্যাধি। ই কুকুৰ-মেকুৰীৰ পৰা মানুহ গৰু-ছাগলী ইত্যাদিলৈ বিয়পিব পাৰে। সাধাৰণতে মেকুৰীয়ে গৰু-ছাগলী অথবা মানুহক কামুৰিলে পগলা হোৱা দেখা যায়। যদিহে ইয়াৰ সম্পূৰ্ণ প্ৰতিষেধক নলয়, তেতিয়া ই বেমাৰ হিচাপে বিয়পি যায়। এইটো ভাইৰাছ জাতীয় ৰোগ। ইয়াৰ কোনো প্ৰতিকাৰ নাথাকে। ইয়াক কেৱল প্ৰতিষেধকৰ দ্বাৰাহে নিৰ্মূল কৰিব পৰা যায়। সেয়েহে এই জলাতংক দিৱস উপলক্ষে বিশ্বনাথ স্বাস্থ্য আৰু চিকিৎসা বিভাগে আৰু পশু চিকিৎসা বিভাগৰ উদ্যোগত কালি বিশ্বনাথৰ লেহুগাঁওস্থিত আঞ্চলিক কৃত্ৰিম গো প্ৰজনন কেন্দ্ৰত এক বিশেষ শিবিৰৰ আয়োজন কৰা হয়। বিশ্বনাথ জিলাৰ উপায়ুক্তই আৰম্ভ কৰা অনুষ্ঠানত কুকুৰ আৰু মেকুৰীক বিনামূলীয়া জলাতংক প্ৰতিৰোধী ছিটা প্ৰদান কৰা হয় আৰু জলাতংক সম্পৰ্কে ৰাইজক সজাগ কৰা হয়।



*বঙাইগাঁৱত প্ৰশাসনৰ উদ্যোগত অনুষ্ঠিত হ'ল ৰক্তদান শিবিৰ।*

# বিকাশ দত্ত-শ্ৰদ্ধা দত্তৰ গীত উন্মোচন

ষ্টাফ ৰিপ'ৰ্টাৰ

**যোৰহাট, ২৯ ছেপ্টেম্বৰ ঃ** জনপ্ৰিয় কণ্ঠশিল্পী বিকাশ দত্ত আৰু শ্ৰদ্ধা দত্তৰ দ্বৈত কণ্ঠত 'জোন জোনালী' শীৰ্ষক এটি গীত কালি যোৰহাট নগৰৰ গড়আলিস্থিত অভিৰুচি ৰেষ্টুৰেণ্টত শুভ মুক্তি দিয়া হয়। যোৰহাটৰ ষ্টুডিঅ' কাৰখানাত ৰেকৰ্ডিং হোৱা দীপক কুমাৰ বৰাৰ কথা আৰু সুৰাৰোপিত এই গীতটো এগছি বন্তি প্ৰজ্বলনৰে উন্মোচন কৰে ৮০ৰ দশকৰ জনপ্ৰিয় অনাতাঁৰ শিল্পী ইলা দত্তই। গীতটোৰ সংগীত দিপু শৰ্মা আৰু অংকুৰ শৰ্মাৰ আৰু শব্দ সংমিশ্ৰণ ৰূপম দত্তৰ। উল্লেখ্য যে গীতটোৰ মুক্তি উপলক্ষে অভিৰুচিত এটি চমু সংগীতানুষ্ঠানৰো আয়োজন কৰা হয়। সাংবাদিক অমৰ বৰুৱাই আঁত ধৰা অনুষ্ঠানত বিকাশ দত্ত আৰু শ্ৰদ্ধাৰ উপৰি দিপু শৰ্মা, অংকুৰ শৰ্মা, নাৱাজ আহমেদ, আবিৰ চাহিল, সংগীতা বৰুৱা, জাহ্নু কাশ্যপ আৰু অৰূপ ভট্টাচাৰ্যই গীত পৰিবেশন কৰি অনুষ্ঠানৰ সৌষ্ঠৱ বৃদ্ধি কৰে।

**যোগেশ্বৰ গগৈৰ সোঁৱৰণী স্মৃতিচাৰণ সভা**

# 'স্মৃতিৰ পটত এক অনুধাৱন' গ্ৰন্থ উন্মোচন

অগ্ৰদূত বাৰ্তা

**চিনামৰা, ২৯ ছেপ্টেম্বৰ ঃ** যোৰহাট জিলা সাহিত্য সভা আৰু কস্তুৰী প্ৰকাশনৰ যৌথ উদ্যোগত, ডাঃ বীন চন্দ্ৰ বৰদলৈ স্মৃতি সদনত আজি সমাজ সংগঠক, সাহিত্যিক, নাট্যকাৰ, কৃষি বিভাগৰ অৱসৰপ্ৰাপ্ত বিষয়া যোগেশ্বৰ গগৈৰ সোঁৱৰণী স্মৃতিচাৰণ আৰু গ্ৰন্থ উন্মোচনী সভা অনুষ্ঠিত হয়। তদুপলক্ষে অনুষ্ঠানৰ আৰম্ভণিতে প্ৰয়াত গগৈৰ প্ৰতিচ্ছবিত এগছি বন্তি প্ৰজ্বলন, পুষ্পাঞ্জলি অৰ্পণ কৰে প্ৰয়াত গগৈৰ ছাত্ৰ বন্ধু, অৱসৰপ্ৰাপ্ত শিক্ষক নিত্যানন্দ বৰদলৈয়ে। ইয়াৰ পাছতেই পূৰবী গোস্বামীয়ে এটি বৰগীত পৰিৱেশন কৰে। স্মৃতিচাৰণ সভাত পৌৰোহিত্য কৰে জিলা সাহিত্য সভাৰ সভাপতি ড° ৰাতুল বৰাই। কস্তুৰী প্ৰকাশনৰ স্বত্বাধিকাৰী ৰেৱকান্ত বৰাই উদ্দেশ্য ব্যাখ্যা আৰু সম্পাদক মাধৱ মহন্তই আঁতধৰা অনুষ্ঠানৰ আদৰণি ভাষণ প্ৰদান কৰে ড° বৰাই। উল্লেখ্য যে প্ৰয়াত গগৈয়ে জীৱিত কালতেই প্ৰস্তুত কৰা বিভিন্ন লেখনি শৈশৱ, কৈশোৰ, সামাজিক, সত্ৰীয়া সাংস্কৃতিক আৰু কৰ্মজীৱনৰ অভিজ্ঞতাৰ নিৰ্লোভ বৰ্ণনাৰে সমৃদ্ধ লেখাসমূহ ১৩ পৃষ্ঠাত চাওক

# উত্তৰ গুৱাহাটী সাংবাদিক সন্থাৰ তিনিমহীয়া আলোচনী 'কলম'ৰ শাৰদীয় সংখ্যা উন্মোচন



অগ্ৰদূত বাৰ্তা

**উত্তৰ গুৱাহাটী, ২৯ ছেপ্টেম্বৰ ঃ** আজিৰ প্ৰজন্মই ছপা মাধ্যমৰ সলনি ইলেকট্ৰনিক মাধ্যমক অধিক গুৰুত্ব প্ৰদান কৰে যদিও বৌদ্ধিক বিকাশত ছপা মাধ্যমেহে প্ৰকৃত অৰিহণা যোগায়। গতিকে ইলেকট্ৰনিক মাধ্যমৰ জগতত নিজকে বিলাই দি ছপা মাধ্যমক অনাদৰ কৰিলে বৌদ্ধিক জগতৰ পৰা বিচ্ছিন্ন হৈ পৰিব আজিৰ প্ৰজন্ম। সেয়ে ইলেকট্ৰনিক মাধ্যমৰ সুবিধাসমূহ গ্ৰহণ কৰিও বৰ্তমান প্ৰজন্মই ছপা মাধ্যমক আঁকোৱালি ধৰিব লাগে। উত্তৰ গুৱাহাটী মহাবিদ্যালয়ৰ পদাৰ্থ বিজ্ঞান বিভাগৰ অৱসৰপ্ৰাপ্ত অধ্যাপক তথা সাপ্তাহিক বাৰ্তালোচনী 'জিজ্ঞাস'ৰ সম্পাদক হৃপেশ চৌধুৰীয়ে এইদৰে কয়। উল্লেখ্য যে উত্তৰ গুৱাহাটী সাংবাদিক সন্থাৰ তিনিমহীয়া সাহিত্য-কলা-সংস্কৃতিমূলক আলোচনী 'কলম'ৰ শাৰদীয় সংখ্যাটো আজি উত্তৰ গুৱাহাটীৰ আগশাৰীৰ শিক্ষানুষ্ঠান শংকৰদেৱ শিশু নিকেতন প্ৰেক্ষাগৃহত উন্মোচন কৰা হয়। বিদ্যালয়খনৰ আচাৰ্য-আচাৰ্যা, শিক্ষাৰ্থী তথা কে'বাজনো বিশিষ্ট ব্যক্তিৰ উপস্থিতিত 'কলম' আলোচনীখনৰ উত্তৰোত্তৰ ১৩ পৃষ্ঠাত চাওক

# মাখিবাহাত দুৰ্গা পূজাৰ আয়োজন

অগ্ৰদূত বাৰ্তা

**টিহু, ২৯ ছেপ্টেম্বৰ ঃ** ক'ভিডসৃষ্ট পৰিৱেশৰ বাবে বিগত দুটাকৈ বৰ্ষত অনুষ্টুপীয়াকৈ দুৰ্গা পূজা অনুষ্ঠিত কৰাৰ পাছত এইবাৰ আড়ম্বৰপূৰ্ণভাৱে চলিছে দুৰ্গা পূজাৰ প্ৰস্তুতি। ৰাজ্যৰ ভিন্ন প্ৰান্তৰ লগতে টিহুৰ মাখিবাহাতো ৩১ সংখ্যক মাখিবাহা সাৰ্বজনীন শ্ৰীশ্ৰীদুৰ্গা পূজাৰো চলিছে ব্যাপক আয়োজন। মাখিবাহা সভাৰ খলাত পহিলা অক্টোবৰৰ বৰা পাঁচদিনীয়া বৰ্ণাঢ্য কাৰ্যসূচীৰে অনুষ্ঠিত হ'ব সাৰ্বজনীন দুৰ্গা পূজা। ইতিমধ্যে প্ৰসন্ন কুমাৰ হালৈক সভাপতি, অৱনী কুমাৰ শৰ্মাক কাৰ্যকৰী সভাপতি আৰু জ্যোতিষ হালৈক সম্পাদকৰূপে লৈ গঠন কৰা পৰিচালনা সমিতিয়ে প্ৰস্তুতি প্ৰায় সম্পূৰ্ণ কৰি তুলিছে। কাৰ্যসূচী অনুসৰি প্ৰহিলা অক্টোবৰৰ পুৱা ন বজাত মাখিবাহা সাৰ্বজনীন দুৰ্গা পূজা পৰিচালনা সমিতিৰ সভাপতি প্ৰসন্ন কুমাৰ হালৈয়ে পতাকা উত্তোলন কৰাৰ পাছতে বৃক্ষৰোপণ ১৩ পৃষ্ঠাত চাওক

**কয়েৰ সমবায় সমিতিৰ আৰম্ভণি অনুষ্ঠান সম্পন্ন**

# ঐক্যবদ্ধ কৰ্মৰেহে সমাজৰ প্ৰগতি সম্ভৱ

অগ্ৰদূত বাৰ্তা

**নলবাৰী, ২৯ ছেপ্টেম্বৰ ঃ** সংস্কাৰযুক্ত মানুহৰ সহযোগিতামূলক ঐক্যবদ্ধ কৰ্মৰেহে সমাজৰ অগ্ৰগতি সম্ভৱ। সমবায় গঠনৰ যোগেদি সমাজৰ অৰ্থনৈতিক আৰু সামাজিকভাৱে দুৰ্বল শ্ৰেণীৰ ভৱিষ্যত বুনিয়াদ নিৰ্মাণ কৰাৰ বাবে বিজেপিৰ এই পদক্ষেপ আদৰণীয় বুলি মন্তব্য কৰে অখিল ভাৰতীয় সহকাৰ ভাৰতীৰ উপ-সভাপতি প্ৰশান্ত বুজৰবৰুৱাই। কালি বিজেপি, অসম প্ৰদেশ সমবায় কোষৰ উদ্যোগত গঠিত কয়েৰ সমবায় সমিতিৰ আৰম্ভণি কৰি বিশিষ্ট সমবায় ক্ষেত্ৰৰ অগ্ৰণী বুজৰবৰুৱা বৰ্তমান চৰকাৰৰ সমবায় খণ্ডৰ বাবে লোৱা সৰল ব্যৱস্থাৰ সঠিক ব্যৱহাৰ কৰিবলৈ ৰাইজক আহ্বান জনায়। সমবায় কোষৰ ৰাজ্যিক আহ্বায়ক দিলজিৎ বৰ্মনে সবল অৰ্থনৈতিক অসম আৰু আত্মনিৰ্ভৰশীল অসম নিৰ্মাণৰ বাবে কেঁচা সামগ্ৰীৰ যথোপযুক্ত ব্যৱহাৰ কৰি সময়ৰ আহ্বানক বাস্তৱ ৰূপ দিবলৈ এই পদক্ষেপ গ্ৰহণ কৰা হৈছে বুলি বক্তব্য আগবঢ়ায়। নাৰিকলৰ স'তে জড়িত কয়েৰ ক্ষেত্ৰৰ বিকাশৰ উদ্দেশ্যে কালি বিজেপি অসম প্ৰদেশ, সমবায় কোষৰ উদ্যোগত 'অসম ১৩ পৃষ্ঠাত চাওক

# খাগৰিজান মহাবিদ্যালয়ত নব্যবৰণ-২০২২ শীৰ্ষক অনুষ্ঠান

বিশেষ সংবাদদাতা

**নগাঁও, ২৯ ছেপ্টেম্বৰ ঃ** নগাঁৱৰ খাগৰিজান মহাবিদ্যালয়ৰ গৌৰৱোজ্জ্বল সোণালী জয়ন্তী বৰ্ষৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ত আজি অনুষ্ঠিত হয় 'নব্যবৰণ-২০২২' শীৰ্ষক এক অনুষ্ঠান। উক্ত অনুষ্ঠানত বিশিষ্ট অতিথিৰূপে উপস্থিত থাকে নগাঁও সদৰ সমষ্টিৰ বিধায়ক ৰূপক শৰ্মা। বিধায়কজনে মহাবিদ্যালয়ত উপস্থিত হৈ প্ৰথমে বিধায়ক অঞ্চল উন্নয়ন পুঁজিৰ দ্বাৰা নিৰ্মিত পুথিভঁৰালটো মুকলি কৰে। তাৰ পাছতে অনুষ্ঠিত মুকলি সভাত বিধায়ক শৰ্মাই ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি কয় যে 'মানৱ জীৱন সুন্দৰ ৰূপত গঢ়ি তোলাৰ মূল সম্পদ হৈছে শিক্ষা। আমি প্ৰতিজন ব্যক্তি শিক্ষাৰ আলোকেৰে আলোকিত হ'ব নোৱাৰিলে এখন সুস্থ-স্বল সমাজৰ সপোন দেখিব নোবাৰো। শিক্ষাৰ যোগেদি জ্ঞানৰ শলিতা জ্বলাই পোহৰৰ বাট খাজৰিজান মহাবিদ্যালয়খন মধ্য অসমৰ এক উল্লেখযোগ্য উচ্চ শিক্ষানুষ্ঠান। চাওঁতে চাওঁতে আজি খাগৰিজান মহাবিদ্যালয়ে গৌৰৱোজ্জ্বল সোণালী জয়ন্তী বৰ্ষত ভৰি দিলে। এতিয়া আগৰ খাগৰিজান মহাবিদ্যালয় আৰু আজিৰ খাগৰিজান মহাবিদ্যালয়ৰ মাজত বহু পৰিৱৰ্তন আহিল।' অনাগত দিনত মহাবিদ্যালয়খনৰ সকলো দিশৰ ফালৰ পৰা আৰু অধিক উন্নতি কামনা কৰে বিধায়ক শৰ্মাই। অনুষ্ঠানত খাগৰিজান মহাবিদ্যালয়ৰ অধ্যক্ষ ড° ৰমেশ নাথ, বৰক'লা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ অধ্যক্ষ প্ৰতাপ সিং, মহাবিদ্যালয়ৰ প্ৰাক্তন অধ্যক্ষ অৰুণ বিকাশ দত্ত, মহাবিদ্যালয়খনৰ প্ৰাক্তন ভাৰপ্ৰাপ্ত উপাধ্যক্ষা চেলিমা চুলতানা খন্দকাৰ, জেষ্ঠ সাংবাদিক কনক হাজৰিকা প্ৰমুখ্যে ভালেমান গণ্যমান্য ব্যক্তি উপস্থিত থাকে। ১৩ পৃষ্ঠাত চাওক

# দেৱী দুৰ্গাক আৰাধনাৰ বাবে গোৱালপাৰা চহৰত সাজু হৈ উঠিছে ৩৬ খন পূজা সমিতি

**সংসদ ভৱন, কেদাৰনাথ ধামে দিব চমক**

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ২৯ ছেপ্টেম্বৰ ঃ** শাৰদীয় দুৰ্গোৎসৱৰ বাবে গোৱালপাৰা চহৰৰ লগতে জিলাখনৰ ভিন্ন প্ৰান্তৰ পূজা সমিতিসমূহে চলাইছে ব্যাপক প্ৰস্তুতি। গোৱালপাৰা চহৰত আকৰ্ষণীয় পূজা মণ্ডপৰ বাবে চলিছে অঘোষিত প্ৰতিযোগিতা। ইয়াৰে গোৱালপাৰা জিলা উপায়ুক্তৰ কাৰ্যালয়ৰ সন্মুখত থকা নেপালী মন্দিৰ দুৰ্গা পূজা সমিতিয়ে এইবাৰ সাংসদ ভৱনৰ আৰ্হিত পূজা মণ্ডপৰে ভক্তপ্ৰাণ ৰাইজক চমক দিবলৈ চেষ্টা কৰিব। ইতিমধ্যে আকৰ্ষণীয় পূজা মণ্ডপৰ প্ৰায় ৯০ শতাংশ কাম সম্পন্ন হৈছে। একেদৰে ঐতিমণ্ডিত চ'কবজাৰ পূজা সমিতিয়ে উত্তাৰখণ্ডৰ কেদাৰনাথ ধামৰ আৰ্হিত পূজা মণ্ডপৰে ভক্তপ্ৰাণ ৰাজইক চমক দিব। ঠিক তেনেদৰে বেলতলা দুৰ্গা পূজা সমিতিয়ে এইবেলি বিশাল কেদাৰনাথ ধামৰ আৰ্হিত পূজা মণ্ডপ নিৰ্মাণ কৰি আকৰ্ষিত কৰিব ভক্তপ্ৰাণ লোক। তাৰ উপৰি ঐতিমণ্ডিত হৰিসভা পূজা সমিতিৰ শতবৰ্ষ উপলক্ষে এইবেলি বৰ্ণাঢ্য কাৰ্যসূচী ৰূপায়ণ কৰা হ'ব দুৰ্গোৎসৱত। উল্লেখ্য যে গোৱালপাৰা দুৰ্গা পূজা কেন্দ্ৰীয় সমিতিৰ অন্তৰ্গত গোৱালপাৰা চহৰৰ লগতে দাঁতি-কাষৰীয়া অঞ্চলত প্ৰায় ৩৬ খন পূজা অনুষ্ঠিত হ'ব। গোৱালপাৰা চহৰ আৰু দাঁতি-কাষৰীয়া পুজা মণ্ডপসমূহ হ'ল ক্ৰমে পিয়াৰীমোহন ঘোষ দুৰ্গা পূজা সমিতি, আৰক্ষী ছাউনী দুৰ্গা পূজা, আনন্দ নগৰ দুৰ্গা পূজা সমিতি, বিঅ'চি দুৰ্গা পূজা সমিতি, ঘোষবাড়ী দুৰ্গা পূজা সমিতি, পুৰণি শ্মশান দুৰ্গা পূজা সমিতি, গোবিন্দপুৰ দুৰ্গা পূজা সমিতি, মৰিয়মনগৰ দুৰ্গা পূজা সমিতি, দুৰ্গা মন্দিৰ দুৰ্গা পূজা সমিতি, চন্দৰীয়াপথাৰ দুৰ্গা পুজা সমিতি, নেপালী মন্দিৰ দুৰ্গা পুজা সমিতি, বলদমাৰী চৰ দুৰ্গা পূজা সমিতি, বেলতলা দুৰ্গা পূজা সমিতি, বাপুজীনগৰ (জ্যোতিনগৰ) দুৰ্গা পূজা সমিতি, এন এইছ দুৰ্গা পুজা সমিতি, নৱজ্যোতি ক্লাব দুৰ্গা পূজা সমিতি, শান্তিনগৰ দুৰ্গা পজা সমিতি, লাচিত নগৰ দুৰ্গা পূজা সমিতি, হৰিসভা দুৰ্গা পূজা সমিতি, বলদমাৰী চৰ (ডায়মণ্ড) দুৰ্গা পূজা সমিতি, নয়াপাৰা দুৰ্গা পূজা সমিতি, পুৰণি- শ্মশান দুৰ্গা পূজা সমিতি, শাস্ত্ৰীনগৰ দুৰ্গা পূজা সমিতি, ১৩ পৃষ্ঠাত চাওক

### ডিগবৈ আঞ্চলিক দুগ্ধ উৎপাদন আৰু বিতৰণ সমিতিৰ কাৰ্যনিৰ্বাহক সভা

# পহিলা অক্টোবৰৰ পৰা গাখীৰেৰে উৎপাদিত প্ৰতিবিধ সামগ্ৰীৰ মূল্যবৃদ্ধিৰ সিদ্ধান্ত

**অগ্ৰদূত বাৰ্তা**

**ডিগবৈ, ২৯ ছেপ্টেম্বৰ ঃ** সদৌ অসম দুগ্ধ উৎপাদন আৰু বিতৰণ তিনিচুকীয়া জিলা সমিতিৰ অন্তৰ্গত ডিগবৈ আঞ্চলিক সমিতিৰ এখন গুৰুত্বপূৰ্ণ কাৰ্যনিৰ্বাহক সভা অনুষ্ঠিত হৈ যায়। ডিগবৈ আঞ্চলিক সমিতিৰ সম্পাদক স্বচ্ছতা নন্দ সিঙে আঁত ধৰা সভাখনত সভাপতিত্ব কৰে বিজয় প্ৰসাদ যাদৱে। ডিগবৈ বিষ্ণু প্ৰাংগণত অনুষ্ঠিত হোৱা কাৰ্যনিৰ্বাহক সভাখনত ডিগবৈ দুগ্ধ উৎপাদন আৰু বিতৰণ সমিতিয়ে কে'বাটাও গুৰুত্বপূৰ্ণ সিদ্ধান্ত গ্ৰহণ কৰে। বজাৰত ক্ৰমবৰ্ধমান হাৰত প্ৰতিবিধ সামগ্ৰীৰ মূল্য বৃদ্ধি হোৱাৰ লগতে গৰুৰ খাদ্য হিচাপে ব্যৱহাৰ কৰা চাপৰ, ভঙা চাউল, মাটি কলাই, তুঁহগুৰি আৰু খেৰৰ দামো বৃদ্ধি পোৱাত খুচুৰা দুগ্ধ ব্যৱসায়ীসকলৰ মাজত এক অভাৱনীয় পৰিস্থিতিৰ সৃষ্টি হৈছে। সেই হেতুকে ডিগবৈ আঞ্চলিক দুগ্ধ উৎপাদন আৰু বিতৰণ সমিতিয়ে আগন্তুক পহিলা অক্টোবৰৰ পৰা গাখীৰ, পনীৰ আৰু দৈৰ দাম পূৰ্বৰ তুলনাত বৃদ্ধি কৰিব। পূৰ্বে প্ৰতি লিটাৰ গাখীৰ মূল্য ৫০ টকাকৈ গ্ৰাহকক প্ৰদান কৰাৰ পৰিৱৰ্তে নতুন নিৰিখ ৭০ টকালৈ বৃদ্ধি কৰাৰ লগতে প্ৰতি কিলোগ্ৰাম পনীৰৰ পূৰ্বৰ মূল্য ৪৬০ টকাৰ পৰিৱৰ্তে ৪৯০ টকালৈ আৰু দৈৰ প্ৰতি কিলোগ্ৰামৰ পূৰ্বৰ মূল্য ১৬০ টকাৰ বিপৰীতে ১৮০ টকালৈ বৃদ্ধি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। ডিগবৈ চহৰৰ লগতে পাৰ্শ্ব উপকণ্ঠ অঞ্চলত গোপালন কৰি থকা এশৰো অধিক গোপালকে তৈলনগৰী ডিগবৈ চহৰৰ লগতে পাৰ্শ্বৱৰ্তী অঞ্চলত প্ৰতিদিনে বিতৰণ কৰি অহা গ্ৰাহকৰ সুবিধাৰ্থে প্ৰেছ বিজ্ঞপ্তিৰ জৰিয়তে সদৰী কৰে।

## বিহপুৰীয়া মহাবিদ্যালয়ত ছাত্ৰ একতা সভাৰ নিৰ্বাচন সম্পন্ন

**অগ্ৰদূত বাৰ্তা**

**বিহপুৰীয়া, ২৯ ছেপ্টেম্বৰ ঃ** বিহপুৰীয়া মহাবিদ্যালয় ছাত্ৰ একতা সভাৰ ২০২২-২৩ বৰ্ষৰ সাধাৰণ নিৰ্বাচন আজি সফলতাৰে সম্পন্ন হৈ যায়। নিৰ্বাচনত আছু সমৰ্থিত অধিকাংশ প্ৰাৰ্থী বিজয়ী হয়। সভাপতি, সাধাৰণ সম্পাদক প্ৰমুখ্যে কে'বাটাও গুৰুত্বপূৰ্ণ পদত বিহপুৰীয়া আঞ্চলিক ছাত্ৰ সন্থাৰ সমৰ্থিত প্ৰাৰ্থী জয়ী হোৱাত বিহপুৰীয়া আঞ্চলিক ছাত্ৰ সন্থাৰ সভাপতি প্ৰফুল্ল দেউৰী আৰু সাধাৰণ সম্পাদক হীৰকজ্যোতি বৰুৱাই অভিনন্দন জ্ঞাপন কৰিছে। নিৰ্বাচনত সভাপতি পদত তাৰাচন্দ দাগাই বিনা প্ৰতিদ্বন্দ্বিতাৰে জয়লাভ কৰাৰ বিপৰীতে সাধাৰণ সম্পাদক পদত খনিন্দ্ৰ মাধৱ ভূঞাই বৃহৎ সংখ্যক ভোটৰ ব্যৱধানত জয়লাভ কৰে। সহকাৰী সাধাৰণ সম্পাদক পদত ঋত্বিক পাল, আলোচনী সম্পাদক পদত বিতুপন ভূঞা, সাংস্কৃতিক সম্পাদক পদত বিশ্বৰূপা দেউৰী, উৎসৱ সম্পাদক পদত ৰোহিত চৌধুৰী, তৰ্ক আৰু সাহিত্য সম্পাদক পদত পূজা নেওগ, আন্তঃক্ৰিয়া সম্পাদক পদত তনুজ গগৈ আৰু বহিঃক্ৰিয়া সম্পাদক পদত ইকবাল আহমেদ জয়ী হয়।

### বিদ্যালয় আৰু ভঁৰালৰ বিস্তৰ ক্ষতিসাধন ঃ আতংকিত গঞা ৰাইজ

# ডিমৌৰ সমীপৰ পানীদিহিং পক্ষী অভয়াৰণ্যৰ কাষৰীয়া চ'ৰগুৱাত বন্যহস্তীৰ উপদ্ৰৱ

**অগ্ৰদূত বাৰ্তা**

**ডিমৌ, ২৯ ছেপ্টেম্বৰ ঃ** শিৱসাগৰ জিলাৰ ডিমৌৰ কাষৰীয়া চ'ৰগুৱাত মেডেলা সংৰক্ষিত বনাঞ্চলৰ পৰা খাদ্যৰ সন্ধানত জনাঞ্চললৈ অহা এজাক বন্যহস্তীয়ে নিদ্ৰা হৰিছে অঞ্চলবাসী ৰাইজৰ। বিগত কে'বদিনো ধৰি এটা বৃহৎ বন্যহস্তীৰ দলে এফালৰ পৰা খেতিপথাৰ নষ্ট কৰি আহিছিল যদিও বুধবাৰে নিশা গঞা ৰাইজৰ কে'বাটাও ভঁৰাল ভঙাৰ উপৰি চ'ৰগুৱা উচ্চ মাধ্যমিক বিদ্যালয়ৰ মধ্যাহ্ন ভোজনৰ চাউল মজুত ৰখা গৃহৰ পকী বেৰ ভাঙি চাউল খোৱাৰ উপৰি বিদ্যালয়খনৰ বিস্তৰ ক্ষতিসাধন কৰে। ইয়াৰ উপৰি বন্যহস্তীৰ জাকটোৱে অঞ্চলটোৰ কে'বাগৰাকী ব্যক্তিৰ লোহাৰ গেট ভাঙি নিশা এক আতংকময় পৰিৱেশৰ সৃষ্টি কৰে। উল্লেখ্য যে দীৰ্ঘদিন ধৰি বৃহত্তৰ অঞ্চলটোত এই বন্যহস্তীৰ সমস্যা চলি আহিছে যদিও বন বিভাগে অঞ্চলটোত কেৱল চাৰিজন বনকৰ্মী নিয়োজিত কৰিয়েই হাতী আৰু মানুহৰ সংঘাতৰ সমস্যাটো দায়সৰাৰ অপচেষ্টাহে কৰিছে বুলি ৰাইজে অভিযোগ কৰিছে। বৰ্তমান স্থানীয় ৰাইজে অঞ্চলটোত ফৰেষ্ট বেটেলিয়ন নিয়োগ কৰি দীৰ্ঘদিনীয়া সমস্যাটোৰ স্থায়ী সমাধান কৰাৰ দাবী উত্থাপন কৰিছে।

# পেট্ৰ'ল-ডিজেলৰ ওপৰত আৰোপ কৰা ভেট প্ৰত্যাহাৰৰ দাবী এআইইউডিএফৰ

**কৃষ্ণাই, ২৯ ছেপ্টেম্বৰ ঃ** ৰাজ্যখনত অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্য প্ৰায় প্ৰতিদিনে বৃদ্ধি হৈ থকা কাৰ্যত ক্ষোভ প্ৰকাশ কৰিছে এআইইউডিএফে। এক বিবৃতিৰ জৰিয়তে নিজৰ ক্ষোভ উজাৰি ৰাজ্য চৰকাৰখনক মূল্যবৃদ্ধি নিয়ন্ত্ৰণৰ বাবে দাবী জনাইছে বদৰুদ্দিন আজমল নেতৃত্বাধীন দলটোৱে। এআইইউডিএফৰ কেন্দ্ৰীয় সমিতিৰ সাধাৰণ সম্পাদক আব্দুল হাই স্বাক্ষৰিত বিবৃতিটোত উল্লেখ কৰা মতে, ক'ভিড কালত জুৰুলা হোৱা ৰাজ্যবাসীক অত্যাৱশ্যকীয় সামগ্ৰীৰ মুল্যবৃদ্ধিয়ে ইতিমধ্যে কোঙা কৰিছে। ভোটৰ অংকত হিতাধিকাৰী সৃষ্টি কৰা চৰকাৰে জিলাই জিলাই কেবিনেট পাতি দেউলীয়া হৈ ৰাজকোষৰ বিত্তীয় নাটনিৰ জোৰা মাৰিবলৈ বিদ্যুতৰ বিল অস্বাভাৱিক হাৰে বৃদ্ধি কৰাৰ লগতে ভূমিকৰ, সম্পত্তি কৰ, জলকৰ, গৃহ নিৰ্মাণ কৰ, পৌৰকৰ আদি ৰাজ্যবাসীৰ ওপৰত জাপি দি এক অৰাজক পৰিৱেশ সৃষ্টি কৰিছে। এই অৱস্থাত পেট্ৰ'ল-ডিজেলৰ ওপৰত আৰোপিত ভেটৰ বাবে অত্যাৱশ্যকীয় সামগ্ৰীৰ মুল্য আকৌ বৃদ্ধি হ'ব। ৰাজ্যত দুৰ্ভিক্ষ হ'ব। এনে জনবিৰোধী নীতিক গৰিহণা দি জনবিৰোধী নীতিসমূহ প্ৰত্যাহাৰ কৰিবলৈ সজোৰে দাবী উত্থাপন কৰিছে। 'কেগ'ৰ প্ৰতিবেদন নস্যাৎ কৰা চৰকাৰে পেট্ৰ'ল-ডিজেলৰ ওপৰত ভেট আৰোপৰ সিদ্ধান্ত প্ৰত্যাহাৰ কৰক।

### নলবাৰীত কৃষক সন্মিলনৰ প্ৰস্তুতি আৰু সম্বৰ্ধনা সভাত ড° কৃষ্ণ চন্দ্ৰ গৌড়

# কৃষকৰ অধিকাৰ ৰক্ষাৰ স্বাৰ্থত ঐক্যবদ্ধ হোৱাৰ প্ৰয়োজন

**অগ্ৰদূত বাৰ্তা**

**নলবাৰী, ২৯ ছেপ্টেম্বৰ ঃ** নলবাৰী জিলা কৃষক সভাৰ উদ্যোগত ২৯ ছেপ্টেম্বৰৰ পৰা তিনিদিনীয়াকৈ আয়োজিত ২৫ সংখ্যক ৰাজ্যিক সন্মিলনৰ সন্দৰ্ভত আজি অভ্যৰ্থনা সমিতিৰ অস্থায়ী কাৰ্যালয়ত এখন বিশাল প্ৰস্তুতি সভা হয়। সভাত সভাপতিত্ব কৰি অভ্যৰ্থনা সমিতিৰ সভাপতি ড° কৃষ্ণ চন্দ্ৰ গৌড়ে কয় যে ২৯, ৩০ ছেপ্টেম্বৰ আৰু পহিলা অক্টোবৰত নলবাৰীত অনুষ্ঠিত হ'বলগা ৰাজ্যিক সন্মিলনৰ প্ৰস্তুতি কৰ্মত জড়িত ব্যক্তিসকলৰ অংশগ্ৰহণে এই কথাই প্ৰতীয়মান কৰিছে যে কৃষক সমাজৰ অধিকাৰ ৰক্ষাৰ স্বাৰ্থত ব্যাপক গণতান্ত্ৰিক ৰাইজ ঐক্যবদ্ধ হোৱাৰ সময় হৈছে বুলি দোহাৰে। অভ্যৰ্থনা সমিতিৰ সম্পাদক ৰবীন মিশ্ৰই আঁত ধৰা সভাত গুৱাহাটী বিশ্ব বিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপ-পঞ্জীয়ক ড° ৰমণী বৰ্মনে ভাষণত কয় যে নলবাৰী জিলাৰ গণতান্ত্ৰিক আন্দোলনৰ এক



গৌৰৱোজ্বল ইতিহাস আছে। প্ৰগতিশীল চিন্তা-ভাৱনাৰে উদ্দীপ্ত বিভিন্ন ক্ষেত্ৰত কৰ্মৰত অগণন বন্ধুৰ বাবে কৃষক সভাৰ আগন্তুক ৰাজ্যিক সন্মিলনে পৰস্পৰৰ ওচৰ চপাৰ এক সুযোগ দিছে। আদৰ্শগত দৃষ্টিভংগীৰে মত বিনিময় কৰি নিজৰ চিন্তা-চৰ্চা উৎকৰ্ষ সাধনতো সন্মিলনৰ প্ৰস্তুতি পৰ্বই গুৱাহাটীবাসী অনেক সচেতন ব্যক্তিৰ বাবে দুৱাৰ খুলি দিছে। তেওঁ সাম্প্ৰতিক সময়ত কৃষক, শ্ৰমিকসকলৰ অৰ্থাৎ জনসাধাৰণৰ স্বাৰ্থত প্ৰতিগৰাকী সমাজ সভ্যতাৰ প্ৰতি দায়িত্বশীল লোকক নিজৰ পবিত্ৰ কৰ্তব্য পালনৰ বাবে আগবাঢ়ি আহিবলৈ আহ্বান জনায়। অধিবক্তা পবিত্ৰ কলিতা আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ প্ৰাক্তন সাধাৰণ সম্পাদক তৰুণ দত্ত, অভ্যৰ্থনা সমিতিৰ কাৰ্যকৰী সভাপতি কৰুণা কলিতাই নিজৰ অভিমত দাঙি ধৰে। সভাৰ আদিতে নলবাৰী মহাবিদ্যালয়ৰ অৱসৰপ্ৰাপ্ত উপাধ্যক্ষ চক্ৰেশ্বৰ তালুকদাৰ, বাওঁপন্থী, কৃষক আন্দোলনৰ অক্লান্ত কৰ্মী আবেদ আলিকো বিপুল সম্বৰ্ধনা জনোৱাৰ লগতে গুৱাহাটীৰ পৰা আহি সভাত অংশগ্ৰহণ কৰা বিশিষ্ট ব্যক্তিসকলক ফুলাম গামোচাৰে সম্বৰ্ধনা জ্ঞাপন কৰা হয়।

## বঙাইগাঁৱত ২৪ ঘন্টাই সক্ৰিয় ফোন নম্বৰ মুকলি

**অগ্ৰদূত ব্যুৰ'**

**বঙাইগাঁও, ২৯ ছেপ্টেম্বৰ ঃ** সমাগত শাৰদীয় দুৰ্গোৎসৱৰ পৰিপ্ৰেক্ষিতত বঙাইগাঁও জিলা প্ৰশাসনে ২৪ ঘন্টাই প্ৰশাসনৰ স'তে যোগাযোগত পোৱাৰ বাবে, এক দূৰভাষ মুকলি কৰিছে। বঙাইগাঁও জিলা প্ৰশাসনৰ হৈ জিলা তথ্য আৰু জনসংযোগ বিভাগে প্ৰকাশ কৰা মতে, অহা দুইৰ পৰা পাঁচ অক্টোবৰলৈ দুৰ্গা পূজা উদ্‌যাপন উপলক্ষে বঙাইগাঁও জিলাৰ উপায়ুক্ত নবদ্বীপ পাঠকৰ এক অধিসূচনাযোগে জিলা উপায়ুক্ত কাৰ্যালয়ত দূৰভাষ ৭০৮৬৭৯৩৫০৭ নম্বৰটো মুকলি কৰা হৈছে। বঙাইগাঁও সদৰ আৰু মাণিকপুৰ মহকুমাৰ বাবে উপায়ুক্ত কাৰ্যালয়ত স্থাপন কৰা এই নিয়ন্ত্ৰণ কক্ষৰ দূৰভাষ নম্বৰটো ৰাইজৰ সুবিধাৰ্থে বা জৰুৰী যোগাযোগৰ বাবে ২৪ ঘন্টাই উপলব্ধ থাকিব। এই নিয়ন্ত্ৰণ কক্ষৰ বাবে চাৰিগৰাকী কৰ্মচাৰী নিযুক্ত কৰা হৈছে।

## মধ্য মাজুলীৰ জালুকবাৰীত শংকৰদেৱৰ ৫৭৪ সংখ্যক জন্মোৎসৱৰ আয়োজন

**অগ্ৰদূত বাৰ্তা**

**কমলাবাৰী, ২৯ ছেপ্টেম্বৰ ঃ** প্ৰতি বছৰৰ দৰে এই বছৰো মধ্য মাজুলীৰ জালুকবাৰী গাঁৱৰ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ জন্মোৎসৱ উদ্‌যাপন সমিতিৰ উদ্যোগত তথা জালুকবাৰীৰ ৰাইজৰ সহযোগত জালুকবাৰী গাঁৱৰ নামঘৰত তিনিদিনীয়া কাৰ্যসূচীৰে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ ৫৭৪ সংখ্যক জন্মোৎসৱৰ আয়োজন কৰিছে। সেই অনুসৰি অহা পাঁচ অক্টোবৰৰ জন্মোৎসৱৰ প্ৰথম দিনা পুৱা ক্ৰমে উষা কীৰ্তন, ধৰ্মধ্বজা উত্তোলন, ভাগৱত শোভাযাত্ৰাৰ পাছতেই দিনৰ ১১ বজাত ভাগৱত প্ৰতিষ্ঠা কৰিব উত্তৰ কমলাবাৰী সত্ৰৰ পদ্মশ্ৰী গোপীৰাম বৰগায়ন বুঢ়াভকতে। ইয়াৰ পাছতেই আৰম্ভ হ'বলগীয়া অবিৰত ভাগৱত পাঠৰ সামৰণি পৰিব অহা সাত অক্টোবৰৰ বিয়লি দুই বজাত। সেইদিনাই সন্ধিয়া ৭-৩০ বজাত এক বিশেষ সম্বৰ্ধনা অনুষ্ঠানৰ পাছতেই নটৰাজ নাট্য গোষ্ঠী, কমলাবাৰীৰ দ্বাৰা পৰিৱেশন হ'বলগীয়া 'নৃসিংহ অৱতাৰ' ভাওনা উদ্বোধন কৰিব অসম সাহিত্য সভাৰ কাৰ্যনিৰ্বাহক সদস্য প্ৰভাত বৰা বুঢ়াভকতে। উদ্‌যাপন সমিতিৰ সভাপতি উৎপল বৰা, সম্পাদক দীপাংকৰ বৰাই উক্ত তিনিওটা দিনৰ কাৰ্যসূচীত ভক্তপ্ৰাণ ৰাইজৰ সহায়-সহযোগিতা আৰু উপস্থিতি কামনা কৰিছে।

## মুছলপুৰত শাৰদী মেলা ২০২২ উদ্বোধন

### ২২৩ গৰাকী জীৱিকা সখীক স্কুটী বিতৰণ

**অগ্ৰদূত বাৰ্ত**

**মুছলপুৰ, ২৯ ছেপ্টেম্বৰ ঃ** বাগ্‌সা জিলাৰ মুছলপুৰৰ সাংস্কৃতিক প্ৰকল্পত আজি পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগৰ উদ্যোগত অসম শাৰদী মেলা ২০২২ উদ্বোধন কৰা হয়। অসম চৰকাৰৰ কেবিনেট মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই উদ্বোধন কৰে এই অসম শাৰদী মেলা ২০২২। মন্ত্ৰীজনে সকলোকে শাৰদীয় পূজাৰ ওলগ জনাই শান্তি-সম্প্ৰীতিৰে পূজা উপভোগ কৰিবলৈ আহ্বান জনায়। দুৰ্গতি নাশিনীৰ এই পূজাত সকলোৰে মনৰ পৰা অপায় অমংগল নাশ হ'ব বুলিও তেওঁ আশা প্ৰকাশ কৰে। শাৰদীয় দুৰ্গা পূজা উপলক্ষে বাগ্‌সা জিলা পঞ্চায়ত আৰু গ্ৰামোন্নয়ন বিভাগে অসম ৰাজ্যিক গ্ৰামীণ জীৱিকা অভিযান, বাগ্‌সা জিলাৰ উদ্যোগত এই অসম শাৰদী মেলা ২০২২ আনুষ্ঠানিকভাৱে উদ্বোধন কৰা হয়। ২৩ খন কাপোৰৰ বিপণীৰ লগতে থলুৱাভাৱে তৈয়াৰ কৰা ভিন্ন খাদ্য সামগ্ৰীৰে আত্মসহায়ক গোটবোৰে এই শাৰদী মেলাত অংশগ্ৰহণ কৰিছে। ইফালে, এই শাৰদী মেলাতে বাগ্‌সা জিলাৰ উন্নয়ন খণ্ডসমূহৰ অন্তৰ্গত ২২৩ গৰাকী জীৱিকা সখীৰ মাজত ৰাজ্য চৰকাৰে প্ৰদান কৰা স্কুটী বিতৰণ কৰে। আজি আনুষ্ঠানিকভাৱে ২০ গৰাকী জীৱিকা সখীৰ মাজত বিতৰণ কৰে এই স্কুটী। আজিৰ অনুষ্ঠানত ৰাজ্য চৰকাৰৰ মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্ম, বিটিচি পৰিষদৰ অধ্যক্ষ কাতিৰাম বড়ো, কাৰ্যবাহী সদস্যদ্বয় ৰাকেশ ব্ৰহ্ম, ধৰ্ম নাৰায়ণ দাস, জিলা উপায়ুক্ত মাচান্দা মাগডালিন পাৰ্টিনকে ধৰি প্ৰায় তিনি শতাধিক মহিলা উপস্থিত আছিল। তিনিদিন ধৰি চলিব এই শাৰদী মেলা ।





### গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়া উদ্বোধন ঃ লন বলত অসমৰ ছোৱালীৰ দল পৰাস্ত

# ১০ মিটাৰ এয়াৰ ৰাইফলছৰ ফাইনেলত হৃদয়



**আহমেদাবাদ, ২৯ ছেপ্টেম্বৰ ঃ** অসমৰ প্ৰতিভাবান শ্বুটাৰ হৃদয় হাজৰিকাই চলিত ৩৬ সংখ্যক গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াত প্ৰত্যাশিত আৰম্ভণি কৰি ১০ মিটাৰ এয়াৰ ৰাইফলছৰ ফাইনেলত প্ৰৱেশ কৰিবলৈ সক্ষম হৈছে। কাইলৈ অনুষ্ঠিত হ'ব ফাইনেল। উল্লেখ্য যে গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াত অসমৰ যিসকল খেলুৱৈৰ পৰা পদক আশা কৰা হৈছে তাৰ ভিতৰত আছে প্ৰতিভাবান শ্বুটাৰ হৃদয়ো। ইতিমধ্যে ৰাষ্ট্ৰীয় আৰু আন্তৰ্জাতিক প্ৰতিযোগিতাত পদক লাভ কৰি দক্ষতা প্ৰতিপন্ন কৰিছে অসম সন্তানজনে। প্ৰথমবাৰৰ বাবে ৰাষ্ট্ৰীয় ক্ৰীড়াত খেলা হৃদয়ে কাইলৈ ৰাষ্ট্ৰীয় ক্ৰীড়াৰ শ্বুটিংস্থলী আহমেদাবাদ ৰাইফল ক্লাবত হ'ব লগা ১০ মিটাৰ এয়াৰ ৰাইফলছৰ ফাইনেলত নিজৰ লক্ষ্যত সঠিকভাবে বন্দুকৰ গুলি নিক্ষেপ কৰিব পাৰিলেই অসমে প্ৰথমটো পদক শ্বুটিঙৰ পৰা লাভ কৰাৰ সম্ভাৱনা আছে। উল্লেখ্য যে হৃদয়ৰ লগতে ৰাষ্ট্ৰীয় ক্ৰীড়াত অসমৰ হৈ প্ৰতিনিধিত্ব কৰা আনগৰাকী শ্বুটাৰ হ'ল শ্ৰেয়াছি মজুমদাৰ। হৃদয় আৰু শ্ৰেয়াছিয়ে ১০ মিটাৰ এয়াৰ ৰাইফলছৰ মিক্সড শাখাত খেলিব। কিন্তু আজি লন বলত অসমৰ তানিয়া চৌধুৰী, বনগীতা হাজৰিকা, অনন্যা শইকীয়া আৰু অদিনীতা কাকতিৰ দ্বাৰা গঠিত মহিলা দলটো ১০-১১ ত পৰাস্ত হয়। কিন্তু কাইলৈ গুজৰাটৰ বিৰুদ্ধে খেলিব লগা মেচত জয়ী হ'লে ছেমিফাইনেলত প্ৰৱেশ কৰিব অসম। ইফালে আজি আহমেদাবাদৰ নৰেন্দ্ৰ মোদী ষ্টেডিয়ামত ভাৰতীয় অলিম্পিক ক্ৰীড়া আন্দোলনৰ শ্ৰেষ্ঠতম প্ৰতিযোগিতা ৰাষ্ট্ৰীয় ক্ৰীড়াৰ ৩৬ সংখ্যক সংস্কৰণৰ আনুষ্ঠানিকভাবে উদ্বোধন কৰে প্ৰধান মন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে। অনুষ্ঠানত অতিথি হিচাপে উপস্থিত থাকে গগণ নাৰং, পি ভি সিন্ধু, মীৰাবাঈ চানু আদি। উদ্বোধনী অনুষ্ঠানত অসমৰ ৫০ জনীয়া এটা দলে অংশ লয়। অসম দলৰ ধ্বজাবাহক হিচাপে থাকে হিমা দাসো।



## জি এছ এ ছুপাৰ ডিভিজন লীগ

## টাউন ক্লাবৰ বিৰুদ্ধে মহাৰাণাৰ জয়

**গুৱাহাটী, ২৯ ছেপ্টেম্বৰ ঃ** গুৱাহাটী ক্ৰীড়া সন্থাৰ আৰ জি বৰুৱা ছুপাৰ ডিভিজন ফুটবল লীগত আজি মহাৰাণা ক্লাবে গুৱাহাটী টাউন ক্লাবক ১-০ গ'লত পৰাস্ত কৰে। ছমিনিটত সন্দীপ থাপাই গ'ল দি মহাৰাণাক অগ্ৰগতি দিয়ে। ইয়াৰ পাছত দুয়োটা দলে গ'ল স্ক'ৰ কৰাৰ কেইবাটাও সুযোগ পায় যদিও ব্যৰ্থ হয়। আজিৰ জয়ৰ পাছত মহাৰাণাই চাৰিখন মেচত চাৰি পইন্ট অৰ্জন কৰাৰ বিপৰীতে টাউন ক্লাব মাত্ৰ এক পইন্টেৰে তালিকাৰ সৰ্বনিম্ন স্থানত আছে। কাইলৈ ছুপাৰ ডিভিজনত এএছইবি এছচিয়ে এফচি গ্ৰীণভেলীৰ বিৰুদ্ধে প্ৰতিদ্বন্দ্বিতা কৰিব।



## আজি আৰ্চাৰী, ভাৰোত্তোলন, এথলেটিকছত অসমৰ খেল

**আহমেদাবাদ, ২৯ ছেপ্টেম্বৰ ঃ** চলিত ৩৬ সংখ্যক গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াত কাইলৈৰ পৰা আৰম্ভ হ'ব আৰ্চাৰী, এথলেটিকছ আৰু ভাৰোত্তোলন। ইয়াৰে আৰ্চাৰী খেল হ'ব আহমেদাবাদত। আনহাতে, গান্ধী নগৰত অনুষ্ঠিত হ'ব এথলেটিকছ আৰু ভাৰোত্তোলন। তিনিওবিধ খেলতে অসমে পদক লাভ কৰাৰ সম্ভাৱনা আছে। আজি অসম আৰ্চাৰী দলৰ মেনেজাৰ পুলিন সাহাই জনোৱা অনুসৰি অসমৰ আঠজনীয়া দলে ইণ্ডিয়ান আৰু অলিম্পিক উভয় শাখাতে একক তথা দলীয়ত খেলিব। ইফালে, ভাৰোত্তোলনত অসমৰ পদক জয়ৰ সম্ভাৱনাও এশ শতাংশ। কাৰণ বাৰ্মিংহাম কমনৱেলথ গেমছত ভাৰতীয় ভাৰোত্তোলন দলক প্ৰতিনিধিত্ব কৰা অসম কন্যা পপী হাজৰিকাই চলিত ৩৬ সংখ্যক গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াত খেলিব নতুন আশাৰে। অসম ভাৰোত্তোলন সন্থাৰ সম্পাদক ভৰজ্যোতি গোস্বামীয়ে জনোৱা অনুসৰি পপীৰ লগতে অসমৰ ছজনীয়া দলে চলিত ৩৬ সংখ্যক গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াত আশানুৰূপ প্ৰদৰ্শন কৰিবলৈ সক্ষম হ'ব। ইফালে, ৩৬ সংখ্যক গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াত এথলেটিকছৰ পৰা অসমে চাৰিটা স্বৰ্ণ পদক আশা কৰিছে। উল্লেখ্য যে গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াত ১০০ আৰু ২০০ মিটাৰ দৌৰত অসমৰ হৈ খেলিব ৰাষ্ট্ৰীয় অভিলেখ গঢ়া অম্লান বৰগোহাঁই আৰু অৰ্জন বঁটাৰে সন্মানিত এছিয়ান গেমছৰ পদকজয়ী 'ধিং এক্সপ্ৰেছ' খ্যাত হিমা দাসে। সেয়েহে পুৰুষ আৰু মহিলাৰ ১০০ আৰু ২০০ মিটাৰ দৌৰৰ সোণৰ পদক অম্লান আৰু হিমাই লাভ কৰিব বুলি আশাবাদী অসম এথলেটিকছ সন্থাৰ সভাপতি লক্ষ্য কোঁৱৰ। উল্লেখ্য যে গুজৰাট ৰাষ্ট্ৰীয় ক্ৰীড়াৰ এথলেটিকছত হিমা আৰু অম্লানৰ লগতে অসমৰ এটা ছজনীয়া দলে খেলিব। কাইলৈ পুৰুষ আৰু মহিলাৰ ১০০ মিটাৰৰ হিটছ আছে।

### আজি বৰ্ষাপাৰা ষ্টেডিয়ামত উভয় দলৰ অনুশীলন

## গুৱাহাটীত ভাৰত-দক্ষিণ আফ্ৰিকা





**গুৱাহাটী, ২৯ ছেপ্টেম্বৰ ঃ** অহা দুই অক্টোবৰত অসম ক্ৰিকেট সন্থাৰ বৰ্ষাপাৰা ষ্টেডিয়ামত অনুষ্ঠিত হ'ব লগা দক্ষিণ আফ্ৰিকা আৰু ভাৰতৰ মাজৰ তিনিখনীয়া টি-২০ শৃংখলাৰ দ্বিতীয়খন মেচত অংশ লোৱাৰ বাবে আজি আহি মহানগৰীত উপস্থিত হৈছে দক্ষিণ আফ্ৰিকা আৰু ভাৰতীয় দলটো।আবেলি ৪.১৫ বজাত আহি গুৱাহাটীৰ বিমান বন্দৰত উপস্থিত হয় দুয়োটা দল। লোকপ্ৰিয় গোপীনাথ আন্তৰ্জাতিক বিমান বন্দৰৰ পৰা উভয় দলক তিনি তিনিতৰপীয়া নিৰাপত্তাৰ মাজেৰে লৈ অনা হয় হোটেল ৰেডিছন ব্লুলৈ। বিহু নৃত্য আৰু অসমীয়া গামোছা পিন্ধাই উভয় দলক আদৰণি জনোৱা হয়। আজি নিশা উভয় দল হোটেলত থাকে। কাইলৈ দক্ষিণ আফ্ৰিকা আৰু ভাৰতীয় দলে অনুশীলন কৰিব। বি চি চি আয়ে জনোৱা অনুসৰি ভাৰতীয় ক্ৰিকেট দলে কাইলৈ দুপৰীয়া এক বজাৰ পৰা চাৰি বজালৈ নেট অনুশীলন কৰিব। তদুপৰি পহিলা অক্টোবৰৰ দিনা টীম ইণ্ডিয়াই আবেলি পাঁচ বজাৰ পৰা নিশা আঠ বজালৈ অনুশীলন কৰিব বৰ্ষাপাৰা ষ্টেডিয়ামত। ইফালে, দক্ষিণ আফ্ৰিকা দলে কাইলৈ পুৱা নেট অনুশীলন তথা নিশা বৰ্ষাপাৰা ষ্টেডিয়ামত অনুশীলন কৰাৰ সম্ভাৱনা আছে। উল্লেখ্য যে দীৰ্ঘ বিৰতিৰ পাছত গুৱাহাটীত অনুষ্ঠিত হ'ব এখন আন্তৰ্জাতিক ক্ৰিকেট মেচ। ইতিমধ্যে মেচৰ সকলো টিকট শেষ হৈছে। কিন্তু আজি বতৰ বিভাগে দিয়া আগজাননী অনুসৰি বৰষুণে মেচত ব্যাঘাত জন্মাব পাৰে।

## ৰেজেক আলী ফুটবলত ৰঙিয়া ফাইনেলত

**অগ্ৰদূত বাৰ্তা, ঘগ্ৰাপাৰ, ২৯ ছেপ্টেম্বৰ ঃ** ঘগ্ৰাপাৰ আঞ্চলিক ক্ৰীড়া সন্থাৰ উদ্যোগত ঘগ্ৰাপাৰ হাইস্কুল খেলপথাৰত চলি থকা ৰেজেক আলী সোঁৱৰণী চলন্ত ট্ৰফী ফুটবল প্ৰতিযোগিতাৰ আজি অনুষ্ঠিত ছেমিফাইনেলত আৰ ডি এচ এ ৰঙিয়া দলে ৩-১ গ'লত খানাপাৰা এফ চিক পৰাজিত কৰি ফাইনেল খেল প্ৰৱেশ কৰে। অহা দুই অক্টোবৰ ফাইনেল খেলখন আৰ ডি এচ এ ৰঙিয়া আৰু ডিমাকুছি ছানৰাইজ মাজত অনুষ্ঠিত হ'ব।



### আজি সামৰণি পৰিব দক্ষিণ এছিয়া জুনিয়ৰ বেডমিণ্টন

## ল'ৰা-ছোৱালীৰ একক শাখাত স্বৰ্ণ জয়ৰ যুঁজ ভাৰতীয় খেলুৱৈৰ মাজতে



**গুৱাহাটী, ২৯ ছেপ্টেম্বৰ ঃ** ভাৰতৰ নৱাগত শ্বাটলাৰসকলে অনবদ্য প্ৰদৰ্শন কৰি চলিত দক্ষিণ এছিয়া জুনিয়ৰ বেডমিণ্টন প্ৰতিযোগিতাৰ ১৫ আৰু ১৭ বছৰ অনূৰ্দ্ধৰ ল'ৰা-ছোৱালীৰ একক, ডাবলছ আৰু মিক্সড ডাবলছৰ ফাইনেলত প্ৰৱেশ কৰিছে। অসম বেডমিণ্টন সন্থাৰ উদ্যোগত গুৱাহাটীৰ ৰাধা গোবিন্দ বৰুৱা ক্ৰীড়া প্ৰকল্পৰ দেশভক্ত তৰুণৰাম ফুকন ইনড'ৰ ষ্টেডিয়ামত চলি থকা আন্তৰ্জাতিক প্ৰতিযোগিতাখনৰ ফাইনেল কাইলৈ অনুষ্ঠিত হ'ব। উল্লেখ্য যে ১৫ বছৰ অনূৰ্দ্ধৰ ছোৱালীৰ একক শাখাৰ ফাইনেলত ভাৰতৰ নিশা কৌড় ভাট'য়ে দেশৰে তনবী ৰেড্ডী আন্দলুৰিৰ মুখামুখি হ'ব। আজি হোৱা ছেমিফাইনেলত উভয় শ্বাটলাৰে পৰাস্ত কৰে নেপালৰ প্ৰতিদ্বন্দ্বীক। আনহাতে, ১৭ বছৰ অনূৰ্দ্ধৰ ছোৱালীৰ একক শাখাৰ ফাইনেলখন ভাৰতৰ আইছানি তিৱাৰী আৰু ৰামু ৰুজুলাৰ মাজত হ'ব। উভয়ৰে আজি ছেমিফাইনেলত শ্ৰীলংকাৰ প্ৰতিদ্বন্দ্বীক হৰুৱায়। ইফালে, ১৫ বছৰ অনূৰ্দ্ধৰ ল'ৰা একক শাখাৰ ফাইনেলত প্ৰৱেশ কৰিছে ভাৰতৰ প্ৰতীক কৌণ্ডিল্য আৰু অভিনৱ গাৰ্গ। আজি দুই ভাৰতীয় শ্বাটলাৰে ছেমিফাইনেলত প্ৰতিদ্বন্দ্বী বাংলাদেশৰ খেলুৱৈক পৰাস্ত কৰে। আনহাতে, ১৭ বছৰ অনূৰ্দ্ধৰ ল'ৰা একক শাখাৰ ফাইনেলত প্ৰৱেশ কৰিছে ভাৰত ৰছাৰাছৱাট সংস্কাৰ আৰু প্ৰনয় ছেট্টিগৰে। তেওঁলোকে ছেমিফাইনেলত বাংলাদেশ আৰু শ্ৰীলংকাৰ শ্বাটলাৰক পৰাস্ত কৰি স্বৰ্ণ জয়ৰ যুঁজলৈ উন্নীত হয়।

## ফুটবল প্ৰতিযোগিতা আৰম্ভ

**অগ্ৰদূত বাৰ্তা ,খুমটাই , ২৯ ছেপ্টেম্বৰ ঃ** আজিৰে পৰা খুমটাইৰ নৰাযোগী খেলপথাৰত মেগা ফুটবল টুৰ্নামেণ্ট আৰম্ভ হৈছে। অসমৰ চাৰিটা আগশাৰীৰ ফুটবল দলে অংশগ্ৰহণ কৰিছে প্ৰতিযোগিতাত। আজি সাংসদ কামাখ্যা প্ৰসাদ তাছাই উদ্বোধন কৰা প্ৰতিযোগিতাত বিধায়ক মৃণাল শইকীয়াও উপস্থিত থাকে। দুইজন ৰাজনৈতিক নেতাই ফুটবল খেলি ৰোমন্থন কৰিলে অতীতৰ স্মৃতি । আজি উদ্বোধনী খেলখনত গোলাঘাট কছিং চেন্টাৰে নাহৰকটীয়া ফুটবল একাডেমিৰ বিৰুদ্ধে ২-১ ব্যৱধানত জয়লাভ কৰে।



## ১৯ বছৰ অনূৰ্দ্ধ অসম দলৰ পৰা বঞ্চিত হ'ল প্ৰতিভাবান ক্ৰিকেটাৰ

**গুৱাহাটী, ২৯ ছেপ্টেম্বৰ ঃ** অসম ক্ৰিকেট সন্থাই আজি ভিনু মানকাড ট্ৰফীৰ বাবে ৰাজ্যৰ ১৯ বছৰ অনূৰ্দ্ধৰ ল'ৰাৰ ক্ৰিকেট দলটো ঘোষণা কৰিছে। ময়ুখ হাজৰিকাৰ নেতৃত্বত ঘোষিত ১৫ জনীয়া দলত কিন্তু আশ্বয্যজনকভাবে স্থান লাভ নকৰিলে বিগত ক্ৰিকেট ছিজনত সৰ্বাধিক ৰাণ কৰা পাৰভেজ মুছাৰফে। এই বিষয়টো লৈ এতিয়া ক্ৰিকেটপ্ৰেমীৰ মাজত সৰৱ নেতিবাচক আলোচনা হৈছে। উল্লেখ্য যে পাৰভেজে যোৱা ক্ৰিকেট ছিজনত ১৯ বছৰ অনূৰ্দ্ধৰ চাৰিদিনীয়া প্ৰতিযোগিতা কোচবিহাৰ ট্ৰফী আৰু এদিনীয়া প্ৰতিযোগিতা ভিনু মানকাড ট্ৰফীত খেলি অসমৰ দলৰ হৈ সৰ্বাধিক ৰাণ কৰিছিল। এই প্ৰদৰ্শনৰ বাবেই পাৰভেজক ৰাষ্ট্ৰীয় ক্ৰিকেট একাডেমীৰ মাণ্ডলিক শিবিৰলৈও নিৰ্বাচন কৰা হৈছিল। কিন্তু আজি অসম ক্ৰিকেট সন্থাৰ নিৰ্বাচকে আসন্ন ভিনু মানকাড ট্ৰফীৰ বাবে ৰাজ্যৰ ১৯ বছৰ অনূৰ্দ্ধৰ ক্ৰিকেট দলটো ঘোষণা কৰাৰ সময়ত পাৰভেজক ১৫ জনীয়া দলত ৰখাৰ পৰিৱৰ্তে ষ্টেণ্ডবাই হিচাপেহে ৰাখিলে। ইয়াৰ কাৰণ কিন্তু এদিনীয়া আন্তৰ্জাতিক মেচক লৈ ব্যস্ত থকা অসম ক্ৰিকেট সন্থাৰ বিষয়া বা নিৰ্বাচকৰ পৰা জনা নগ'ল। উল্লেখ্য যে অসম ক্ৰিকেট দলত বেটছমেনৰ সমস্যা সন্থাৰ জন্মৰ দিনৰ পৰাই চলি আহিছে। তেনেক্ষেত্ৰত এজন বা দুজন নৱাগত বেটছমেন ওলাই অহাৰ পাছতো সুযোগ নিদিলে ৰাজ্যৰ ক্ৰিকেট যে আগুৱাই যাব নোৱাৰে সেয়া ধ্ৰুৱপ।

## ডাবলছ-মিক্সড ডাবলছৰ ফাইনেলত ভাৰতীয় শ্বাটলাৰ

**গুৱাহাটী, ২৯ ছেপ্টেম্বৰ ঃ** চলিত দক্ষিণ এছিয়া জুনিয়ৰ বেডমিণ্টন প্ৰতিযোগিতাৰ আজি ১৫ বছৰ অনূৰ্দ্ধৰ মিক্সড ডাবলছ শাখাৰ ছেমিফাইনেলত ভাৰতৰ প্ৰতীক কৌণ্ডিল্য আৰু নিশা কৌড় ভাট'য়ে শ্ৰীলংকাৰ বিৰুদ্ধে জয়লাভ কৰি ফাইনেলত প্ৰৱেশ কৰিছে। তদুপৰি আনখন ছেমিফাইনেলত ভাৰতৰ অভিনৱ গাৰ্গ আৰু তনবী ৰেড্ডী আন্দলুৰিয়ে নেপালক হৰুৱাই ফাইনেললৈ উত্তৰণ কৰে। ইফালে, ১৭ বছৰ অনূৰ্দ্ধৰ মিক্সড ডাবলছ শাখাৰ ছেমিফাইনেলত ভাৰতৰ ছাৰাছৱাট সংস্কাৰ আৰু আইছানি তিৱাৰীয়ে শ্ৰীলংকাৰ বিৰুদ্ধে জয়লাভ কৰাৰ বিপৰীতে এই শাখাৰ আনখন ছেমিফাইনেলত ভাৰতৰ প্ৰনয় ছেট্টিগৰ আৰু ৰামু ৰুজুলাই শ্ৰীলংকাৰে যুটিক হৰুৱাই ফাইনেলত স্থান নিশ্চিত কৰে। ইফালে, ১৫ বছৰ অনূৰ্দ্ধৰ ছোৱালীৰ ডাবলছ শাখা ফাইনেলত প্ৰৱেশ কৰিছে ভাৰতৰ নিশা কৌড় ভাট'য়ে আৰু তনবী ৰেড্ডী আন্দলুৰিয়ে। তেওঁলোকে ছেমিফাইনেলত ভুটানক হৰুৱায়। কাইলৈ ফাইনেল খেলিব শ্ৰীলংকা-মালদ্বীপৰ বিজয়ীৰ বিৰুদ্ধে। আনহাতে, ১৭ বছৰ অনূৰ্দ্ধৰ ছোৱালীৰ ডাবলছ শাখা ফাইনেলত প্ৰৱেশ কৰিছে ভাৰতৰ আইছানি তিৱাৰী আৰু ৰামু ৰুজুলা। তেওঁলোকে পৰাস্ত কৰে শ্ৰীলংকাৰ যুটিক। এতিয়া ফাইনেলত মুখামুখি হ'ব ভূটান বা নেপালৰ। ইফালে, ১৫ বছৰ অনূৰ্দ্ধৰ ল'ৰাৰ ডাবলছ শাখা ফাইনেলত প্ৰৱেশ কৰিছে ভাৰতৰ প্ৰতীক কৌণ্ডিল্য আৰু অভিনৱ গাৰ্গ। আজি তেওঁলোকে মালদ্বীপক পৰাস্ত কৰে। কাইলৈ ফাইনেলত মুখামুখি হ'ব ভূটান বা নেপালৰ। আনহাতে, ১৭ বছৰ অনূৰ্দ্ধৰ ল'ৰাৰ ডাবলছ শাখা ফাইনেলত প্ৰৱেশ কৰিছে ভাৰতৰ ছাৰাছৱাট সংস্কাৰ আৰু প্ৰনয় ছেট্টিগৰে। তেওঁলোকে ছেমিফাইনেলত পৰাস্ত কৰে ভূটানক। ফাইনেলৰ প্ৰতিদ্বন্দ্বী হ'ব বাংলাদেশ বা শ্ৰীলংকা।

## এটা বৰ্ষত টি-২০ ত ভাৰতৰ সৰ্বাধিক ৰাণ কৰা বেটাৰ সূৰ্য



**নতুন দিল্লী, ২৯ ছেপ্টেম্বৰ ঃ** টীম ইণ্ডিয়াৰ মিডল অৰ্ডাৰ বেটাৰ সূৰ্যকুমাৰ যাদৱে এটা বৰ্ষত টি-২০ ত ভাৰতৰ সৰ্বাধিক ৰাণ কৰা বেটাৰৰূপে পৰিগণিত হৈছে। উল্লেখ্য যে সূৰ্যকুমাৰে (৫০ৰ কালি দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে খেলা তিনিখনীয়া টি-২০ শৃংখলাৰ প্ৰথমখন মেচত এই সফলতা লাভ কৰিবলৈ সক্ষম হয়। এতিয়া সূৰ্যৰ মুঠ ৰাণ হ'ল ৭৩২ঙ্গ ইয়াৰপূৰ্বে শিখৰ ধৱনে ২০১৮ ত টি-২০ ত ৬৮৯ ৰাণ কৰিছিল। উল্লেখ্য যে ভাৰতে দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে খেলা তিনিখনীয়া টি-২০ শৃংখলাৰ প্ৰথমখন মেচত আঠ উইকেটত জয়লাভ কৰি শৃংখলাটোত ১-০ ৰ অগ্ৰগতি লৈছে। তিৰুৱন্তপুৰমত হোৱা মেচত পোনতে বেটিং কৰি দক্ষিণ আফ্ৰিকা দলে ২০ অভাৰত আঠ উইকেট হেৰুৱাই মাত্ৰ ১০৬ ৰাণ কৰে। আলহী দলৰ চাৰিজন বেটাৰ শূণ্যতে আউট হয়। কিন্তু কেশৱ মহাৰাজে ৪১, মাৰ্কৰামে ২৫ আৰু পাৰ্ণিলে ২৪ ৰাণ কৰি দক্ষিণ আফ্ৰিকাৰ দলীয় স্ক'ৰ শতক পাৰ কৰায়। ভাৰতৰ হৈ অৰ্শ্বদ্বীপ সিঙে তিনিটা তথা দীপক চাহাৰ আৰু হাৰ্যল পেটেলে দুটাকৈ উইকেট পায়। অভিজ্ঞ অশ্বিনে উইকেট নাপালেও চাৰি অভাৰত আঠ ৰাণহে খৰছ কৰে। প্ৰত্যুত্তৰত, ভাৰতে ১৬.৪ অভাৰত দুটা উইকেট হেৰুৱাই ১১০ ৰাণ কৰে। ৰোহিত (০ৰ আৰু বিৰাট (৩ৰ ব্যৰ্থ হয় যদিও ৰাহুল (৫১ৰ আৰু সূৰ্যকুমাৰে (৫০ৰ অপৰাজিত বেটিং কৰি দলক বিজয়লক্ষ্যত উপনিত কৰায়।



## টি-২০ বিশ্বকাপৰ পৰা বাহিৰ হ'ল যশপ্ৰীত বুমৰাহ

**নতুন দিল্লী, ২৯ ছেপ্টেম্বৰ ঃ** অহা অক্টোবৰত অষ্ট্ৰেলিয়াত অনুষ্ঠিত হ'বলগীয়া টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ পূৰ্বে ভাৰতীয় দলৰ বাবে দুখৰ খবৰ। অলৰাউণ্ডাৰ ৰবীন্দ্ৰ জাডেজাৰ পাছত পেচ বলাৰ যশপ্ৰীত বুমৰাহো টি-২০ বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ পৰা আঘাতৰ বাবে বাহিৰ হৈছে। আজি বি চি চি আইৰ এগৰাকী বিষয়াই জনোৱা মতে, পিঠিত আঘাত পোৱাৰ বাবে বুমৰাহক ছমাহৰ বাবে খেলৰ পৰা আঁতৰি থাকিবলৈ চিকিৎসকে নিৰ্দেশ দিছে। এতিয়া টি-২০ বিশ্বকাপৰ মূল দলত বুমৰাহৰ স্থানত দীপক চাহাৰ বা মহম্মদ ছামীয়ে খেলিব পাৰে। উল্লেখ্য যে দুয়োজনকে বিচিচিআইয়ে এই সন্মানীয় প্ৰতিযোগিতাখনৰ বাবে ষ্টেণ্ড বাই খেলুৱৈ হিচাপে নিৰ্বাচন কৰিছে।

## বাস্কেটবল খেলুৱৈ পুতু দাসৰ মৃত্যু



**অগ্ৰদূত বাৰ্তা, বেৰেজীয়া, ২৯ ছেপ্টেম্বৰ ঃ** নগাঁও ক্ৰীড়া সংস্থাৰ বাস্কেটবল শাখাৰ প্ৰাক্তন সম্পাদক, প্ৰাক্তন ৰাজ্যিক খেলুৱৈ, প্ৰাক্তন ক্ৰীড়া সাংবাদিক, সংগঠক তথা ভাৰতীয় খাদ্য নিগমৰ অৱসৰপ্ৰাপ্ত কৰ্মচাৰী পুতু দাসছজ্ঞ৬৪ৱঙ্গৰ আজি পুৱা নগাঁও চহৰৰ আমোলাপট্টিৰ নিজা বাসগৃহত পৰলোকপ্ৰাপ্তি ঘটে। বাস্কেটবলৰ প্ৰশিক্ষকৰূপেও তেওঁ একালত নগাঁৱৰ পৰা বহুকেইগৰাকী ৰাষ্ট্ৰীয় পৰ্যায়ৰ খেলুৱৈৰ প্ৰতিভা বিকাশত অৰিহনা আগবঢ়াই সফলতা আৰু জনপ্ৰিয়তা অৰ্জন কৰিছিল। আজি নুৰুল আমিন ষ্টেডিয়ামলৈ প্ৰাক্তন ক্ৰীড়াবিদগৰাকীৰ নশ্বৰ দেহ আনি শেষ শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰা হয়। তেওঁৰ বিয়োগত নগাঁও ক্ৰীড়া সংস্থাৰ কাৰ্যবাহী সভাপতি তথা বিধায়ক ৰূপক শৰ্মাৰ লগতে উপ সভাপতি জীৱনমল চুঞ্জাণা আৰু সাধাৰণ সম্পাদক প্লাৱন বৰুৱাকে ধৰি সমূহ বিষয়ববীয়া তথা সদস্যই গভীৰ শোকপ্ৰকাশৰে শ্ৰদ্ধা নিবেদন কৰে। ইয়াৰোপৰি পুতু দাসৰ বিয়োগত বিভিন্ন অনুষ্ঠান-প্ৰতিষ্ঠান তথা ব্যক্তি বিশেষৰ লগতে প্ৰদীপ কুমাৰ হাজৰিকা, আমিনুল ইছলাম বক্সী, ৰমেশ আগৰৱালা, অমিতাভ বৰা, ভবেন শইকীয়া, নলীন শৰ্মা, ভূৱন শৰ্মা, আলমাছ উদ্দিন আহমেদ হাজৰিকা, প্ৰমোদ কোঠাৰী, অসীম ভাৱাল, সমীৰ হাজৰিকা, মৃণাল কুমাৰ হাজৰিকা, দেৱজিত দাস, দেৱজ্যোতি গোস্বামী, নাচিৰউদ্দিন আহমেদ, মোহন চন্দ্ৰ বৰা, পৰিজ্ঞান কলিতা আদিয়েও শোকপ্ৰকাশ কৰিছে।

## ককলাবাৰী প্ৰাইমাৰী কমিটীৰ ফুটবল দল চেম্পিয়ন

**অগ্ৰদূত বাৰ্তা, জালাহ, ২৯ ছেপ্টেম্বৰ ঃ** বাগসা জিলাৰ শিমলাৰ গ্ৰাম্য ষ্টেডিয়ামত মুছলপুৰ যুৱ ইউপিপিএলৰ উদ্যোগত শিমলা ককলাবাৰী ব্লক ইউপিপিএল কমিটীৰ সহযোগত শিমলাত তিনিদিনীয়াকৈ অনুষ্ঠিত হোৱা আন্তঃ প্ৰাথমিক ফুটবল খেল প্ৰতিযোগিতাৰ চূড়ান্ত খেলখন আজি আবেলি অসম চৰকাৰৰ মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মই উদ্বোধন কৰে। অনুষ্ঠানত বিটিআৰৰ অধ্যক্ষ কাতিৰাম বড়ো, বিটিআৰৰ কাৰ্যবাহী সদস্য ৰাকেশ ব্ৰহ্ম, বিটিআৰৰ এমচিএলএ মন্টু বড়ো, ইউপিপিএলৰ মুছলপুৰ জিলা সমিতিৰ সম্পাদক দয়াল শৰণীয়াকে আদি কৰি কেবাগৰাকী বিশিষ্ট ব্যক্তিয়ে অংশগ্ৰহণ কৰে । চূড়ান্ত খেলখনত ইউপিপিএলৰ ককলাবাৰী প্ৰাইমাৰী কমিটীৰ ফুটবল দলে জলাগাঁৰ প্ৰাইমাৰী কমিটীৰ ফুটবল দলক ২-০ক্টগলত পৰাজিত কৰি বিজয়ীৰ খিতাপ অৰ্জন কৰে।



জনতাৰ চৰকাৰ | my GOV মেৰী সৰকাৰ

অসম চৰকাৰ
লোকনিৰ্মাণ (পথ) বিভাগ

PWD

শাৰদীয় দুৰ্গোৎসৱত মহানগৰবাসীলৈ উপহাৰ

# অবিৰাম প্ৰয়াসৰ দুৰন্ত গতি
# সুচল যাতায়াতেৰে ক্ষিপ্ৰ প্ৰগতি

আৰ্য নগৰ চাৰিআলিত ২ লেনযুক্ত উৰণীয়া সেতুৰ
## শুভ উদ্বোধন





## বৈশিষ্ট্য

- দৈৰ্ঘ্য – ৭৯০ মিটাৰ
- কেৰেজৱেৰ প্ৰস্থ – ২ লেন
- ভায়াডাক্ট – ৫৩৫ মিটাৰ
- স্পেনৰ সংখ্যা – ১৫
- ছাৰ্ভিচ ৰোড – ১ আৰু ১/২ লেন

নিৰ্ধাৰিত ৩০ মাহৰ পৰিবৰ্তে
১৯ মাহতেই সম্পূৰ্ণ নিৰ্মাণকাৰ্য

মুঠ ব্যয়
১৪৯.০৭ কোটি টকা

## আনুষংগিক কাম

- জৰলু নৈৰ ওপৰত বৰ্তমানৰ কালভাৰ্ট সম্প্ৰসাৰণ
- আইলেণ্ড, ৰ'টাৰী, ডিভাইডাৰ আদি নিৰ্মাণ
- আলোকসজ্জা
- ইউটিলিটী সেবাসমূহৰ স্থানান্তৰ
- ইউটিলিটী ডাক্ট নিৰ্মাণ
- ড্ৰেইন আৰু পদপথ আদি নিৰ্মাণ/পুনৰ্নিৰ্মাণ
- বাট-পথৰ উন্নয়ন
- জিৰাটিৰ ভূমি অধিগ্ৰহণ আৰু ক্ষতিপূৰণৰ ব্যৱস্থা
- ডাঃ বি বৰুৱা কৰ্কট প্ৰতিষ্ঠানৰ বাবে পাৰ্কিং জ'ন

দিনাংক ঃ ৩০ ছেপ্টেম্বৰ ২০২২
সময় ঃ পুৱা ১১ বজা
স্থান ঃ আৰ্য নগৰ, গুৱাহাটী

**উদ্বোধক**
ড° হিমন্ত বিশ্ব শৰ্মা
মুখ্যমন্ত্ৰী, অসম

**সন্মানীয় উপস্থিতি**
শ্ৰীঅশোক সিংহল
মন্ত্ৰী, গৃহ নিৰ্মাণ আৰু নগৰ পৰিকল্পনা বিভাগ
শ্ৰীমতী কুইন ওজা
সাংসদ, গুৱাহাটী লোকসভা সমষ্টি
শ্ৰীসিদ্ধাৰ্থ ভট্টাচাৰ্য
বিধায়ক, পূব গুৱাহাটী সমষ্টি
শ্ৰীনৰেন্দ্ৰ নাৰায়ণ কলিতা
বিধায়ক, পশ্চিম গুৱাহাটী সমষ্টি
শ্ৰীঅতুল বৰা
বিধায়ক, দিছপুৰ সমষ্টি

জনসংযোগ/ডি/১৩১৬৭/২২



তথ্য আৰু জনসংযোগ সঞ্চালকালয়,অসমৰ দ্বাৰা প্ৰচাৰিত | Subscribe to Asom Barta | Whatsapp 'Assam' at 8287912158